● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



যিয়ে এখন বিদ্যালয়ৰ দুৱাৰ মুকলি কৰে, তাৰ লগে লগে তেওঁ এখন কাৰাগাৰ বন্ধ কৰি দিয়ে।

ভিক্টৰ হিউগো
*ফৰাচী সাহিত্যিক*

www.dainikagradoot.in

৭ বন্ধ সীমান্ত ঃ উত্তৰ কোৰিয়াত মাত্ৰ দুমাহৰ খাদ্য মজুত
১১ জেমিছনৰ সন্মুখত আত্মসমৰ্পণ টীম ইণ্ডিয়াৰ বেটছমেনৰ
৪ অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ মৃত্যু হ'ল কিয়?

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২৫১তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৬ আহাৰ ১৪২৮ ভাস্কৰাব্দ ২১ জুন ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 21 June 2021 মূল্য ঃ ৭.০০ টকা

## কেৱল সৎ গ্ৰাহকক বিদ্যুতৰ মাধমাৰ

■ প্ৰাঞ্জলসেন ডেকা

**বিদ্যুৎ** শক্তিৰ নিৰৱচ্ছিন্ন আৰু পৰ্যাপ্ত যোগান অবিহনে এই যুগত যে সমাজৰ বিকাশ সম্ভৱ নহয় সেই কথা গুৱাহাটীৰ বিজুলী ভৱনত বহি থকা বিদ্যুৎ বিভাগৰ দায়িত্বশীল বিষয়াসকলৰ বাহিৰে আন সকলোৱেই বুজি পায়। বিজুলী ভৱনৰ এচাম গভাইত বিদ্যুৎ চোৰ, অকৰ্মণ্য তথা দূৰদৃষ্টিহীন বিষয়াৰ নেতিবাচক কাৰ্যকলাপৰ বাবেই আজি ৰাজ্যত বিদ্যুৎ খণ্ডৰ চৰম শোচনীয় অৱস্থা। পৰিস্থিতি এনে পৰ্যায় পাইছেগৈ যে সম্প্ৰতি বিদ্যুৎ খণ্ডই প্ৰতিমাহে *আঠ পৃষ্ঠাত চাওক*

■ অসমতো শতকৰ দিশে পেট্ৰ'লৰ মূল্য ■ পেট্ৰ'ল লিটাৰত ২৯ পইচা-ডিজেলত ২৭ পইচা পুনৰ বাঢ়িল ■ আন্তৰ্জাতিক মূল্যৰ অজুহাত দিয়েই বহি আছে কেন্দ্ৰীয় চৰকাৰ

# ডেৰমাহত ২৮ বাৰ মূল্যবৃদ্ধি ইন্ধনৰ



*গেছ ক্ৰেকাৰ প্ৰকল্প পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ, ডিব্ৰুগড়ৰ লেপেটকটাত দেওবাৰে।*



**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২০ জুন ঃ** দেশৰ কে'বাখনো ৰাজ্যৰ পিছে পিছে অসমতো ইন্ধনৰ মূল্যই শতকৰ ঘৰ স্পৰ্শ কৰিবলৈ আগবাঢ়িছে। অসমত আজি প্ৰতিলিটাৰ পেট্ৰ'লৰ মূল্য ৯৩.০২ টকালৈ বৃদ্ধি হয়। আনহাতে, ডিজেলৰ মূল্য হয়গৈ ৮৭.৫১ টকা। ভাৰত-পেট্ৰ'লিয়ামৰ এই মূল্যৰ বিপৰীতে ইণ্ডিয়ান অইলৰ আজিৰ পেট্ৰ'লৰ প্ৰতি লিটাৰৰ মূল্য ৯২.৯৪ টকা আৰু ডিজেলৰ ৮৭.৪৫ টকা। উল্লেখ্য যে কেইদিনমানৰ বিৰতিত যোৱা চাৰি মে'ৰ পৰা দেশত পেট্ৰ'ল আৰু ডিজেলৰ পুনৰ মূল্যবৃদ্ধি আৰম্ভ হয়। চাৰি মে'ৰ পৰা ধাৰাবাহিকভাৱে আজিলৈকে ২৮ বাৰ এই বৃদ্ধি হৈছে। তাৰ পৰিণতিত ইন্ধনৰ মূল্যই ৰাজ্যই ৰাজ্যই অভিলেখৰ ওপৰত অভিলেখ গঢ়িছে। অসমতো মূল্যৰ অভিলেখ গঢ়ি এই অভাৱনীয় দামত উপনীত হৈছে। আন্তৰ্জাতিক বজাৰত খাৰুৱা *আঠ পৃষ্ঠাত চাওক*

■ ৰাজ্যৰ সাত জিলাৰ পৰিস্থিতি উদ্বেগজনক ■ বুধবাৰে পৰ্যালোচনাৰ অন্তত সিদ্ধান্ত ঃ শৰ্মা ■ ডিব্ৰুগড়ত 'ব্লেক ফাংগাছ'ত আক্ৰান্ত ৰোগী চিনাক্ত ঃ ষ্টেৰ'য়ড কমকৈ দিবলৈ পৰামৰ্শ

## সংক্ৰমণ নকমিলে ১০ দিনৰ বাবে তলাবন্ধ



**অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা**
**দুলীয়াজান/ডিব্ৰুগড়, ২০ জুন ঃ** ৰাজ্যৰ কমেও সাতখন জিলাত ১০ দিনৰ বাবে সম্পূৰ্ণ তলাবন্ধ হোৱাৰ সম্ভাৱনা আছে। আজি ডিব্ৰুগড়-দুলীয়াজান ভ্ৰমণ কালত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা ভাষ্যত এই কথা স্পষ্ট হৈছে। দুলীয়াজানত এক সংবাদমেলত আজি মুখ্যমন্ত্ৰীয়ে কয় যে যিসমূহ জিলাত ক'ভিডৰ সংক্ৰমণ বৃদ্ধি হৈ আছে সেইসমূহত কঠোৰ ব্যৱস্থা ল'ব লাগিব। তেওঁ কয়, 'যদি অহা সপ্তাহত ক'ভিডৰ সংক্ৰমণ হ্ৰাস নাপায় তেন্তে ১০ দিনৰ বাবে সম্পূৰ্ণৰূপে তলাবন্ধ বলৱতৰ সম্ভাৱনা আছে। অহা বুধবাৰে ক'ভিডৰ সংক্ৰমণৰ পৰ্যালোচনা কৰি যি অঞ্চলত ক'ভিডৰ সংক্ৰমণ বাঢ়িছে তেনে অঞ্চলত তলাবন্ধ ঘোষণাৰ পূৰ্ণ সম্ভাৱনা আছে।' আনহাতে, কাইলৈৰ পৰা নিতৌ তিনি লাখ লোকক প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অহা ১০ জুলাইৰ ভিতৰত *আঠ পৃষ্ঠাত চাওক*

## ছেপ্টেম্বৰৰ ভিতৰত এন ডি এফ বিয়ে লাভ কৰিব পুনৰ সংস্থাপন

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ২০ জুন ঃ** 'বড়ো শান্তি চুক্তিৰ বহুকেইটা দফা ইতিমধ্যে ৰূপায়ণ হৈছে। চুক্তিৰ ন নম্বৰ দফা অনুসৰি এন ডি এফ বি সদস্যসকলৰ *দুই পৃষ্ঠাত চাওক*

■ ডিব্ৰুগড়ত নগেন শইকীয়াক সাক্ষাৎ ■ তিনিশ কোটিৰ ব্যৱসায় কৰা গেছ কোম্পানী এহেজাৰ কোটিৰ ব্যৱসায় কৰিব ঃ মুখ্যমন্ত্ৰী

## গেছ কোম্পানী-গেছ ক্ৰেকাৰ-পাইপ লাইন কোম্পানীৰ বুজ ল'লে শৰ্মাই

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**ডিব্ৰুগড়/দুলীয়াজান, ২০ জুন ঃ** 'বিগত এবছৰত অসম গেছ কোম্পানী লিমিটেডে ৪০ শতাংশ গেছৰ ভাণ্ডাৰ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। বৰ্তমান কোম্পানীটোৱে তিনিশ কোটি টকাৰ ব্যৱসায় কৰিছে আৰু অসম চৰকাৰে ইয়াৰ ডিভিডেণ্ডৰূপে পাঁচ কোটি লাভ কৰাৰ লগতে বহুতো সমাজসেৱা-গঠনমূলক কাম-কাজত কোম্পানীয়ে ৰাইজলৈ অৱদান আগবঢ়াইছে।' এই ভাষ্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি তৈলনগৰী ডিব্ৰুগড়ৰ দুলীয়াজানৰ অসম চৰকাৰৰ লাভজনক উদ্যোগ প্ৰতিষ্ঠান অসম গেছ কোম্পানী লিমিটেডৰ মুখ্য কাৰ্যালয়ত উদ্যোগটোৰ কামৰ পৰ্যালোচনাৰ অন্তত এক সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কয়, 'বৰ্তমানৰ পৰ্যায়ৰ দৰে কোম্পানীয়ে আগবাঢ়িবলৈ বৰ্তমানৰ তিনিশ কোটিৰ বিপৰীতে এহেজাৰ কোটি টকাৰ ব্যৱসায় কৰিব পাৰিব। *আঠ পৃষ্ঠাত চাওক*

**ডিএনপি লিমিটেডৰ গেছ কম্প্ৰেছৰৰ কাম মুকলি**

জটিল হৈছে মেট্ৰিক-উচ্চতৰ পৰীক্ষাৰ ফলাফলৰ মূল্যায়ন প্ৰক্ৰিয়া

নৱমৰ বছৰেকীয়া-দশমৰ চাৰিটা ইউনিট টেষ্ট-ছমহীয়া নম্বৰেৰে ফলাফল

## বহু বিদ্যালয়ত নাই তথ্য, ক'ভিডৰ বাবে হোৱা নাছিল একাধিক পৰীক্ষা

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২০ জুন ঃ** ক'ভিড পৰিস্থিতিৰ ফলত বাতিল হোৱা উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা, হাই মাদ্ৰাছা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ বাবে ইয়াৰ মূল্যায়ন কৰিবলৈ ৰাজ্যৰ শিক্ষা বিভাগে গঠন কৰি দিয়া উচ্চস্তৰীয় সমিতিয়ে ইতিমধ্যে কাম-কাজ আৰম্ভ কৰিছে। মেট্ৰিকৰ ফলাফলৰ ক্ষেত্ৰত ইতিমধ্যে প্ৰতিখন বিদ্যালয়ৰ কৰ্তৃপক্ষলৈ ছেবাৰ তৰফৰ পৰা পৰীক্ষাৰ্থীসকলৰ তথ্য বিচাৰি এখন প্ৰ-পত্ৰ প্ৰেৰণ কৰা হৈছে। এই প্ৰ-পত্ৰত সংশ্লিষ্ট বিদ্যালয়খনৰ পৰা কিমান পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব আৰু ইয়াৰে নিয়মীয়া, বিশেষভাৱে সক্ষম আৰু বিগত অনুত্তীৰ্ণ পৰীক্ষাৰ্থী কিমান সেয়া *আঠ পৃষ্ঠাত চাওক*

**নম্বৰ বঢ়াই দিবলৈ প্ৰধান শিক্ষক-অধ্যক্ষলৈ ফোনকল পৰীক্ষাৰ্থীৰ**

মেট্ৰিক পৰীক্ষা বাতিল

## হতাশাত ভুগি মেধাৱী ছাত্ৰীৰ আত্মহত্যা লখিমপুৰত



**বিশেষ সংবাদদাতা**
**লখিমপুৰ, ২০ জুন ঃ** ক'ভিডৰ জটিল পৰিস্থিতিৰ বাবে হাইস্কুল *আঠ পৃষ্ঠাত চাওক*

## গৰু চুৰিক লৈ গোৰেশ্বৰত তীব্ৰ উত্তেজনা, এজনক আটক

**অগ্ৰদূত বাৰ্তা**
**গোৰেশ্বৰ, ২০ জুন ঃ** বাগ্‌সা জিলাৰ গোৰেশ্বৰ থানাৰ অন্তৰ্গত ঔগুৰি (হাঁহডগৰা) গাঁৱৰ নিবাসী থানেশ্বৰ বড়ো নামৰ লোক এজনৰ এহাল গৰু আজি পুৱতি নিশা চোৰে গোহালিৰ পৰা চুৰি কৰি নিয়াক লৈ *দুই পৃষ্ঠাত চাওক*

উদ্বেগ প্ৰকাশ কৰিছে বিশ্ব স্বাস্থ্য সংস্থায়ো

## অধিক মাৰাত্মক হ'ব পাৰে কৰ'নাৰ 'ডেল্টা প্লাছ' প্ৰজাতি ঃ সকীয়নি এইম্‌ছৰ



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২০ জুন ঃ** কৰ'নাৰ 'ডেল্টা প্লাছ' প্ৰজাতিৰ পৰিৱৰ্তিত ৰূপ অধিক মাৰাত্মক হ'ব পাৰে। আজি এইদৰে ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণৰ সন্দৰ্ভত সতৰ্ক বাৰ্তা প্ৰেৰণ কৰিলে নতুন দিল্লীস্থ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইম্‌ছ)'ৰ মুৰব্বী ৰণদীপ গুলেৰিয়াই। ভাৰতত কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয় ঢৌৰ *আঠ পৃষ্ঠাত চাওক*

## ৮০ দিন পাছত দৈনিক সংক্ৰমণ ৬০ হেজাৰৰ তললৈ নামিল

মৃত্যু হ'ল ১,৫৭৬ জনৰ

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২০ জুন ঃ** প্ৰায় তিনিমাহৰ পাছত দেশত কৰ'নাৰ দৈনিক সংক্ৰমণ ৬০ হেজাৰৰ তললৈ নামিল। টিকাকৰণত অগ্ৰাধিকাৰ প্ৰদানৰ ফলত দেশত সংক্ৰমণ লাহে লাহে নিয়ন্ত্ৰণলৈ অহা বুলি মত পোষণ কৰিছে স্বাস্থ্য বিশেষজ্ঞসকলে। অৱশ্যে সংক্ৰমণ হ্ৰাস অব্যাহত *দুই পৃষ্ঠাত চাওক*

কেচু খান্দোতে ওলাইছে সাপ ঃ তদন্তই ঢুকি পাবনে কলংকিত অধ্যায়

## গৃহৰক্ষী জোৱানৰ একাউণ্টলৈ ক'ৰ পৰা আহিছিল লাখে লাখে টকা?



**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২০ জুন ঃ** অসম আৰক্ষীক পুনৰবাৰ লজ্জিত কৰিলে চোৰাং সোণ সৰবৰাহকে ধৰি বিভিন্ন ক'লা ব্যৱসায়ত জড়িত ধৃত কামাখ্যা ৰেল আৰক্ষীৰ উপ-পৰিদৰ্শক বদ্ৰীপ্ৰসাদ বাৰুৱতীয়ে। ভৰলু আৰক্ষীয়ে যোৱা ১৫ জুনত জব্দ কৰা চোৰাং সোণৰ ঘটনাত নাম সাঙোৰ খাই পৰা বাৰুৱতীক *দুই পৃষ্ঠাত চাওক*

অন্যতম কাণ্ডাৰীক গ্ৰেপ্তাৰ কৰিও ৰাজনৈতিক প্ৰভাৱত এৰি দিলে

## বৰাকত বিজেপি বিধায়ক কৃষ্ণেন্দুৰ কয়লা ছিণ্ডিকেটক লৈ ক্ষুণ্ণ দিছপুৰ



**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২০ জুন ঃ** বাৰিষাৰ বাবে বৰ্তমান ৰাজ্যত কয়লাৰ বজাৰ স্তিমিত হ'লেও ছিণ্ডিকেট অব্যাহত আছে। মেঘালয়ৰ কয়লাক লৈ বৰাকত অব্যাহত থকা ছিণ্ডিকেটে নিয়ন্ত্ৰণহীন পৰিৱেশৰ সৃষ্টি কৰিছে। কাৰণ স্বয়ং শাসক দলৰ বিধায়কৰ নেতৃত্বত এই ছিণ্ডিকেট চলিছে। বিজেপিৰ পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পাল বৰাকৰ কয়লা ছিণ্ডিকেটৰ মূল কাণ্ডাৰী বুলি অলপতে কংগ্ৰেছৰ উত্তৰ কৰিমগঞ্জৰ বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থই অভিযোগ কৰে। কৰিমগঞ্জ আৰক্ষীৰ ছত্ৰছায়াত শেহতীয়াকৈ ছিণ্ডিকেটক লৈ বৰাকত *দুই পৃষ্ঠাত চাওক*

## ভুৱা বিত্তীয় প্ৰতিষ্ঠানৰ দ্বাৰা ১০ কোটি লুট, এইবাৰ আটক মহিলাক

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ২০ জুন ঃ** ২০১৮তে এটা ভুৱা বিত্তীয় প্ৰতিষ্ঠান খুলি প্ৰবঞ্চনাৰে কোটি কোটি টকা আত্মসাৎ কৰা তিনি প্ৰবঞ্চকক কালি হোজাই *দুই পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২৫° |
| ডিব্ৰুগড় | ৩৬° | ২৫° |
| দিল্লী | ৩৪° | ২৬° |
| কলকাতা | ৩১° | ২৫° |
| মুম্বাই | ৩১° | ২৬° |
| চেন্নাই | ৩৭° | ২৮° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২১° | ১৮° |

২০ জুন, ২০২১

চাৰি লাখকৈ ক্ষতিপূৰণ অসম্ভৱ ঃ উচ্চতম ন্যায়ালয়ক জনালে চৰকাৰে

## সামৰ্থ্য নাই ঃ ক'ভিডত মৃতকৰ পৰিয়ালক ক্ষতিপূৰণ নিদিয়ে কেন্দ্ৰই



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২০ জুন ঃ** ক'ভিডত প্ৰাণহানি হোৱা লোকৰ প্ৰতিটো পৰিয়ালক চাৰি লাখ টকাকৈ ক্ষতিপূৰণ আদায় দিয়াটো কোনোপধ্যে সম্ভৱ নহয়। চৰকাৰে দেশত কৰ'নাত মৃতকৰ পৰিয়ালক এনে ধৰণৰ কোনো বিত্তীয় ক্ষতিপূৰণ প্ৰদানৰ সিদ্ধান্ত লোৱা নাই। এটি জনস্বাৰ্থজড়িত গোচৰত উচ্চতম ন্যায়ালয়ক এই কথা অৱগত কৰিলে কেন্দ্ৰৰ চৰকাৰে। নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ক এই সন্দৰ্ভত স্পষ্টভাৱে কয় যে ক'ভিডত মৃত্যু হোৱা লোকসকলৰ প্ৰতিটো পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰাৰ সামৰ্থ্য চৰকাৰৰ নাই। এই সন্দৰ্ভত আদালতত যুক্তি দৰ্শাই কেন্দ্ৰই কয় যে কেৱল ক'ভিডত মৃতকৰ ক্ষেত্ৰত আৰ্থিক সাহায্য প্ৰদান কৰিলে আন ৰোগত মৃতকক একে ধৰণৰ সহায় দিয়া নহ'লে, সেয়া অন্যায় হ'ব। উল্লেখ্য যে সম্প্ৰতি ক'ভিডত মৃতকৰ পৰিয়ালক চাৰি লাখ টকাকৈ *আঠ পৃষ্ঠাত চাওক*

প্ৰস্তাৱিত দুশ বিদেশী ন্যায়াধিকৰণৰ বাবে

## বাছনিভুক্ত হৈও দুবছৰে নিযুক্তি লাভৰ পৰা বঞ্চিত হৈ ৰ'ল ১৬শ প্ৰাৰ্থী

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২০ জুন ঃ** ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ পৰা বাদ পৰা লোকসকলৰ আবেদন নিষ্পত্তি কৰিবলৈ ৰাজ্য চৰকাৰে নতুনকৈ দুশখন বিদেশী ন্যায়াধিকৰণ স্থাপনৰ সিদ্ধান্তৰে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে ২০১৯ত বাছনি কৰা ১৬শ প্ৰাৰ্থীয়ে আজি দুবছৰে নিযুক্তি লাভ নকৰিলে। ২০২০ত এইসকল প্ৰাৰ্থীৰ নিযুক্তিৰ ম্যাদ অন্ত পৰিবলৈ কেইটামান দিন বাকী থকা অৱস্থাত চৰকাৰে এবছৰৰ বাবে নিযুক্তিৰ ম্যাদ বৃদ্ধি কৰিছিল যদিও পুনৰ এই ম্যাদ অহা ছেপ্টেম্বৰত উকলি যোৱাৰ *আঠ পৃষ্ঠাত চাওক*

## মৰাপাট খেতি পথাৰত উদ্ধাৰ কন্যাশিশুৰ মৃতদেহ

দুৰ্বৃত্তই ধৰ্ষণ কৰি হত্যাৰ সন্দেহ পৰিয়ালৰ

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ২০ জুন ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত আজি এটি কন্যা শিশুৰ মৃতদেহ উদ্ধাৰ হয়। শিশুটিক একাধিক দুৰ্বৃত্তই ধৰ্ষণৰ পাছত হত্যা *দুই পৃষ্ঠাত চাওক*

**চেঙা তেল**



*হেৰি, কৰ'না খেদিবলৈ ইমান বেছি গৰম পানী খাই থাকিলে ডিঙি পুৰিব আকৌ চাব!*

■ ক'ভিড পৰিস্থিতিত ভিন্নৰূপী ছবি ডিমৌত ঃ ট্ৰেক্টৰেৰে মাটি চহাই মহিলা সবলীকৰণৰ নিদৰ্শন কিশোৰী ছাত্ৰীৰ

## ডিঙিত পদক আঁৰি পাচলি বিক্ৰী ৰাষ্ট্ৰীয় খেলুৱৈৰ





**অগ্ৰদূত বাৰ্তা**
**ডিমৌ, ২০ জুন ঃ** ক'ভিড-১৯ৰ বাবে ৰাজ্যত এতিয়া অব্যাহত আছে আংশিক সান্ধ্য আইন। এনে সময়তে শিৱসাগৰ জিলাৰ ডিমৌ অঞ্চলত দেখা গৈছে ক'ভিড পৰিস্থিতিৰ দুখন ভিন্নৰূপী ছবি। ক'ভিড-১৯ আৰু তলাবন্ধৰ বাবে আৰ্থিক সমস্যাত ভুগি এজন ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈয়ে পদপথত পাচলি বিক্ৰী কৰি পৰিয়াল পোহপাল দিবলৈ বাধ্য হৈ পৰিছে। ইয়াৰ বিপৰীতে একেটা অঞ্চলতে দেখা গৈছে নাৰী সবলীকৰণৰ এক নিদৰ্শন। ক'ভিড পৰিস্থিতিৰ বাবে বিদ্যালয় বন্ধ থকাৰ সুবাদত ট্ৰেক্টৰ চলাই পিতৃৰ কামত হাত আগবঢ়াইছে এগৰাকী কিশোৰী ছাত্ৰীয়ে। এজনে যদি লাভ কৰিছে বিভিন্নজনৰ সহানুভূতি, আনগৰাকীৰ কুক্ষি ভৰি পৰিছে প্ৰচুৰ প্ৰশংসাৰে।

এসময়ত অসম হেণ্ডবল দলৰ হৈ বিভিন্ন ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশ লৈ সফলতা অৰ্জন কৰিছিল ডিমৌৰ কৈলাশ চাওৱাই। *আঠ পৃষ্ঠাত চাওক*

## কাৰ্বি আংলঙত আৰক্ষীৰে ছঘণ্টীয়া সংঘৰ্ষত ধৰাশায়ী দুই ইউপিআৰএফ উগ্ৰপন্থী



**অগ্ৰদূত বাৰ্তা**
**হাওৰাঘাট/বোকাজান/ডংকামোকাম/বকলীয়াঘাট, ২০ জুন ঃ** কাৰ্বি আংলং জিলাত আজি আৰক্ষীৰে হোৱা সংঘৰ্ষত নিহত হ'ল ইউনাইটেড পিপ'ল ৰিভলিউচনেৰী ফ্ৰণ্ট (ইউপিআৰএফ)ৰ দুজন উগ্ৰপন্থী। নিহত উগ্ৰপন্থীদ্বয়ৰ পৰা আৰক্ষীয়ে অস্ত্ৰ-শস্ত্ৰও উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই ঘটনা সংঘটিত হয় জিলাখনৰ মাঞ্জা আৰক্ষী থানাৰ অন্তৰ্গত সিংহাসন পাহাৰৰ *আঠ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২১ জুন, ২০২১ সোমবাৰ পৃষ্ঠা তিনি

## বিল্যাসনন্দন চ'ৰা




# দেশভক্তৰ নতুন সংজ্ঞা

**সময়ৰ** লগে লগে সকলোৰে সংজ্ঞা সলনি হয়। এটা সময়ত এটম বোমা আছিল এটা ভয়ানক বিস্ফোৰণৰ নাম। এতিয়া এটম বোমা হ'ল শান্তিৰ প্ৰতীক। এটম বোমাক লৈ আকৌ সেইখন দেশে আটাইতকৈ বেছি শান্তিৰ শ্ল'গান গায়, যিখন দেশত আটাইতকৈ বেছি এটম বোমা মজুত আছে। আগতে সাহস আৰু বীৰত্বৰ সংজ্ঞা নিৰ্ধাৰণ কৰিছিল যুদ্ধক্ষেত্ৰই। এতিয়া নিৰ্ধাৰণ কৰে ভোটৰ আগে আগে হোৱা ছাৰ্জিকেল ষ্ট্ৰাইকে। আগেয়ে গণতন্ত্ৰৰ সংজ্ঞা নিৰ্ধাৰণ কৰিছিল ভোটযুদ্ধই। এতিয়াৰ ভোটযুদ্ধই নিৰ্ধাৰণ কৰে নোটতন্ত্ৰৰ সংজ্ঞা।

এনেকৈ সময়ে সংজ্ঞাবোৰ সলাই থাকে। একেদৰে দেশভক্তৰ সংজ্ঞাও সলনি কৰিছে সময়ে। আগেয়ে দেশভক্তসকল কেনেকুৱা আছিল? দেশৰ কাৰণে যুদ্ধ কৰিছিল, আন্দোলন কৰিছিল, জেল খাটিছিল, গুলি খাইছিল। কিন্তু আজি-কালি এইবোৰক দেশভক্তি নোবোলে। বৰঞ্চ এইবোৰ কৰাসকলক দেশদ্ৰোহীহে বোলা হয়। জাগাত ধৰি দিলেই দেশদ্ৰোহী। লগালগ এফআইআৰ। প্ৰশ্ন কৰিলেই দেশদ্ৰোহী। নিমিষতে এফআইআৰ। ক্ৰিটিচাইজ কৰিলেই দেশদ্ৰোহী। এফআইআৰ ৰেডী। আজি-কালি আকৌ দেশখনৰ বদনামো খুব তাৰাতাৰি হয়। প্ৰশ্ন কৰক— বদনাম! ক্ৰিটিচাইজ কৰক— বদনাম! জাগাত ধৰি দিলেই বদনাম! বদনাম ক'ত কেনেকৈ হয়, সেয়া সকলোৱে জানে। কিন্তু সদনাম কেনেকৈ হয়, মানে কি কাম কেনেকৈ কৰিলে সদনাম হয়, সেয়া হ'লে কোনেও সঠিককৈ ক'ব নোৱাৰে। এতিয়া ধৰক— ছেকেণ্ড টাইম ভাইৰাছটোৱে উৎপাত কৰিলে। কোনেও একো গমেই নাপালে। ভাইৰাছৰ উৎপাত চলি থাকোতেই লাখে লাখে মানুহ গোটাই মিটিং পতা হ'ল। ভাইৰাছে লম্ভা মানুহক দিবলৈ অক্সিজেন নোহোৱা হ'ল, বেড নোহোৱা হ'ল, হাস্পতাল নোহোৱা হ'ল, ডাক্তৰ নোহোৱা হ'ল। এইবোৰৰ কাৰণে দেশৰ কিমানখিনি সদনাম হ'ল সেয়া কোনেও নাজানে। কিন্তু বদনাম যে হোৱা নাই, সেইটো হ'লে খাটাং। গতিকে সদনাম আৰু বদনামৰ সংজ্ঞাও আজিকালি সলনি হ'বলৈ ধৰিছে। আচলতে সংজ্ঞাটো এনেকুৱা হৈছে যে যিবোৰ কামৰ দ্বাৰা প্ৰজাগণৰ বহু লোকচান হ'লেও পেলেচৰ একো লাভ বা লোকচান নহয়, সেইবোৰ কামকে বদনাম বা সদনাম হোৱা নোবোলে। এই সংজ্ঞাটোৰ পৰা আপুনি কি বুজিলে? একো বুজা নাই নহয়। এই একো নুবুজাটোকে আজি-কালি অন্ধভক্তি বোলা হয়।



এতিয়া কথা হ'ল— আমি কোনবোৰ মানুহক দেশভক্ত আখ্যা দিম? মানে দেশভক্তিৰ সংজ্ঞা কি হ'ব? হয়! এই কনফিউজনটো নোহোৱা কৰিবলৈ এখন নতুন এছঅ'পি জাৰি কৰাৰ কথাও বিচাৰ-বিবেচনা কৰি থকা হৈছে। এই এছঅ'পিখন কৰ'নাৰ এছঅ'পি নহয়, দেশভক্তিৰ এছঅ'পি। অৰ্থাৎ এছঅ'পিত যিবোৰ পইণ্ট থাকিব, সেইবোৰৰ ওপৰত ভিত্তি কৰিহে বিচাৰ কৰি চোৱা হ'ব আচল দেশভক্ত কোনবোৰ।

এছঅ'পিৰ পইণ্টবোৰ এনে ধৰণৰ— সকলো কামকে বাঃ বাঃ দিব লাগিব আৰু সকলো কথাতে ঠক্ ঠক্‌কৈ তালি বজাব লাগিব। যেনে ধৰক— অক্সিজেন নাপাই একেলগে ২৪জন চাফা হৈ গ'ল। তাতো তালি বজাই বজাই ক'ব পাৰিব লাগিব যে এয়া পপুলেচন কন্ট্ৰোলৰ নতুন টেকনিক। বেড নাপাই হাস্পতালৰ বাৰাণ্ডাত পৰি থাকিব লগা হৈছে। বাঃ বাঃ দি ক'ব লাগিব যে মাটি আৰু মানুহৰ সম্পৰ্ক স্থাপন কৰিবলৈ এয়া নতুন টেকনিক। তেতিয়াহে কাৰোবাক দেশভক্ত বুলি চাৰ্টিফিকেট দিব পৰা যাব। দ্বিতীয়তে, সৰু সৰু কথাতে জাঁপ ধৰিব লাগিব। যেনে ধৰক— ভেকচিন ফ্ৰি। এনে ভাব দেখুৱাব লাগিব যেন বহু বছৰ ধ্যান লাভৰ অন্তত প্ৰজাগণক অমৰত্বৰ বৰ দিয়া হৈছে। তৃতীয়তে, মন কী বাত কাণেদি শুনি মুখেদি উলিয়াই ক'ব পাৰিব লাগিব যে এয়া কেৱল বাণী নহয়, দেৱলোকৰ আকাশবাণী। চতুৰ্থতে, মুখেদি অনবৰতে ৰাম ৰাম বুলি গাই থাকিব লাগিব। দোকানলৈ গৈ 'আজি হুইস্কি নহয়, ৰাম দিয়ক' বুলি ক'লেও দেশভক্তৰ চাৰ্টিফিকেটখন পোৱা যাব, কেৱল ক'ব লাগিব। পঞ্চমতে, আল্লা এণ্ড ঈশ্বৰৰ যুদ্ধখন অনবৰতে লগাই থাকিব লাগিব। চাইনাই মাটি দখল কৰি ৰাখিলেও যুদ্ধ কৰাৰ দৰকাৰ নাই। কিন্তু আল্লা আৰু ঈশ্বৰৰ যুদ্ধখন সদায় চলাই থাকিব পৰাজনহে আচল দেশভক্ত।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## কলিয়াবৰত দুৰ্ঘটনাত নিহত আৰক্ষী কনিষ্টবল

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২০ জুন ঃ** কলিয়াবৰৰ নলতলিত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত চুলুং আৰক্ষী চকীৰ কনিষ্টবল অৰূপ বসুমতাৰী নিহত হয়। এই সংক্ৰান্তত আৰক্ষীৰ সূত্ৰই সদৰী কৰা মতে, নিশা কৰ্তব্য পালনৰ বাবে মিচাৰ পৰা চুলুঙলৈ গৈ আছিল কনিষ্টবলজনে। এই সময়তে নিৰ্মীয়মাণ পথৰ দ গাঁতত মটৰ চাইকেল সোমাই দুৰ্ঘটনাত পতিত হয় বসুমতাৰী। ইয়াৰ পাছত প্ৰত্যক্ষদৰ্শীয়ে ঘটনাটো আৰক্ষীক জনোৱাত ততাতৈয়াকৈ উলুৱনী আৰক্ষী থানাৰ আৰক্ষী বিষয়া অৰূপ ডেকাৰজাই নিজৰ গাড়ীত তুলি বসুমতাৰীক জখলাবন্ধা হাস্পতাললৈ নিয়ে যদিও ইয়াৰ পূৰ্বেই তেওঁৰ মৃত্যু হয়।

# নগাঁও জিলাত কৃষি বিভাগৰ পৃষ্ঠপোষকতাতে সাৰৰ বৃহৎ ছিণ্ডিকেট!

## বদলিৰ পাছতো চকী এৰাৰ মন নাই কৃষি বিষয়াৰ

বিশেষ সংবাদদাতা

**নগাঁও, ২০ জুন ঃ** ৰাজ্যৰ কৃষি বিভাগে কৃষকৰ বাবে যোগান ধৰা ৰাজসাহায্যযুক্ত সাৰৰ নামত মধ্য অসমত এক বৃহৎ চিণ্ডিকেট চলি অহাৰ তথ্য ইতিমধ্যে 'দৈনিক অগ্ৰদূত'ত সবিস্তাৰে প্ৰকাশ পাইছে। নগাঁও চহৰৰ হয়বৰগাঁৱৰ ৰেক পইণ্টৰ পৰা দীৰ্ঘদিন ধৰি এই ৰাজসাহায্যযুক্ত সাৰৰ নামত জিলাখনৰ এজন সাৰৰ পাইকাৰী বিক্ৰেতাৰ নেতৃত্বত চলি অহা এই সাৰৰ চিণ্ডিকেটৰ পৰাই ক'লা বজাৰলৈ সাৰৰ আমদানি হৈ আহিছে। জিলাখনৰ কৃষি বিষয়াৰ জ্ঞাতসাৰেই এই বৃহৎ চোৰাং সাৰৰ ব্যৱসায় চলি আহিছে বুলি ৰাইজে অভিযোগ তুলিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত যোৱা ১২ জুনত গুৱাহাটীৰ পৰা কৃষি বিভাগৰ এটি উচ্চস্তৰীয় বিষয়াৰ দলে নিৰ্দিষ্ট অভিযোগৰ ভিত্তিত নগাঁৱত ক্ষেত্ৰভিত্তিক তদন্ত কৰি সাৰৰ বৃহৎ অনিয়ম পোহৰলৈ আনিবলৈ সক্ষম হয়। ফলত নগাঁও চহৰৰ হয়বৰগাঁৱৰ এখন সাৰ বিক্ৰী প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰ কিছু দিনৰ বাবে নিলম্বন কৰিবলৈ বাধ্য হৈছে। নগাঁও জিলাত ৰাজ সাহায্যযুক্ত সাৰৰ বৃহৎ ছয় পৃষ্ঠাত চাওক

## বৰপেটা-চিৰাং জিলাত মন্ত্ৰী ইউ জি ব্ৰহ্ম

# মুগা শিল্পক প্ৰসাৰৰ বাবে সৰ্বভাৰতীয় পৰ্যায়তো মুগা মেলা স্থাপন কৰিব লাগিব

**সৰভোগৰ পৰা জিণ্টুল তালুকদাৰ/কাজলগাঁৱৰ পৰা আব্দুল মালেক আহমেদ, ২০ জুন ঃ** মন্ত্ৰীৰূপে দায়িত্বভাৰ লোৱাৰ পাছত হস্ততাঁত-বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি বৰপেটা আৰু চিৰাং জিলা ভ্ৰমণ কৰে। বৰপেটাৰ সৰভোগৰ নুনতোলস্থিত ৰেচম বিভাগৰ 'নুনী সমাহাৰ কেন্দ্ৰ আৰু মুগা গোপাচাৰ কেন্দ্ৰ' পৰিদৰ্শন কৰে মন্ত্ৰী ব্ৰহ্মই। ৰেচম বিভাগৰ কে'বাজন বিষয়া-কৰ্মচাৰীক লগত লৈ কেন্দ্ৰ পৰিদৰ্শন কৰি কেন্দ্ৰটোত থকা বিভিন্ন সমস্যাৰ লগতে ইয়াৰ জৰিয়তে মুগা উৎপাদনৰ কাৰ্যক্ৰমণিকাৰ বুজ লয়। এই সন্দৰ্ভত ৰেচম বিভাগৰ বিষয়াসকলৰ স'তেও তেওঁ দীৰ্ঘসময় আলোচনাত মিলিত হয়। এই সন্দৰ্ভত হস্ততাঁত-বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰীজনে সংবাদ মাধ্যমৰ আগত কয়, 'হস্ততাঁত-বস্ত্ৰশিল্প আৰু ৰেচম বিভাগ দুটা কৃষি বিভাগৰ পাছতে দ্বিতীয় স্থানত থকা বিভাগ। গ্ৰাম্য অৰ্থনীতি কৃষি, হস্ততাঁত- বস্ত্ৰশিল্প, ৰেচম বিভাগৰ ওপৰতে নিৰ্ভৰশীল। বেছিভাগ মহিলাই হস্ততাঁত-বস্ত্ৰশিল্প আৰু ৰেচমশিল্পৰ স'তে জড়িত। আজিৰ দিনত ভাৰত চৰকাৰৰ এটা নতুন চিন্তা মহিলাসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰিব লাগে। স্বাৱলম্বী যদি কৰিব লাগে তেতিয়া হ'লে এই আঁচনিত মহিলাসকলকো সাঙুৰি ল'ব লাগিব। তেনে ক্ষেত্ৰত ৰেচম, হস্ততাঁত-বস্ত্ৰশিল্প বিভাগে এটা ডাঙৰ ভূমিকা গ্ৰহণ কৰিব পাৰে মহিলা অৰ্থনীতি উন্নয়ন কৰিব পাৰে। এই বিভাগটো গতানুগতিকভাৱে চলি আহিছিল তাত আমি বেছি উন্নয়নো কৰিব পৰা নাছিলো। মুগা মিছন চলাৰ পাছত আকৌ নতুন চৰকাৰে হস্ততাঁত-বস্ত্ৰশিল্প কেন্দ্ৰক অধিক গুৰুত্ব প্ৰদান ছয় পৃষ্ঠাত চাওক

## তেজপুৰত সমাধি ক্ষেত্ৰত শ্ৰদ্ধাঞ্জলি বিভিন্ন সংগঠন, দল অনুষ্ঠানৰ

# মৃত্যু দিৱসত ৰাজ্যজুৰি স্মৰণ কলাগুৰুক



*তেজপুৰত ৰাভা দিৱসত পিতৃক স্মৰণ পুত্ৰ তথা বিধায়ক পৃথ্বীৰাজ ৰাভাৰ। দেওবাৰে।*

ষ্টাৰ ৰিপৰ্টাৰ

**মৰিয়নি, ২০ জুন ঃ** আজি ৰাজ্যজুৰি পালন কৰা হয় ৰাভা দিৱস। ৫২ সংখ্যক মৃত্যু দিৱসত ৰাজ্যৰ বিভিন্ন ঠাইত কলাগুৰুলৈ শ্ৰদ্ধা জ্ঞাপন কৰা হয়।

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** জনতাৰ শিল্পী, বিপ্লৱী, মানৱতাবাদী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ আজি ৫২ সংখ্যক স্মৃতি দিৱসত তেজপুৰত বিভিন্ন অনুষ্ঠানে কলাগুৰুৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। কলাগুৰুৰ সমাধিক্ষেত্ৰ তেজপুৰৰ সমন্বয় ক্ষেত্ৰত আজি পুৱাই এইগৰাকী যুগনায়কৰ প্ৰতি গীত আৰু নৃত্যৰে শ্ৰদ্ধাঞ্জলি জনালে বহুজনে। তল কলিবাৰীস্থিত সমন্বয় ক্ষেত্ৰত আজি পুৱাই সদৌ অসম ছাত্ৰ সন্থা, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, সংকল্প অসম আদিয়ে জনতাৰ হৃদয়ৰ শিল্পীগৰাকীৰ প্ৰতি তেজপুৰৰ সমন্বয় ক্ষেত্ৰত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াতে কলাগুৰুৰ পুত্ৰ তথা বিধায়ক পৃথ্বিৰাজ ৰাভা উপস্থিত হৈ তেওঁৰ পিতৃৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনাই পিতৃৰ এক যুগজয়ী গীত পৰজনমৰ শুভ লগনত গীতটো গায়। শোণিতপুৰৰ উপায়ুক্ত ড° ভূপেশ চন্দ্ৰ দাসেও ঐতিহ্যমণ্ডিত সমন্বয় ক্ষেত্ৰত উপস্থিত হৈ কলাগুৰু তথা সৈনিক শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। শোণিতপুৰ প্ৰশাসনৰ তৰফৰ পৰাও ইয়াতে শ্ৰদ্ধাঞ্জলি জনোৱা হয় কলাগুৰুলৈ। সমন্বয় ক্ষেত্ৰ পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত এই বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কলাগুৰুৰ গীতৰ আধাৰত তেজপুৰৰ অভিজ্ঞ তথা নবীন শিল্পীৰ নৃত্য আৰু গীতৰে জীপাল হয় পৰিৱেশ। ইপিনে, তেজপুৰ সাহিত্য সভাৰ উদ্যোগতো কলাগুৰুৰ প্ৰতি ছয় পৃষ্ঠাত চাওক

# দীৰ্ঘদিনৰ পাছত দুহেজাৰৰ তললৈ নামিল দৈনিক আক্ৰান্তৰ সংখ্যা

## ৩০জনৰ মৃত্যু ঃ ক্ৰমাৎ হ্ৰাস সক্ৰিয় ৰোগীৰ সংখ্যা

ষ্টাফ ৰিপৰ্টাৰ

**গুৱাহাটী, ২০ জুন ঃ** ৰাজ্যত দীৰ্ঘদিনৰ পাছত দৈনিক আক্ৰান্তৰ সংখ্যা দুহেজাৰৰ তললৈ নামিল। আজিৰ দিনটোত অসমত এহেজাৰ ৭৫জন লোকৰ শৰীৰত ক'ভিড চিনাক্ত হোৱা বুলি টুইট যোগে সদৰী কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আনহাতে, আজিৰ দিনটোত ৰাজ্যত ৩০জন ক'ভিড আক্ৰান্তই প্ৰাণ হেৰুৱায়। মুখ্যমন্ত্ৰীয়ে জনোৱা মতে, আজিৰ দিনটোত ৰাজ্যত ৭৮ হেজাৰ ৫০জন লোকৰ কৰ'না পৰীক্ষা সম্পন্ন হয়। আজিৰ সংক্ৰমণৰ হাৰ হৈছে ২.২৭ শতাংশ। আজিৰ সুস্থতাৰ হাৰ হৈছে ৯২.১৭ শতাংশ। আজিৰ দিনটোত ৰাজ্যত তিনি হেজাৰ ৫৫৯জন ক'ভিড মুক্ত হয়। লক্ষ্যণীয়ভাৱে ৰাজ্যত ক্ৰমাৎ হ্ৰাস পাইছে সক্ৰিয় ৰোগীৰ সংখ্যা। সম্প্ৰতি ৰাজ্যত ৩২ হেজাৰ ২০৭জন সক্ৰিয় ৰোগী আছে। ইপিনে, ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে জনাইছে যে আজি এখন জিলাতো আক্ৰান্তৰ সংখ্যাই দুশৰ সীমা অতিক্ৰম নকৰিলে। সৰ্বাধিক ১৬০জন আক্ৰান্ত হয় শোণিতপুৰত। ইয়াৰ উপৰি ডিব্ৰুগড়ত ১৩৬, কামৰূপ মহানগৰত ১৩৩ আৰু যোৰহাটত ১২৩জন লোকৰ শৰীৰত সংক্ৰমণ ধৰা পৰে। অৱশ্যে দেওবাৰ হোৱা বাবে আজি ৰাজ্যত কৰ'না পৰীক্ষাৰ সংখ্যাও আছিল কম। আনহাতে, যোৰহাটত সৰ্বাধিক পাঁচজন ৰোগীৰ মৃত্যু হয়। ইয়াৰ উপৰি কামৰূপ গ্ৰাম্যত চাৰিজন, কামৰূপ মহানগৰত তিনিজন, ডিব্ৰুগড়, গোলাঘাট, কোকৰাঝাৰ, শিৱসাগৰ, শোণিতপুৰত দুজনকৈ তথা কাছাৰ, দৰং, গোৱালপাৰা, হাইলাকান্দি, কাৰ্বি আংলং, নগাঁও, বঙাইগাঁও আৰু তিনিচুকীয়াত এজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হয়। উল্লেখ্য যে সামগ্ৰিকভাৱে ক'ভিডত এই পৰ্যন্ত চাৰি হেজাৰ ২০৮জন ৰোগীৰ মৃত্যু হৈছে। ৰাজ্যত ক'ভিডত মৃত্যুৰ হাৰ হৈছে ০.৮৭ শতাংশ। সামগ্ৰিকভাৱে ৰাজ্যত এই পৰ্যন্ত ছয় পৃষ্ঠাত চাওক

## আই নৈৰ দলঙত দুৰ্ঘটনাত আহত সাত

অগ্ৰদূত বাৰ্তা

**বঙাইগাঁও, ২০ জুন ঃ** বঙাইগাঁও জিলাৰ ৰাখালডুবি আৰু চৌৰাগুৰিৰ মাজত অৱস্থিত আই নৈৰ দলঙৰ ওপৰত আজি দুপৰীয়া এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ৩১ নম্বৰ ঘাইপথৰ ওপৰত থকা আই নৈৰ দলঙৰ ওপৰত কন্টেইনাৰ এখনে মালবাহী টাটা এচিইৰ বাহনক মহটিয়াই নিয়ে। ফলত দুৰ্ঘটনাটোত মালবাহী এচিই বাহনখনত থকা সাতজনকৈ লোক আহত হয়। দলঙৰ ওপৰত থকা গাঁত এটাত সৰু বাহনখন দুৰ্ঘটনাৰ পৰা বচাবলৈ যোৱাৰ সময়তে চাৰিচকীয়া বাহনখনক একে দিশৰ পৰা অহা কন্টেইনাৰখনে মহটিয়াই কিছু দূৰলৈ নিয়ে। দুৰ্ঘটনাৰ পাছতে আৰক্ষী আৰু স্থানীয় লোকে আহত লোকসকলক বঙাইগাঁৱৰ চিকিৎসালয়লৈ ছয় পৃষ্ঠাত চাওক

## সংকটত নলবাৰীৰ জাপি শিল্পী ঃ তিলানা যুৱক সংঘ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২০ জুন ঃ** নলবাৰী জিলাৰ বাঁহজানীৰ অন্তৰ্গত তিলানা যুৱক সংঘৰ উদ্যোগত আজি সংঘৰ কাৰ্যালয়ত জাপি শিল্প আৰু শিল্পীসকলৰ সমস্যা সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰি বিভিন্নজনে শিল্পবিধৰ সমস্যাক লৈ তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰে। সংবাদমেলত তিলানা মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক তথা সমাজসেৱক জীতেন্দ্ৰ নাথ কলিতাই কয় যে জিলাখনৰ তিলানা আৰু মুগকুছি গাঁৱতে ৭০ শতাংশ লোকে জাপি শিল্পৰ স'তে জড়িত থাকিয়ে জীৱন নিৰ্বাহ কৰি আহিছে। ফুলাম জাপিত ব্যৱহৃত সামগ্ৰীৰ চৰাদাম আৰু শিল্পীসকলৰ পৰিশ্ৰম অনুযায়ী শিল্পীয়ে জাপিৰ যি মূল্য পাব লাগে সেইখিনি নাপায়। তিলানা যুৱক সংঘৰ সম্পাকে অৱনি কলিতাই কয়, 'জাপি তৈয়াৰ কৰি কোনো মতে চলি থকা শিল্পীসকলক এইবাৰ মাধমাৰ শোধালে কৰ'না মহামাৰীয়ে।' কৰ'না সৃষ্ট পৰিৱেশত জাপিৰ ব্যৱসায় বন্ধ হোৱাত বহু শিল্পীয়ে সম্প্ৰতি দিন হাজিৰা কৰিব লগা হৈছে বুলি তেওঁ কয়। শিল্পীসকলৰ আৰ্থিক উন্নয়নৰ বাবে বিগত বৰ্ষত চৰকাৰে মুখ্যমন্ত্ৰী থলুৱা উদ্যোগ বিকাশ আঁচনিৰ অধীনত ১০ লাখ টকা আবন্টন দিছিল। একোজনক ১০ হেজাৰকৈ মুঠ এশগৰাকী শিল্পীৰ মাজত ধনখিনি বিতৰণ কৰা হয় যদিও এটা ৰাজনৈতিক চক্ৰৰ কৱলত পৰি বহু প্ৰকৃত জাপি শিল্পী উক্ত আঁচনিৰ ধন লাভৰ পৰা বঞ্চিত হোৱা বুলি একাংশ শিল্পীয়ে সংবাদমেলত অভিযোগ কৰে। প্ৰধান শিক্ষক তথা তিলানা যুৱক সংঘৰ সভাপতি ধৰণীধৰ তামুলীয়ে কৰ'না অতিমাৰীয়ে কোঙা কৰা শিল্পীসকলক শীঘ্ৰে আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক আহ্বান জনায়। সংবাদমেলত যুৱক সংঘৰ কৰ্মকৰ্তাসকলে জাপি শিল্পীসকলক আৰ্থিক সহায় কৰা, ছয় পৃষ্ঠাত চাওক

## ৰাষ্ট্ৰীয় পৰ্যায়ত ৰাভাৰ গীতেৰে মূৰ্ছনা তোলাৰ প্ৰয়াস কলিয়াবৰৰ তিনি যুৱকৰ

# বিষ্ণু প্ৰসাদ ৰাভাৰ কালজয়ী গীতৰ হিন্দী ৰূপান্তৰ



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২০ জুন ঃ** কলাগুৰুৰ গীতৰে ৰাষ্ট্ৰীয় পৰ্যায়ত সুৰৰ মূৰ্ছনা তোলাৰ প্ৰয়াস চলিছে কলিয়াবৰত। 'বিলতে হালিছে ধুনীয়া পদুমী...' সংগ্ৰামী শিল্পী বিষ্ণু প্ৰসাদ ৰাভাৰ এই সুমধুৰ গীতটিকে লৈ এতিয়া কলিয়াবৰৰ তিনিজনকৈ শৈল্পীক মনৰ যুৱকে পূৰ্ণতা প্ৰদান কৰিছে 'ঝিলমেঁ লেহৰায়ে সুন্দৰ কমলিয়াঁ, বাগমেঁ খিলতে হ্যে ফুল' শীৰ্ষাংশৰে হিন্দী ভাষালৈ ৰূপান্তৰ কৰি। অসমীয়া কৃষ্টিৰ লগতে সংগীত জগতখনৰো এই পুৰুধা ব্যক্তিগৰাকীৰ এই কালজয়ী গীতৰ হিন্দী ৰূপান্তৰ আজিৰ এই ৰাভা দিৱসৰ পৱিত্ৰ ছয় পৃষ্ঠাত চাওক

# ক'ভিড টিকাকৰণ অভিযানলৈ সাজু ধুবুৰী জিলা প্ৰশাসন

**ধুবুৰী, ২০ জুন ঃ** কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া ক'ভিডৰ বৰ্ধিত টিকাকৰণ অভিযানৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে ধুবুৰী জিলা প্ৰশাসনে। আজি ধুবুৰী জিলা পৰিষদৰ সভাকক্ষত এই টিকাকৰণ অভিযানত জড়িত হ'বলগীয় মুঠ ১৬০ গৰাকী শিক্ষা বিভাগৰ ব্লক একাউণ্টেণ্টে, বিভিন্ন বিদ্যালয়ৰ কম্পিউটাৰ ইনষ্ট্ৰাক্টৰ, ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ জীৱিকা সখীক প্ৰশিক্ষণ দিয়া হয়। এই কৰ্মচাৰীসকলক ক'ভিড টিকাকৰণ কেন্দ্ৰত প্ৰতিষেধক ল'বলৈ অহা লোকৰ নাম কো-উইন এপ'ত পঞ্জীয়ন কৰিবলৈ আৰু 'ভেৰিফায়াৰ' হিচাপে অৰ্থাৎ প্ৰতিষেধক ল'বলৈ অহা লোকৰ পৰিচয়পত্ৰ পৰীক্ষা কৰিবলৈ নিয়োজিত কৰা হ'ব। ধুবুৰীৰ ক'ল্ড চেইন মেনেজাৰ ছাহজেদুল কৰীমে সমল ব্যক্তিৰূপে প্ৰশিক্ষণ প্ৰদান কৰে। উক্ত প্ৰশিক্ষণ কাৰ্যসূচীত উপায়ুক্ত অম্বামুথন এম পি, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনিমেষ তালুকদাৰ, অতিৰিক্ত উপায়ুক্ত নিত্য বিনোদ ৰাৱী, বিশ্বজিৎ গোস্বামী, ধ্ৰুৱজ্যোতি দাস, প্ৰমুখ্যে জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ কে'বাজনো বিষয়া উপস্থিত থাকে। টিকাকৰণ ছয় পৃষ্ঠাত চাওক

## বৰভাগৰ পাগলাদিয়া নদীত জঁপিয়ালে যুৱতীয়ে

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২০ জুন ঃ** নলবাৰী জিলাৰ বৰভাগৰ পাগলাদিয়া নদীত এগৰাকী যুৱতী আত্মহত্যাৰ সন্দেহ কৰা হৈছে। কমাৰকুছিস্থিত পকী দলঙত যুৱতীগৰাকীৰ এযোৰ ছেণ্ডেল আৰু আত্মহত্যাৰ টোকাৰ ওপৰত ভিত্তি কৰিয়েই আৰক্ষীয়ে অভিযান চলাইছে যদিও কোনো শুংসূত্ৰ পোৱা নাই। উল্লেখ্য যে বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত বালা ডিংডিঙি গাঁৱৰ ফনীন্দ্ৰ কলিতা আৰু কামিনী ছয় পৃষ্ঠাত চাওক

## তেজপুৰত দুৰ্বৃত্তৰ আক্ৰমণত আহত মহিলা

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২০ জুন ঃ** তেজপুৰ তথা শোণিতপুৰত চলা আৰক্ষীৰ অভিযানত একাধিক গাড়ীচোৰ, ডকাইত, চোৰ তথা বিভিন্ন অপৰাধৰে জড়িত দাগী অপৰাধী গ্ৰেপ্তাৰ হৈছে যদিও তেজপুৰৰ মহাভৈৰৱ আৰক্ষী চকীৰ অন্তৰ্গত অঞ্চলটোৰ ইটোৰ পাছত সিটো অপৰাধমূলক ঘটনা সংঘটিত কৰি নিৰ্বিঘ্নে পলায়ন কৰিছে অপৰাধীয়ে। সান্ধ্য আইনৰ সময়তে আজি দুজনীয়া দুৰ্বৃত্তই এখন মটৰ চাইকেলত আহি তেজপুৰ কলেজিয়েট হাইস্কুলৰ সমীপৰ বৰুৱাচুবুৰি মৰাভৰলী পাৰ সংযোগী উপ-পথত মঞ্জুৰী দেৱী দাস নামৰ ৬০ ঊৰ্দ্ধৰ মহিলাগৰাকীৰ ডিঙিত থকা সোণৰ চেইনডাল থপিয়াই নিবলৈ অপচেষ্টা কৰাৰ সময়ত মহিলাগৰাকী আহত হয়। দুৰ্বৃত্তই মহিলাগৰাকীৰ অলংকাৰ কাঢ়িবলৈ সক্ষম নহ'ল যদিও দুৰ্বৃত্তই তেওঁক গতামাৰি পেলাই দিয়াত তেওঁৰ মূৰ ফাটি যায়। পাছত মহিলাগৰাকীক চিকৎসালয়লৈ নিয়া হয়। ইপিনে, মহাভৈৰৱ আৰক্ষী চকীৰ নিকটৱৰ্তী নিকামুলস্থিত তেজপুৰ ডনবস্ক' হাইস্কুলৰ সন্মুখৰ পৰা দুদিন পূৰ্বে এ এছ-১২ কিউ-৬৮১৮ নম্বৰৰ মটৰ চাইকেল এখন লৈ উধাও হয় চোৰে। মাৰ্জিত পোছাকৰে টাই পৰিধান কৰি অহা এই মটৰ চাইকেল চোৰৰ চুৰিৰ সমগ্ৰ ছয় পৃষ্ঠাত চাওক

## ৰায়মনা ৰাষ্ট্ৰীয় উদ্যানত জব্দ বন্দুক

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২০ জুন ঃ** কালি ৰায়মনা ৰাষ্ট্ৰীয় উদ্যানত বন বিভাগ আৰু এছ এছ বিৰ যৌথ অভিযানত এযোৰ চোৰাং হাতী দাঁতসহ এজনক গ্ৰেপ্তাৰ কৰাৰ পাছত আজি বন্য হস্তী চিকাৰত ব্যৱহৃত এটা বন্দুক জব্দ কৰা হয়। চকুগাঁও ৰেঞ্জৰ ভাৰপ্ৰাপ্ত ৰেঞ্জ বিষয়া প্ৰাঞ্জল তালুকদাৰে সদৰী কৰা মতে, চোৰং হাতী দাঁত লৈ সময়ত হতে লোটে গ্ৰেপ্তাৰ হোৱা জানালী গাঁৱৰ বাসিন্দা মাথিও বসুমতাৰীৰ চিকাৰোক্তিৰ ভিত্তিত যোৱা নিশা এক বজাত বল্লমঝোৰা গাঁৱৰ ৰতন ছয় পৃষ্ঠাত চাওক

## 'গণ কবি' খ্যাত অৱসৰপ্ৰাপ্ত শিক্ষক অশোক দাসৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং/আঠখেলীয়া, ২০ জুন ঃ** গোলাঘাট জিলা ঘিলাধাৰী পঞ্চায়তৰ অন্তৰ্গত চকৰধৰা গাঁৱৰ বাসিন্দা তথা কবি, গল্পকাৰ, ঔপন্যাসিক, গীতিকাৰ, অভিনেতা, 'গণ কবি' খ্যাত অৱসৰপ্ৰাপ্ত শিক্ষক অশোক দাস আৰু নাই। দীৰ্ঘদিন ধৰি কে'বাটাও দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আজি পুৱা ৭৪ বছৰ বয়সত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। ১৯৪৭ত ঘিলাধাৰীৰ চকৰধৰা গাঁৱত জন্মগ্ৰহণ কৰা প্ৰয়াত দেহিৰাম দাস আৰু বিলি দাসৰ পুত্ৰ অশোকে জেৰপাই প্ৰাথমিক বিদ্যালয়ত স্কুলীয়া শিক্ষা আৰম্ভ কৰি পৰৱৰ্তী সময়ত বালিজান জি কে মধ্য ইংৰাজী বিদ্যালয়, ঘিলাধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু দেৰগাঁৱৰ কমল দুৱৰা মহাবিদ্যালয়ত উচ্চ শিক্ষা গ্ৰহণ কৰিছিল। তেওঁ ১৯৭৪ত গমাৰিগুৰিৰ তেতেলিগুৰি প্ৰাথমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰি ২০০৭ত জেৰপাই প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। দাসে জীৱনৰ ২০-২৫ বছৰ বয়সৰ পৰাই সাহিত্য চৰ্চা আৰম্ভ কৰি 'হৃদয়ত তোমাৰেই আশা' নামে প্ৰথম কবিতা পুথিখন ৰচনা কৰে। ইয়াৰ পাছত ক্ৰমে 'কল্লোলিত বন্দৰ' 'মানুহ মিচিলৰ অতিথি', 'মই দধীচিৰ শতবাৰ প্ৰেমৰ হকে', ছয় পৃষ্ঠাত চাওক

## চৰ উন্নয়নৰ আঁচনিৰ সামগ্ৰী বিতৰণত ব্যাপক দুৰ্নীতি

# নগাঁও-মৰিগাঁৱত ভুৱা চৰৰ ভুৱা হিতাধিকাৰীৰ নামত অবাধ লুণ্ঠন

বিশেষ সংবাদদাতা

**নগাঁও, ২০ জুন ঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সাতটা উন্নয়ন খণ্ডৰ অন্তৰ্গত কেতবোৰ চৰৰ দৰিদ্ৰ হিতাধিকাৰীক চৰ অঞ্চল উন্নয়ন বিভাগৰ আঁচনিৰ জৰিয়তে কেতবোৰ সামগ্ৰী যোগানৰ নামত কে'বাকোটি টকাৰ বিয়াগোম দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। নগাঁও জিলাৰ বটদ্ৰৱা, জুৰীয়া, লাওখোৱা আৰু পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ লগত প্ৰতিৱেশী জিলা মৰিগাঁৱৰো মৈৰাবাৰী, লাহৰীঘাট, মায়ং উন্নয়ন খণ্ডৰ অঞ্চলাধীন কেতবোৰ চৰৰ হিতাধিকাৰীক ই-ৰিক্সা, চাইকেল, তাৰা হেণ্ড পাম্প, ছ'লাৰ হোম লাইট, চিলাই মেচিন আৰু ছাতি বিতৰণৰ নামত এই দুৰ্নীতি সংঘটিত হয় বিগত ২০১৭-২০১৮ আৰু ২০১৮-২০১৯ বিত্তীয় বৰ্ষৰ কালছোৱাত। সমগ্ৰ দুৰ্নীতিটোত চৰ উন্নয়ন বিভাগৰ একাংশ ছুপাৰভাইজাৰ, একাংশ ৰাজনৈতিক নেতা, একাংশ ভুৱা হিতাধিকাৰী জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি বিগত ২০১৭-২০১৮ আৰু ২০১৮-২০১৯ বিত্তীয় বৰ্ষ দুটাত চৰ উন্নয়ন বিভাগে নগাঁও জিলাৰ বটদ্ৰৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত চৰৰ দৰিদ্ৰ হিতাধিকাৰীক বিতৰণৰ বাবে আঠখন ই-ৰিক্সা, ১৭৫ খন চাইকেল, ১৫ টা হেণ্ড তাৰা পাম্প, ৬৪ টা ছ'লাৰ হোম লাইট, ২০০ টা ছাতি, জুৰীয়া উন্নয়ন খণ্ডৰ বিপৰীতে ১০ খন ই-ৰিক্সা, ১৯০ খন বাইচাইকেল, ২৫ টা হেণ্ড তাৰা পাম্প, ৭৫ টা চিলাই মেচিন, ২২৫ টা ছাতি, লাওখোৱা উন্নয়ন খণ্ডৰ বিপৰীতে পাঁচখন ই-ৰিক্সা, ২৫ টা তাৰা হেণ্ড পাম্প, ৬৮ টা ছ'লাৰ হোম লাইট, ৪০ টা চিলাই মেচিন, ২০০টা ছাতি আৰু পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ বিপৰীতে সাতখন ই-ৰিক্সা, ১৭৫ খন চাইকেল, ২০ টা তাৰা হেণ্ড পাম্প, ৬৮ টা ছ'লাৰ হোম লাইট, ৪০ টা চিলাই মেচিনৰ লগতে দুশটা ছাতি যোগান ধৰা বুলি বিভাগীয় নথিত উল্লেখ কৰা হৈছে। একেদৰে, একে দুটা বিত্তীয় বৰ্ষতে প্ৰতিৱেশী মৰিগাঁও জিলাৰ মৈৰাবাৰী উন্নয়ন খণ্ডৰ চৰৰ দৰিদ্ৰ হিতাধিকাৰীক ২৮৫ খন ছয় পৃষ্ঠাত চাওক

## নাট্যকাৰ প্ৰিয়েন্দ্ৰ তামুলীৰ গ্ৰন্থ-গীতিকাৰ বংকিম শৰ্মাৰ গীত মুকলি

অৰূপ কলিতা

**তেজপুৰ, ২০ জুন ঃ** কৰ'নাৰ আতংকৰ মাজতে তেজপুৰৰ দুজন বিশেষ ব্যক্তিয়ে আগবঢ়ালে বিশেষ উপহাৰ। এজন ৮১ বছৰীয়া নাট্যকাৰ লেখক আৰু এজন ৭৮ বছৰীয়া গীতিকাৰ সুলেখক প্ৰিয়েন্দ্ৰ তামুলী আৰু প্ৰবীণ গীতিকাৰ বংক্ৰিম শৰ্মাৰ সৃষ্টিয়ে আহ্লাদিত কৰিছে তেওঁলোকৰ গুণমুগ্ধসকলক। কৰ'নাৰ এই দুৰ্বিষহ সময়ত সৰ্বসাধাৰণে উদ্বিগ্নতাৰে দিন অতিবাহিত কৰিবলগীয়া হোৱাৰ সময়ত ৰাজ্যৰ একাংশ লোক নীৰৱে ব্যস্ত আছে তেওঁলোৰ সাধনা আৰু সৃষ্টিৰাজিৰে সমাজক উদ্ভাসিত কৰাত। এনে এজন আলোকসন্ধানী ব্যক্তি তথা প্ৰবীণ নাট্যকাৰ, সুলেখক অশীতিপৰ প্ৰিয়েন্দ্ৰ তামুলীৰ 'সুন্দৰৰ সাধনা' নামৰ গ্ৰন্থখন উন্মোচন কৰা হয়। উল্লেখ্য ১৯৬০ৰ পৰা নাট ৰচনাৰে নাট্য সাহিত্যলৈ বৰঙণি আগবঢ়োৱা তেজপুৰ চহৰৰ নিকটৱৰ্তী বিহগুৰি চন্দ্ৰ নাথ শৰ্মা মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক তামুলীয়ে 'সুন্দৰৰ সাধনা' নামৰ গ্ৰন্থখনত তেওঁ বিভিন্ন সময়ত কে'বাখনো বাতৰি কাকত তথা আলোচনীত প্ৰকাশিত প্ৰবন্ধ, গল্প আদি সন্নিবিষ্ট কৰা হৈছে। অধ্যয়নপুষ্ট ব্যক্তি তামুলীৰ কলমৰে নিগৰা অতি উচ্চ মানৰ লিখনিসমূহ সংগ্ৰহ কৰি লিখনিসমূহে পঢুৱৈ সমাজৰ বিশেষ চিন্তাৰ খোৰাক যোগাব বুলিয়েই 'সুন্দৰৰ সাধনা' নামেৰে ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ৬ আহাৰ ১৪২৮ ভাস্কৰাব্দ ২১ জুন ২০২১



# মহানগৰীৰ ভূমিস্খলন

**গুৱাহাটীৰ** পাণ্ডু অঞ্চলত যোৱা শুকুৰবাৰে ভূমিস্খলনত এগৰাকী মহিলাৰ মৃত্যু হোৱাৰ লগতে পৰিয়ালটোৰ কে'বাগৰাকী সদস্য আহত হয়। যোৱা কেইদিনমান ধৰি ধাৰাসাৰ বৰষুণ দিয়াৰ ফলত ওপৰৰ গাৰ্ডৱাল খহি পৰাৰ ফলত হোৱা ভূমিস্খলনৰ বাবেই মহিলাগৰাকীৰ মৃত্যু হোৱা বুলি কোৱা হৈছে।

গুৱাহাটী মহানগৰীত প্ৰতিবছৰেই পাহাৰুৱা অঞ্চলত ভূমিস্খলন হোৱাৰ ফলত যথেষ্ট সংখ্যক লোকে প্ৰাণ হেৰুৱাই আহিছে। গুৱাহাটী মহানগৰীৰ পাহাৰ অঞ্চলত হোৱা বেদখলৰ ফলত আৰু জধে-মধে পাহাৰ কাটি ঘৰ সজাৰ ফলত এনে ধৰণৰ দুৰ্ঘটনা সংঘটিত হৈছে। গুৱাহাটীৰ এই পাহাৰবোৰে সমগ্ৰ মহানগৰীখনৰ সৌন্দৰ্য বৰ্ধনৰ লগতে পৰিৱেশ সংৰক্ষণত বিশেষ অৰিহণা যোগাইছিল। যোৱা আশীৰ দশকলৈকে মহানগৰীৰ পাহাৰবোৰ বসতিমুক্ত হৈ আছিল। পিছে মহানগৰীত জনসংখ্যা বৃদ্ধিৰ হেঁচাই পাহাৰবোৰলৈ এক প্ৰত্যাহ্বান মাতি আনে। এচাম ৰাজনৈতিক নেতাই ভোট সংগ্ৰহৰ লক্ষ্যৰে বহু লোকক মহানগৰীৰ পাহাৰ আৰু জলাশয় অঞ্চল বেদখলৰ বাবে প্ৰৰোচিত কৰিছে। আনকি বনাঞ্চলৰ মাটিতো ব্যাপকভাৱে বেদখল হোৱাত ৰাজনৈতিক শক্তিয়ে সাহায্য কৰাটো সকলোৱে প্ৰত্যক্ষ কৰিছে।

এতিয়া পৰিস্থিতি এনেধৰণৰ হৈছে যে হেজাৰ হেজাৰ পৰিয়ালক উচ্ছেদ কৰাটো প্ৰায় অসম্ভৱ হৈ পৰিছে। ইতিমধ্যে প্ৰশাসনে এনেবোৰ অঞ্চলত বিদ্যুৎ সংযোগ, পৌৰ-নিগমৰ ঘৰৰ নম্বৰ আৰু আনকি পৰিয়াল পৰিচয় পত্ৰ তথা পানী যোগান আঁচনিৰো ব্যৱস্থা কৰিছে। পিছে চৰকাৰে এনে ধৰণে পাহাৰ আৰু জলাশয়ৰ মাটি বেদখল কৰিবলৈ সুবিধা দিয়াৰ ক্ষেত্ৰত মানুহৰ নিৰাপত্তাৰ দিশটো অৱহেলা কৰিছে। সেয়েহে প্ৰতি বছৰে মহানগৰখনত ভূমিস্খলত মানুহৰ মৃত্যু হোৱা আৰু বাৰিষা কালত কৃত্ৰিম বানপানী হোৱাটো নিয়মীয়া ঘটনাত পৰিণত হৈছে।

গুৱাহাটী মহানগৰীত বাৰিষা প্ৰতি বছৰে হোৱা কৃত্ৰিম বানপানীৰ অন্যতম প্ৰধান কাৰণ হ'ল পাহাৰ অঞ্চলত হোৱা ব্যাপক বসতি। জধে-মধে পাহাৰ কাটি বসবাস কৰিবলৈ লোৱাৰ উপৰি মহানগৰীৰ প্ৰাকৃতিক জলাশয় তথা আৰ্দ্ৰভূমিবোৰ পুতি পেলোৱাৰ ফলত মহানগৰীত কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে। একাংশ ভূ-মাফিয়াই ৰাজনৈতিক নেতাৰ সহযোগত মহানগৰীৰ জলাশয় আৰু আৰ্দ্ৰভূমিবোৰ পুতি পেলাইছে। আনকি ৰামচৰ জলাশয় হিচাপে স্বীকৃত গুৱাহাটী মহানগৰীৰ গাতে লাগি থকা দীপৰ বিলৰ ব্যাপক অংশ বেদখল কৰা হৈছে। ৰাজ্য চৰকাৰে গুৱাহাটী মহানগৰীৰ আৰ্দ্ৰভূমিবোৰ সংৰক্ষণৰ বাবে এক আইন প্ৰণয়ন কৰি ইতিমধ্যে বেদখল হোৱা আৰ্দ্ৰভূমিবোৰক ন্যায্যতা প্ৰদান কৰিছিল। পিছে এতিয়াও গুৱাহাটী মহানগৰীৰ আৰ্দ্ৰভূমিত বেদখল চলিয়েই আছে। আনকি সংৰক্ষিত বনাঞ্চলতো বেদখল অব্যাহত আছে।

সেয়েহে চৰকাৰে অবিলম্বে নতুনকৈ বেদখল যাতে হ'ব নোৱাৰে তাৰ বাবে কঠোৰ ব্যৱস্থা হাতত ল'ব লাগে আৰু ইতিমধ্যে যিবোৰ বিপদসংকুল অঞ্চলত বসতি স্থাপন হৈছে সেইবোৰ পৰিয়ালক বিকল্প স্থানত সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ বিশেষ আঁচনি গ্ৰহণ কৰিব লাগে।



# অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ মৃত্যু হ'ল কিয় ?

## আহোমৰ দিনত অসমীয়াই কাৰো ওচৰত হাত নপতাকৈ ঘৰৰ সম্পত্তি ঘৰতে ভোগ কৰি খাইছিল



**দৃষ্টিপাত**

**অনন্ত কলিতা**

**১৮২৬ৰ** আগলৈকে অৰ্থাৎ ব্ৰিটিছে অসম দখল কৰাৰ আগলৈকে অসম এখন স্বাধীন দেশ আছিল। অসমৰ বাবে ৬০০ বছৰীয়া আহোম ৰাজত্ব সোণালীযুগ আছিল। আহোমসকল ব্ৰহ্মদেশ বা মানদেশৰ শ্যান প্ৰদেশৰ 'টাই' জাতীয় বৌদ্ধধৰ্মী লোক আছিল। আহোমসকল অসমলৈ আহি নিজৰ ভাষা-সংস্কৃতি বাদ দি অসমীয়া ভাষা সংস্কৃতি গ্ৰহণ কৰিছিল আৰু হিন্দুধৰ্ম গ্ৰহণ কৰিছিল। বিশ্বত আহোম ৰাজত্ব অতুলনীয় যে এই ৰাজত্বই এটা জাতিৰ সৃষ্টি কৰিছিল, অৰ্থাৎ উজনিৰ পৰা নামনি অসমলৈ মিলি অসমীয়া জাতি এটাৰ সৃষ্টি কৰিছিল। ভাৰতবৰ্ষৰ কোনো ৰজাৰ ৰাজত্বত এনেকুৱা উদাহৰণ পোৱা নাযায়। আহোম ৰাজত্বৰ বিশেষ কৃতিত্ব হ'ল যে ভাৰতবৰ্ষৰ কোনো মুছলমান সম্ৰাটে অসমক মুছলমান ৰাজত্ব বা মোগল ৰাজত্বৰ অন্তৰ্ভুক্ত কৰিব পৰা নাছিল। আহোম ৰজাৰ সৈন্যই মোগলক ওফৰাই দিব পাৰিছিল। আটাইতকৈ ডাঙৰ কথা আহোম ৰাজত্বৰ কৃতিত্ব আছিল অসমৰ বাবে এটা আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়ি তোলা। হিতেশ্বৰ বৰবৰুৱাই তেওঁৰ গ্ৰন্থ 'আহোমৰ দিন'ত লিখিছে, "অসম দেশখন স্বৰ্ণক্ষেত্ৰ, অসম দেশ ৰত্নপ্ৰসবিনী, অসম দেশ 'সুজলা সুফলা শস্য শ্যামলা'। মনুষ্য জীৱনত যিবিলাক বস্তুৰ আৱশ্যক জীৱিকা নিৰ্বাহ কৰিবৰ নিমিত্তে সাধাৰণতে যিবিলাক আমাক লাগে, সেইবিলাক বস্তু বিদেশলৈ ৰপ্তানি কৰিবৰ জোখাৰে ইয়াত উৎপন্ন নহ'লেও নিজে জীৱন-নিৰ্বাহ কৰিব পৰাকৈ যে আমাৰ দেশত আছিল, এই কথা কোনেও নুই কৰিব নোৱাৰে। আহোমৰ দিনত অসমীয়াই যে কাৰো ওচৰত হাত নপতাকৈ ঘৰৰ সম্পত্তি ঘৰতে ভোগ কৰি খাইছিল, তাত কোনো সন্দেহ নাই। অসম ভূমি ৰত্নগৰ্ভা; অসমৰ নৈৰ বালিত, অসমৰ মাটিত সোণ, ৰূপ, লো ইত্যাদি ধাতু আছে আৰু সেইবিলাক আহোম ৰজাসকলৰ দিনত কমোৱা হৈছিল।" (পৃষ্ঠা ৪৫৩) সুদূৰ ফ্ৰান্সৰ জীন বেপ্তিষ্ট টেবৰ্নিয়াৰ (Jean-Baptiste Tavernier) নামে এজন ভ্ৰমণকাৰীয়েও সোতৰ শতিকাত (১৬৪০ত) অসম ভ্ৰমণ কৰিবলৈ আহি কৈছিল, "এছিয়া মহাদেশৰ ভিতৰত অসম দেশৰ দৰে দেশ নাছিল; এই দেশত যিহকে বিচাৰে তাকে পায়। মানুহৰ জীৱন-ধাৰণ কৰিবলৈ যি যি বস্তু লাগে, সেই সকলোবোৰ ইয়াতে পাইছিল। ইয়াত নাছিল কি? সোণ, ৰূপ, লো, তীখা, সীহ, মুগা, পাট, এৰী, লা সকলো আছিল।" ('আহোমৰ দিন', হিতেশ্বৰ বৰবৰুৱা, পৃষ্ঠা 463-64) (The Kingdom of Assam is one of the best countries in Asia, for it produces all that is necessary to the life of man, without being need to go for anything to the neighbowing states. There are miners of gold, silver, steel, lead and iron and much silk.) ('আহোমৰ দিন', হিতেশ্বৰ বৰুৱা, Page No. 463)

W. W. Hunterৰে তেওঁ ১৮৭৯ত দাখিল কৰা প্ৰতিবেদনত লিখিছে, "In the Administration Report for 1872-73, the Deputy Commissioner States as follows– 'wherever I go even in the heart of the mufassal, and away from the public thorough fares, I am struck with the look of real comfort about the homesteads of the rayath. The appearance of their villages and baris, with the herds of cattle, and with the pigs and poultry roaming about confirms me in the belief that the peasantry are well-to-do, and rich in the possession of a goodly stock of this world's goods, as far as their own wants and requirements are concerned." (W. W. Hunter– 'A Statistical Account of Assam', Vol. I, 1990 Ed., Page 189) গেইট চাহাবেও তেওঁৰ 'A History Assam'ত লিখিছে, "কৃষি উৎপাদন অসমত জনসাধাৰণৰ প্ৰয়োজনৰ বাবে যথেষ্ট আছিল, উদ্যোগ আৰু কাৰুক্ৰিয়াৰ উন্নতি ঘটাইছিল আৰু ওচৰ-চুবুৰীয়া দেশৰ লগত যথেষ্ট পৰিমাণৰ ব্যৱসায়-বাণিজ্য কৰিছিল।"

আহোম ৰজাৰ দিনত কৃষি, উদ্যোগৰ সমস্ত বিভাগতে স্থানীয় অৰ্থাৎ অসমৰ মানুহক দক্ষ কৰি তুলিছিল; যেনে—সোণ কমোৱাৰ বাবে সোণোৱাল, শিয়া অলংকাৰ তৈয়াৰৰ বাবে সোণাৰী, কাঁহৰ বাচন তৈয়াৰ কৰিবলৈ কঁহাৰ মৰিয়া; লো উৎপাদনৰ বাবে লো-শলীয়া; লো-তীখাৰ সঁজুলি তৈয়াৰ কৰিবলৈ কমাৰ; মাটিৰ বাচন তৈয়াৰ কৰিবলৈ কুমাৰ; শিল আদি কাটি আনিবলৈ শিলকটীয়া বা শিলাকুটী; কাঠ কাটি কাঠৰ সৰঞ্জাম আদি তৈয়াৰ কৰাৰ বাবে বাঢ়ৈ বা বাঢ়ৈ খনিকৰ; হাতীৰ শিং বা হাতীদাঁতৰ কাম কৰাৰ বাবে বক্তাৰ খনিকৰ ইত্যাদি। আহোমৰ ৰাজত্বৰ শেষছোৱাত যদিওবা বিদেশৰ পৰা লোণ আমদানি কৰিছিল, তথাপি অসমীয়া মানুহৰ আৱশ্যক লোণখিনি অসমৰ পুংবোৰতে উৎপাদন কৰিছিল। ফুকনে হিলৈ-খাৰ তৈয়াৰ কৰিছিল। ৰেচম শিল্প উন্নয়নৰ বাবে আহোম ৰজাসকলে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে 'আহোমৰ দিন'ত এইদৰে লিখিছে, "আহোম ৰজাসকলে পাট-পলু, মুগা আৰু এৰী পুহি, তাৰ সূতাৰে কাপোৰ বোৱা শিল্পত বিশেষৰূপে মনোনিৱেশ কৰিছিল, আৰু সেইদিনত এই শিল্প বৰ উন্নত আছিল।" ৰজাই দেশৰ সকলোকে বাধ্য কৰিছিল পাট-পলু, মুগা, এৰী উৎপাদন কৰিবলৈ। নুনীগছ ৰুবলৈ মাটি বিনা ৰাজহত আবণ্টন কৰিছিল। ৰেচম শিল্প ইমান উন্নত আছিল যে বুকানন চাহাবে লিখিছিল, "ৰাণীৰ পৰা আৰম্ভ কৰি তললৈকে সকলো জাতিৰ তিৰোতাবিলাকে এই দেশত প্ৰস্তুত চাৰিৰকমৰ পাট আৰু মুগাৰ কাপোৰ বয় আৰু এই কাপোৰকে চাৰি ভাগৰ তিনি ভাগ মানুহে ব্যৱহাৰ কৰে। যথেষ্ট পৰিমাণে মুগা সূতা আৰু পাট সূতা ৰপ্তানিও হয়। প্ৰত্যেক দুজনী তিৰোতাৰ ভিতৰত একোখনকৈ তাঁতশাল থাকিব পাৰে, আৰু কোনো ডাঙৰ পৰিয়ালৰ ভিতৰত আঠ-দহখনকৈও থকা দেখা যায়। প্ৰত্যেক পৰিয়ালে নিজে পোহা মুগা সূতা আৰু পাট সূতা কাটে আৰু বয় পাট আৰু মেখেলা কৰি ব্যৱহাৰ কৰা হয় আৰু বেলেগ বেলেগ কামৰ উপযোগী কৰি বেলেগ বেলেগ জোখেৰে তৈয়াৰ কৰা হয়।" ('আহোমৰ দিন', পৃষ্ঠা ৪৭৫)

পৰিতাপৰ কথা যে ভাৰত স্বাধীন হোৱাৰ পাছতে অসমৰ কোনো জাতীয় নেতাই অসমৰ স্বতন্ত্ৰ অৰ্থনৈতিক সম্ভাৱনাবোৰ উন্নত কৰি আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়ি তোলাৰ প্ৰতি কোনোধৰণৰ পদক্ষেপ নলৈ ভাৰতৰ পুঁজিবাদী অৰ্থনীতিৰ লক্ষ্য অনুযায়ী অসমৰ এই স্বতন্ত্ৰ অৰ্থনৈতিক সম্ভাৱনা ধ্বংস কৰি পেলায় আৰু জনসাধাৰণক জীৱনৰ সকলো সামগ্ৰীৰ বাবে আন ৰাজ্যৰ উৎপাদিত পণ্যৰ মুখাপেক্ষী কৰি পেলায়। অসমৰ বনজ সম্পদ অসমৰ চৰকাৰ তথা অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ আমোলাসকলৰ সহযোগত লুণ্ঠন কৰি ধ্বংস কৰি পেলালে। চাহ উদ্যোগত চাহ উৎপাদন কৰি ইয়াৰ পৰা আহৰণ কৰা পুঁজি সম্পূৰ্ণ অসমৰ বাহিৰলৈ লৈ গৈ আছে, ব্ৰিটিছৰ দিনৰে পৰা আজিলৈ। অসমত উদ্যোগীকৰণৰ বাবে পুঁজি গঠনৰ ক্ষেত্ৰত চাহ উদ্যোগৰ কোনো ভূমিকাই নাই। আহোম ৰজাৰ দিনত অৰ্থাৎ ১৮২৬ৰ আগলৈকে অসমৰ জনসাধাৰণে কৃষি পণ্যৰ উপৰি মানুহৰ জীৱনৰ অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল আছিল। পাহাৰৰ জনজাতিসকলৰ লগত বিনিময় প্ৰথাৰে সামগ্ৰীৰ আদান-প্ৰদান কৰিছিল। লা, মুগা সূতা, সোণ, কাঠ, বাঁহ, সৰিয়হ, হাতীদাঁত, জালুক, আদা, কাঁহ-পিতলৰ বাচন, সুৱগা আদি সামগ্ৰী বহিঃদেশলৈ ৰপ্তানি কৰিছিল। অসমে মূলতঃ লোণ আমদানি কৰিছিল।

N. K. Sinhaই তেওঁৰ 'The Economic History of Bengal'ত লিখিছে, "For Centuries, Assam's agricultural economy had had a leavening of the manufactures of house-hold items. However, within a few years, British policy, capital, skill and enterprise brought about such a commercial revolution in the province that a new

● ● ● ●

**অসমৰ এনে এখন চৰকাৰৰ প্ৰয়োজন যিখন চৰকাৰে অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ ইতিহাস বুজি পায় আৰু ইয়াৰ ভিত্তিত অসমৰ অৰ্থনীতি গঢ়ি তোলে। অসমৰ আজিৰ প্ৰজন্মইও নিষ্কৰ্মা এলেহুৱা হৈ থাকি সহজ ধনৰ পাছত দৌৰি নুফুৰি অসমৰ অৰ্থনৈতিক ইতিহাসৰ জ্ঞান লৈ অসমৰ পৰম্পৰা খিলঞ্জীয়া অৰ্থনীতি পুনৰুজ্জীৱিত কৰাৰ আন্দোলন গঢ়ি তোলাটো জৰুৰী।**

● ● ● ●

economy completely displaced the old one, and bound her economy to the heels of the British economy." (Quoted in Priyam Goswami – 'Assam in the Nineteenth Century : Industrialization and Colonial Penetration', Page No. 46)

দুৰ্ভাগ্যজনক যে ব্ৰিটিছে ধ্বংস কৰা অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিক পুনৰুজ্জীৱিত কৰাৰ বিপৰীতে স্বাধীন ভাৰতৰ চৰকাৰে আৰু অধিক অৰিহণা যোগালে অসমৰ অৰ্থনীতি ধ্বংস কৰাত আৰু ইয়াতে সহযোগিতা কৰিছে অসমৰ চৰকাৰে আৰু অসমৰ মধ্যবিত্ত শ্ৰেণীৰ আমোলাসকলে।

অসমীয়া জাতিয়ে অসমত আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়িবলৈ আমাৰ বুৰঞ্জীৰ পৰা শিক্ষা লৈ অসমৰ খিলঞ্জীয়া অৰ্থনীতিৰ উৎসবোৰ পুনৰুজ্জীৱিত কৰিব লাগিব। অসমৰ জনসাধাৰণে তেতিয়া আমদানিৰ ওপৰত নিৰ্ভৰ নকৰি আহোম ৰাজত্বৰ দিনৰ নিচিনা আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়ি তুলিব পাৰিব। ভাৰতৰ পুঁজিপতিৰ স্বাৰ্থৰ ব্ৰিটিছ আৰু ভাৰত চৰকাৰে দেশৰ পুঁজিপতিসকলৰ উৎপাদনৰ বজাৰৰ বাবে পৰিকল্পিতভাৱে অসমৰ খিলঞ্জীয়া অৰ্থনীতি ধ্বংস কৰি দিছিল। প্ৰথম পদক্ষেপ হ'ল বিভিন্ন কৃষি পণ্যকে ধৰি অসমৰ মজলীয়া ক্ষুদ্ৰ উদ্যোগ, কুটিৰ উদ্যোগ হস্তশিল্পৰে উৎপাদন কৰিব পৰা সামগ্ৰীসমূহৰ আমদানি বন্ধ কৰাৰ প্ৰয়োজন। অসমৰ খিলঞ্জীয়া উদ্যোগ, হস্তশিল্পসমূহ পৰিৱৰ্তনমূলক (Innovation) ব্যৱস্থাৰে স্বতন্ত্ৰ সম্ভাৱনাবোৰৰ সৃষ্টি কৰিব লাগিব।

অসমৰ ডাঙৰ সমস্যা হৈছে কোনো এখন অসম চৰকাৰে অসমৰ খিলঞ্জীয়া অৰ্থনৈতিক উৎসবোৰ উন্নত কৰি আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়াৰ প্ৰচেষ্টা হাতত নল'লে। অসমৰ সেউজীয়া প্ৰকৃতি ধ্বংস হৈ গ'ল। যিখিনি আছে সেইখিনিও বৰ্তমানৰ চৰকাৰৰ ই-আই-এ এ শেষ কৰি দিব। কয়লা, তেল, গেছ আদি সকলো খনিজ সম্পদে দেশৰ পুঁজিপতিক গতাই দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। উত্তৰ-পূৰ্বৰ পানী সম্পদ ইতিমধ্যে পুঁজিপতিৰ হাতলৈ গৈছে। অসমৰ এনে এখন চৰকাৰৰ প্ৰয়োজন যিখন চৰকাৰে অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ ইতিহাস বুজি পায় আৰু ইয়াৰ ভিত্তিত অসমৰ অৰ্থনীতি গঢ়ি তোলে। অসমৰ আজিৰ প্ৰজন্মইও নিষ্কৰ্মা এলেহুৱা হৈ থাকি সহজ ধনৰ পাছত দৌৰি নুফুৰি অসমৰ অৰ্থনৈতিক ইতিহাসৰ জ্ঞান লৈ অসমৰ পৰম্পৰা খিলঞ্জীয়া অৰ্থনীতি পুনৰুজ্জীৱিত কৰাৰ আন্দোলন গঢ়ি তোলাটো জৰুৰী। এইটো কৰিব পাৰিলে অসমৰ বাবে এক আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়ি উঠিব আৰু নিবনুৱা সমস্যাৰো অন্ত পৰিব, অসমৰ যুৱকে কৰ্মসংস্থান বিচাৰি বহিঃৰাজ্যলৈও যাব নালাগিব।

*লেখক ষ্টেট বেংক অৱ ইণ্ডিয়াৰ কেন্দ্ৰীয় ব'ৰ্ডৰ প্ৰাক্তন সঞ্চালক*

*ফোন ঃ* 9435041203

## খোলা মঞ্চ

# অসমৰ নতুন চৰকাৰখনে কিবোৰ বিষয়ৰ ওপৰত গুৰুত্ব দিয়া উচিত



**অসমৰ** জনসাধাৰণে অনেক আশা-প্ৰত্যাশাৰে বৰ্তমান চৰকাৰখনক দ্বিতীয়বাৰৰ বাবে শাসনাধিস্থ কৰিলে। গতিকে নতুন চৰকাৰে ৰাইজে আশা কৰা ধৰণে কামবিলাক সমাধান কৰাটো বিচাৰে। চৰকাৰখন শাসনাধিষ্ঠিত হৈয়ে বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে। চৰকাৰৰ আগত বহুত প্ৰত্যাহ্বান থাকিলেও বাস্তৱসন্মত পদক্ষেপ আৰু দৃঢ়তাৰে সেইবোৰৰ নিশ্চয় সমাধান কৰিব পৰা যাব। অৱশ্যে এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ বিশেষ তৎপৰতা আৰু উদ্যোগ পৰিলক্ষিত হোৱা দেখা গৈছে। প্ৰতিটো চৰকাৰী বিভাগ অধিক সক্ৰিয় আৰু গতিশীল হ'ব লাগিব লগতে বিভাগীয় মন্ত্ৰীসকলো অতি নিষ্ঠা আৰু সততাৰে কাম কৰিব লাগিব। পৰম্পৰাগতভাৱে চলি অহা বিভাগীয় কামবোৰ পুনৰীক্ষণ কৰি সেইবোৰৰ ত্ৰুটি বিচ্যুতি থাকিলে সেইবোৰ আঁতৰাই যথাসম্ভৱ সংস্কাৰ কৰি নতুন গতি দিব লাগিব।

অসম কৃষিপ্ৰধান ৰাজ্য। কৃষি প্ৰধান ৰাজ্য যদিও আমাৰ অসমৰ কৃষি ব্যৱস্থা একেবাৰে শোচনীয়। সেয়েহে আধুনিকীকৰণ ব্যৱস্থাৰে কৃষি খণ্ডৰ আমূল পৰিৱৰ্তন কৰিব লাগিব। তেল জাতীয়, মাহজাতীয় শস্য আৰু নানাবিধ শাক-পাচলিৰ উৎপাদন ব্যক্তিগত আৰু সামূহিক কৃষিপামৰ জৰিয়তে উৎপাদন বৃদ্ধি কৰিব লাগিব আৰু চৰকাৰে আধুনিক কৃষি প্ৰযুক্তি আৰু আন আন সা-সুবিধাসমূহৰ ব্যৱস্থা কৰিব লাগিব। কৃষিজাত সামগ্ৰীসমূহ ব্যৱসায়ীৰ দৃষ্টিভংগীৰে উৎপাদন, বিতৰণ আৰু উপযুক্ত বজাৰৰ সুব্যৱস্থা কৰাটো অতি প্ৰয়োজন।

**মীনা তালুকদাৰ**, *লেখিকা*

**চৰকাৰখনে জনমূৰি আয়ৰ ওপৰত গুৰুত্ব দিব লাগিব. কাৰণ জনমূৰি আয় বৃদ্ধি পালেহে জাতীয় আয় বৃদ্ধি পাব।**

তাৰ উপৰি চৰকাৰখনে জনমূৰি আয়ৰ ওপৰত গুৰুত্ব দিব লাগিব. কাৰণ জনমূৰি আয় বৃদ্ধি পালেহে জাতীয় আয় বৃদ্ধি পাব।

অসমক প্ৰতি বছৰে কোঙা কৰি অহা প্ৰাকৃতিক দুৰ্যোগ, বানপানী আৰু গৰাখহনীয়া। সমস্যাৰ চিৰস্থায়ী সমাধান কৰিব পৰাটো তেনেই উজু নহয় যদিও বানপানীপ্ৰৱণ অঞ্চলসমূহত আধুনিক পদ্ধতিৰে উপযুক্ত সময়ত মথাউৰি, নিৰ্মাণ আৰু পুৰণি মথাউৰিবোৰ সৱলীকৰণৰ লগতে গৰাখহনীয়া প্ৰতিৰোধ কৰাত বিশেষ ব্যৱস্থা ল'ব লাগিব। আন এক চিন্তনীয় বিষয় হৈছে ৰাজ্যখনৰ শিক্ষাৰ্থীসকলকৰ ভৱিষ্যতৰ অনিশ্চয়তাক লৈ ক'ভিডসৃষ্ট পৰিস্থিতিত শিক্ষাজগতত দেখা দিয়া এই অনিশ্চয়তা কেনেকৈ দূৰ কৰিব পৰা যায় সিও চৰকাৰৰ এটা ডাঙৰ প্ৰত্যাহ্বান। তদুপৰি নতুন চৰকাৰে গুৰুত্ব দিবলগীয়াৰ ভিতৰত ৰাজ্যত দেখা দিয়া ভয়াৱহ নিবনুৱা সমস্যা সমাধান কৰিব পাৰিলেহে এটা জটিল সমস্যাৰ পৰা চৰকাৰে হাত সাৰিব বুলি আশা কৰিব পাৰি। আকৌ অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধি ৰোধৰ ব্যৱস্থাৰ অতি প্ৰয়োজন। নৱ প্ৰজন্মক মৃত্যুৰ গৰাহলৈ ঠেলি দিয়া নিচাযুক্ত দ্ৰব্যৰ ব্যাপক প্ৰচলন, কয়লা, চুপাৰি আৰু গৰুৰ চোৰাং কাৰবাৰ এইবিলাকৰ মাফিয়াক অতি সোনকালে চিনাক্ত কৰি উচিত শাস্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ চৰকাৰৰ প্ৰধান কৰণীয়। অৱশ্যে নতুন চৰকাৰখনে এইবিলাক ক্ষেত্ৰত বিশেষ তৎপৰ হোৱা পৰিলক্ষিত হৈছে। পিছে ই আৰম্ভণিৰ চমক সৃষ্টি নহৈ যাতে স্থায়ীভাৱে নিৰ্মূল হয় তাৰ বাবে আমি আশাবাদী।

*ফোন* ৮০১১৩৩১০২৫



# আমাক অলপ অক্সিজেন দিয়া

**এই** সুন্দৰ পৃথিৱীখন, চাৰিওফালৰ পৰিৱেশ, বায়ু, বতাহ সকলো এতিয়া ৰুগ্ন। উশাহ ল'বলৈ এতিয়া বিশুদ্ধ বায়ু নাই। এজন মানুহে দিনে ১৬ কিলোগ্ৰাম অক্সিজেন আহৰণ কৰে। এতিয়া সেই অক্সিজেনৰ অভাৱত মানুহ মৰিবলৈ ধৰিছে।

কৰ'না ভাইৰাছৰ দৰে মানৱ ধ্বংসকাৰী ভাইৰাইছে মানুহৰ হাওঁফাওঁবোৰত আক্ৰমণ কৰি লাখ লাখ মানুহৰ জীৱন কাঢ়ি নিছে। এফালে বায়ুমণ্ডলত বিষাক্ত পদাৰ্থৰে বায়ু প্ৰদূষিত কৰি আহিছে।

বিভিন্ন কাৰণত কাৰ্বন-ডাই-অক্সাইড, নাইট্ৰ'জেন অক্সাইড আদি বিভিন্ন গেছ মিহলি হৈ বায়ু প্ৰদূষিত হৈ আহিছে। নগৰসমূহত থকা কোটি কোটি মানুহে বৰ্তমান বায়ু প্ৰদূষণত ভুগিছে আৰু কে'বা নিযুত লোকে ছালফাৰ-ডাই-অক্সাইড মিহলি বায়ু সেৱন কৰিছে। বিভিন্ন তথ্যৰ পৰা জানিব পৰা গৈছে যে যোৱা এশ বছৰৰ ভিতৰত ১.৩ নিযুত টন চিলিকন, ১.৫ নিযুত টন আৰ্চেনিক, এক টনতকৈও বেছি নিকেল, সাত লাখ টন কোবাল্ট আৰু ছয় টন দস্তা বায়ুমণ্ডলত মিহলি হৈ পৰিছে। বায়ু প্ৰদূষণৰ মূল কাৰণ হৈছে কল-কাৰখানা আৰু অত্যধিক যান-বাহন।

১৯৩০ত বেলজিয়ামৰ সেউজ উপত্যকাত বায়ৱীয় দূষিতকৰণৰ প্ৰথম ঘটনাটো ধৰা পেলোৱা হয়। তাৰ পাছৰটো আছিল পেনচিলভেনিয়াত ১৯৪৮ত। এই দুয়োটা ঘটনাতে শ শ লোকৰ মৃত্যু হৈছিল। ১৯৫২ত লণ্ডনত যি ধোঁৱাৰ কুঁৱলী পৰিছিল তাৰ ফলত কে'বা হেজাৰ লোকে শ্বাস-প্ৰশ্বাস ৰোগত ভুগিয়েই মৃত্যুবৰণ কৰিব লগা হৈছিল।

ন'বেল নামৰ এগৰাকী বিজ্ঞানীয়ে ১৯৭২ত হিচাপ কৰি উলিয়াইছিল যে প্ৰতি বছৰে কেৱল আমেৰিকাতেই ১৬৪ নিযুত মেট্ৰিকটন দূষিত পদাৰ্থ মিহলি হৈ যায়।

বায়ুমণ্ডলৰ আগৰ স্বাভাৱিক অৱস্থা বৰ্তমান ক্ৰমান্বয়ে অস্বাভাৱিক হৈ আহিছে। বায়ুমণ্ডলত ধূলিকণা আৰু কাৰ্বন-ডাই-অক্সাইডৰ মাত্ৰা যিমানেই বাঢ়িব, পৃথিৱীৰ উপৰিভাগৰ উত্তাপো সিমানেই বৃদ্ধি পাব।

বৰ্তমান কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বায়ুমণ্ডলত কম যেন লাগিলেও এসময়ত ই ভয়ংকৰ ৰূপ ল'ব। সেই অৱস্থাত বায়ুমণ্ডলত আমাৰ প্ৰয়োজনীয় অক্সিজেনকণো আমি নোপোৱা হ'ম। চহৰৰ লোকসকলে গাঁৱৰ লোকতকৈ কম অক্সিজেন পাব। হয়তো তেওঁলোকে প্ৰত্যেকেই লগত অক্সিজেনৰ চিলিণ্ডাৰ লৈ ফুৰিব লাগিব। অফিচ-কাছাৰী, স্কুল-কলেজ, যান-বাহন, হাট-বজাৰ সকলোতে কৃত্ৰিমভাৱে অক্সিজেনৰ যোগান ধৰিব লাগিব। তেনেকুৱা এটা দিনত মানুহৰ সভ্যতা-সংস্কৃতি থকাটো দূৰৈৰ কথা, মানুহেই থাকিবনে নাই সন্দেহ। বিজ্ঞানীসকলৰ মতে যদি বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বাঢ়ি গৈ থাকে, প্ৰাণীসমূহেই আটাইতকৈ ক্ষতিগ্ৰস্ত হ'ব। অক্সিজেনৰ অভাৱত মানুহৰ অৱস্থাই কাহিল হ'ব। কাৰ্বন-ডাই-অক্সাইড বঢ়াৰ লগে লগে তাপ বৃদ্ধি হ'ব। তাপ বৃদ্ধিৰ এই ঘটনাকে গ্ৰীণ হাউছ এফেক্ট বুলি কোৱা হয়। তাপ বৃদ্ধিৰ ফলত মেৰু অঞ্চলত আৰু পৰ্বতৰ ওপৰৰ বৰফ গলিব, ফলত ভয়ংকৰ বানপানী হ'ব।

বায়ুমণ্ডলত থকা ছালফাৰ-ডাই-অক্সাইড সকলো উদ্ভিদ আৰু প্ৰাণীৰ কাৰণে বিপজ্জনক। এই ছালফাৰ-ডাই-অক্সাইড নানা ধৰণৰ কল-কাৰখানা আৰু যন্ত্ৰপাতিৰ ফলত বায়ুমণ্ডললৈ আহে। ইয়াৰ ভিতৰত তেল শোধনাগাৰ, তাপ বিদ্যুৎ কেন্দ্ৰ আৰু ছালফিউৰিক এচিড তৈয়াৰ কাৰখানাৰ পৰাই আটাইতকৈ বেছি ছালফাৰ-ডাই-অক্সাইড ওলায়। ছালফাৰ-ডাই-অক্সাইড গেছ বায়ুতকৈ প্ৰায় আঢ়ৈ গুণ গধুৰ। গতিকে যি ঠাইত এই গেছবিধ ওলায়, সি দূৰলৈ নগৈ সেই ঠাইৰ ওপৰতে থূপ খাই পৰে। গতিকে তেনে অঞ্চলত প্ৰদূষণৰ মাত্ৰা অধিক হয়।

পৃথিৱীৰ চাৰিওফালে থকা বায়ুমণ্ডলৰ স্তৰবোৰৰ ভিতৰত অ'জন স্তৰটো এক উল্লেখনীয় স্তৰ। এই অ'জন স্তৰটো যিমানদিনলৈ অক্ষত অৱস্থাত থাকিব, সিমানদিনলৈ পৃথিৱীৰ উদ্ভিদ আৰু প্ৰাণীবোৰ বাচি থাকিব। আল্ট্ৰা ভায়'লেট ৰশ্মিকে ধৰি অপকাৰী সৌৰ ৰশ্মিসমূহ পৃথিৱীলৈ অহাত অ'জন স্তৰে বাধা দিয়াৰ বাবেহে পৃথিৱীত জৈৱ বিৱৰ্তন হৈ নানান জীৱৰ সৃষ্টি হোৱাটো সম্ভৱ হৈছে।

আমি ব্যৱহাৰ কৰা, ৰেফ্ৰিজাৰেটৰ, এয়াৰ কণ্ডিছনাৰ আদিৰ পৰা নিৰ্গত হয় ক্লৰ'ফ্লৰ' কাৰ্বন। এই ক্লৰ'ফ্লৰ' কাৰ্বনৰ কাৰণে অ'জনৰ পৰিমাণ কমি আহে। অ'জনৰ পৰিমাণ কমি আহিলে অ'জন স্তৰটো পাতল হৈ আহে। ইতিমধ্যেই অ'জন স্তৰটোত এন্টাৰ্কটিকাত এটা ফুটাৰ সৃষ্টি হ'লেই। এই ফুটাটো যদি ডাঙৰ হৈ গৈ থাকে, তেনেহ'লে পৃথিৱীত থকা সকলো জীৱৰে যে মৃত্যু হ'ব এয়া নিশ্চিত।

ধুনীয়া পৃথিৱীখন ধুনীয়া কৰি ৰখাটো মানুহ হিচাপে আমাৰ কৰ্তব্য আৰু দায়িত্ব। পৰিৱেশে আমাক কেতিয়াও অন্যায় কৰা নাই। আমি মানুহবোৰেহে পৰিৱেশ বিনষ্ট কৰি আহিছো আৰু আমি আমাৰ নিজৰ বিপদ নিজেই চপাই আনিছো।

**ৰাবিয়া খানম**

নগাঁও, হয়বৰগাঁও

ফোন ঃ ৯৪৩৫৪৮৭৪০৫

# কৰ্মৰত চিকিৎসকক সুৰক্ষা দিয়ক

**অভিমত**

**ডাঃ সেউজ** কুমাৰ সেনাপতি, নাৰ্ছ ললিতা ভৰালীৰ ওপৰত হোৱা হিংসাত্মক আক্ৰমণৰ ঘটনাই চিকিৎসক সেউজৰ ওপৰত হোৱা বৰ্বৰ আক্ৰমণৰ ভিডিঅ'ই সমগ্ৰ দেশ কম্পমান কৰি তুলিছে। হেঁপাহেৰে চিকিৎসা বৃত্তিক আঁকোৱালি লোৱা এজন উদ্যমী যুৱকে প্ৰথম খোজতেই ভয়ানক আঘাত পালে এচাম মানৱৰূপী দানৱৰ পৰা। সেউজৰ সেউজীয়া ৰাঙলী কৰিলে সিহঁতৰ পাশৱিক অত্যাচাৰে।

ভাৰতত চিকিৎসা কৰ্মীৰ ওপৰত হোৱা আক্ৰমণ এইটোৱেই প্ৰথম নহয়। ভাৰতীয় চিকিৎসা সংস্থাই দিয়া এক তথ্য অনুসৰি প্ৰায় ৭৫ শতাংশ চিকিৎসকে মানসিক বা শাৰীৰিকভাৱে আক্ৰান্ত হয় কিছুমান অসাধু বা অমানুষিক মনোবৃত্তিৰ লোকৰ দ্বাৰা। ইয়াৰ ফলত প্ৰায় ৪৩ শতাংশ চিকিৎসকে মানসিক চাপ লৈ চিকিৎসা কৰিব লগা হয়। কিন্তু সকলোবোৰ ঘটনা পোহৰলৈ নাহে, চিকিৎসকসকলে নিজেই সমাধান কৰিবলৈ চেষ্টা কৰে। অতিশয় গুৰুতৰ আক্ৰমণবিলাকহে সাধাৰণ ৰাইজৰ জ্ঞাত হয়।

২০১৭ৰ ১৫ মাৰ্চ, মহাৰাষ্ট্ৰত এজন অৰ্থপেডিক চিকিৎসকক ধূলে অসামৰিক চিকিৎসালয়ত, ৰোগীৰ আত্মীয়ই ভয়ংকৰ শাৰীৰিক আক্ৰমণ কৰাৰ ফলত মূৰত আঘাত পায় আৰু এটা চকুৰ দৃষ্টি শক্তি হেৰাই যায়। সমগ্ৰ দেশতেই তোলপাৰ লগোৱা এই ঘটনাৰ পাছত চিকিৎসকসকলে তেওঁলোকৰ সুৰক্ষা বিচাৰি প্ৰতিবাদ সাব্যস্ত কৰে। স্বাস্থ্যকৰ্মীৰ সুৰক্ষাৰ বাবে 'প্ৰটেকচন অৱ মেডিকেয়াৰ ছাৰ্ভিচ পাৰ্চন এণ্ড মেডিকেয়াৰ ছাৰ্ভিচ ইনষ্টিটিউট এক্ট' বিধেয়কখন আছে। কিন্তু ২০১৮ৰ ১৯ মে'ত মুম্বাইৰ জে জে হাস্পতালত দুজন আৱাসী চিকিৎসকক শাৰীৰিকভাৱে পুনৰ আক্ৰমণ কৰে। আমাৰ অসমত যোৰহাটৰ টীয়ক চাহ বাগিচাত কৰ্মৰত চিকিৎসক ডাঃ দেৱেন দত্তক মৰিয়াই মৰিয়াই হত্যা কৰা ঘটনাটো সকলোৰে মনত সজীৱ হৈ আছে। চিকিৎসক আক্ৰমণৰ সম্পূৰ্ণ তথ্য দিব লাগিলে এখন কিতাপ হ'ব।

আজিৰ দিনত গুৰুত্বপূৰ্ণ প্ৰশ্নটো হৈছে চিকিৎসকসকলৰ জীৱনৰ নিৰাপত্তা চৰকাৰে কেতিয়া সুনিশ্চিত কৰিব? যিসকলে আনৰ জীৱন ৰক্ষাৰ কাৰণে নিজৰ জীৱনৰ বৃত্তি নিৰ্বাচন কৰে তেওঁলোকক নিৰাপত্তা প্ৰদান কৰাটো এখন গণতান্ত্ৰিক দেশৰ চৰকাৰৰ প্ৰধান কৰ্তব্য হোৱা উচিত। পৃথিৱীত এনেকুৱা এজন মানুহ নোলাব, যিজনে জীৱিত কালত এবাৰো চিকিৎসকৰ ওচৰলৈ যোৱা নাই। নিজৰ বাবে, পৰিয়ালৰ বাবে, আত্মীয় স্বজনৰ বাবে চিকিৎসকৰ ওচৰলৈ যাবলৈ বাধ্য। চিকিৎসক বিহীন সমাজ এখনৰ কথা কোনেও কল্পনাই কৰিব নোৱাৰে। কৰ'না মহামাৰীৰ এই দুৰ্যোগৰ সময়ত নিজৰ জীৱন তথা পৰিয়ালৰ কথা নাভাবি চিকিৎসাকৰ্মীসকলে অক্লান্ত পৰিশ্ৰম কৰি ক'ভিড আক্ৰান্তক বচাবলৈ অহোপুৰুষাৰ্থ কৰিছে। ক'ভিডৰ বিৰুদ্ধে যুঁজ দি কৰ'নাৰ প্ৰথম ঢৌত ৭৪৮ জন আৰু দ্বিতীয় ঢৌত এই পৰ্যন্ত ৬২৪জন চিকিৎসকে প্ৰাণ ত্যাগ কৰিব লগা হয়। কিন্তু ইয়াৰ পাছতো চিকিৎসকৰ ওপৰতে প্ৰহাৰ।

আমাৰ শাৰীৰিক-মানসিক ব্যাধি দূৰ কৰাৰ বাবে অন্তঃকৰণেৰে চিকিৎসকক কাষত বিচাৰো। চিকিৎসকসকলেই নানা ৰোগত আক্ৰান্ত ৰোগীক বিভিন্ন পদ্ধতিৰে চিকিৎসা আগবঢ়াই মৃত্যুমুখী ৰোগীৰ জীৱন বচাই পুনৰ পৃথিৱীৰ সেউজীয়াত চলিব পৰা কৰি তোলে। আমি ফুল-নৈবেদ্যৰে পূজা কৰা ভগৱানক কেতিয়াও দেখা নাই। কিন্তু মৃত্যুৰ কৰাল গ্ৰাসৰ পৰা উদ্ধাৰ কৰা চিকিৎসকৰূপী ভগৱানসকল আমাৰ বিপদৰ সময়ত সদায় কাষতেই থাকে।

সেয়ে আজি চিকিৎসকক আক্ৰমণ কৰা ঘটনাক সকলোৱে ধিক্কাৰ দিছে। যোৱাবাৰ ক'ভিডৰ প্ৰথম ঢৌত পশ্চিমবংগত দুজন চিকিৎসকক ভয়ংকৰ শাৰীৰিক আক্ৰমণ কৰাৰ পাছত দেশজুৰি চিকিৎসকসকলে প্ৰতিবাদ সাব্যস্ত কৰিছিল। তেতিয়াই সদনত এখন বিধেয়ক গৃহীত হয় যে চিকিৎসকক আক্ৰমণ কৰিলে



তিনিমাহৰ পৰা পাঁচবছৰ পৰ্যন্ত কাৰাবাস হ'ব পাৰে আৰু ৫০ হেজাৰৰ পৰা এক লাখ পৰ্যন্ত জৰিমনা হ'ব পাৰে। যদি আঘাত গুৰুতৰ হয় তেন্তে কাৰাবাস সাত বছৰৰ বাবে আৰু জৰিমনা এক লাখৰ পৰা পাঁচ লাখ পৰ্যন্ত হ'ব পাৰে।

ইয়াৰ পাছতো কিন্তু চিকিৎসকৰ ওপৰত হোৱা আক্ৰমণ বন্ধ হোৱা নাই বৰং বাঢ়িছেহে। ইয়াৰ কাৰণ হ'ল—যিবোৰ নৰাধমে এই কাৰ্যবোৰ কৰে সিহঁত এই আইনবোৰৰ বিষয়ে জ্ঞাত নহয়। সেয়ে আমি ভাবো যে যিদৰে চৰকাৰে নিৰ্বাচনমুখী আঁচনিবোৰ বিজ্ঞাপনৰ জৰিয়তে প্ৰকাশ কৰে, তাতকৈ অধিক গুৰুত্ব দি সমাজ বিৰোধী দুস্কৃতিৰ বাবে থকা আইনবোৰ প্ৰকাশ কৰিব লাগে। যাতে চিকিৎসকৰ ওপৰত আক্ৰমণ কৰিবলৈ কোনেও সাহস কৰিব নোৱাৰে। স্পৰ্শকাতৰ অঞ্চলত চিকিৎসকৰ বাবে সুৰক্ষা কৰ্মী নিয়োগ কৰিব লাগে। হাস্পতালত চিচিটিভিৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন আছে। শেষত এইটোৱেই বিচাৰিম ডাঃ সেউজ কুমাৰ সেনাপতিয়েই হওক অন্তিম চিকিৎসক যিয়েই অমানুষিক অত্যাচাৰৰ বলি হ'ব লগা হ'ল। চিকিৎসকসকলে দেশবাসীৰ পৰা পাওক যথাযথ সন্মান, মৰম আৰু শ্ৰদ্ধা। যাৰ সহায়ত তেওঁলোকে মানসিক চাপ নোহোৱাকৈ ৰোগীক চিকিৎসা প্ৰদান কৰিব পাৰে।

**কবিতা দেৱী**, প্ৰৱক্তা

আনন্দৰাম বৰুৱা একাডেমী, পাঠশালা।

*ফোন ঃ* ৯৪০১৭১৪০৭২

## ‘আত্মহত্যা’ আৰু এ ই কোপাৰ্ড



**এসময়ত** ইংলণ্ডত আত্মহত্যা বা আত্মহত্যাৰ চেষ্টাক হত্যাৰ তুল্য অপৰাধ হিচাপে গণ্য কৰি আত্মহত্যাৰ চেষ্টা চলোৱা আৰু তাত ব্যৰ্থ হৈ ধৰা পৰা ব্যক্তিক অপৰাধী গণ্য কৰি মৃত্যুদণ্ডৰে দণ্ডিত কৰাৰ উদাহৰণ লক্ষ্যণীয়। এই বিশেষ আলোচনাত আমি ইংৰাজ গল্পকাৰ এল্‌ফ্ৰেড এড্‌গাৰ কোপাৰ্ডৰ ‘চাম টক অফ আলেকজেণ্ডাৰ’ত গল্পকাৰগৰাকীয়ে ‘আত্মহত্যা’ৰ বিষয়টো কি ধৰণে উপস্থাপন কৰিছে তাৰ আলোচনা আগবঢ়াম। নিজৰ বিশিষ্ট কলা শৈলীৰে ইংৰাজী চুটিগল্পৰ ইতিহাসত নিজৰ বাবে এখন আছুতীয়া আসন সংৰক্ষণ কৰিবলৈ সমৰ্থ হোৱা গল্পকাৰ কোপাৰ্ডৰ গল্পবিষয়ক আলোচনা ভালে কেইগৰাকী আলোচক-সমালোচকে কৰিছে। সেইসকলৰ ভিতৰত ফ্ৰাঙ্ক এড্‌মাণ্ড স্মিথ অন্যতম। বিংশ শতিকাৰ ইংৰাজী সাহিত্যৰ গৱেষক পণ্ডিত তথা এ’ ই কোপাৰ্ডৰ সৃষ্টিৰাজিৰ বিশেষজ্ঞ স্মিথে তেওঁৰ এটা বিশেষ আলোচনাত উল্লেখ কৰিছে যে কোপাৰ্ডে ইংৰাজী ভাষাৰে কেইটামান বাছকবনীয়া চুটিগল্প ৰচনা কৰি গৈছে। ১৯৩৭ত ৰচিত Some Talk of Alexander গল্পটোৰ আলোচনাৰ প্ৰসংগত কোপাৰ্ডে মানৱ জীৱনৰ স্বাভাৱিক আৰু মনস্তাত্ত্বিক শক্তিসমূহক মনোজ্ঞ আৰু কৌতুকপূৰ্ণ ৰূপত উপস্থাপন কৰিছে। ইয়াৰ দ্বাৰা চৰিত্ৰসমূহৰ নিজৰ বিৰুদ্ধে নিজেই লিপ্ত হোৱা সংঘাতৰ চিত্ৰ প্ৰকট হৈছে, প্ৰকাশ পাইছে কি দৰে চৰিত্ৰসমূহে নিজৰ প্ৰকৃত স্বভাৱ-চৰিত্ৰক অস্বীকাৰ কৰিছে।

### সাহিত্যৰ ৰূপৰেখা

### ড° নিভাৰাণী ফুকন



কোপাৰ্ডৰ এই গল্পটোৰ কাহিনীৰ নায়ক এগৰাকী সাধাৰণ মানুহ। আলেকজেণ্ডাৰ ক’ল নামৰ এই তৰুণজনে মাৰ্থ শ্ৰিম্পটন নামৰ এগৰাকী ৰমণীৰ প্ৰেমত পৰিছিল। ৰমণীয়ে তেওঁৰ লগত কিছুদিন ঘূৰা-পকা কৰিলে যদিও অস্থিৰ, চঞ্চল মনা মাৰ্থাই বহুত বেছি দিনলৈ আলেকজেণ্ডাৰৰ লগত প্ৰেমৰ সম্পৰ্কটো চলাই থাকিব নোৱাৰিলে। তেওঁ বোট উপাধিকাৰী আঢ্যৱন্ত ব্যক্তি এগৰাকীৰ লগত বিয়া হৈ গুচি গৈছিল। সেই দুখতে আলেকজেণ্ডাৰ ক’লে এখন পত্ৰ লিখি আত্মহত্যা কৰিবলৈ বুলি সাগৰ তীৰলৈ ঢাপলি মেলিলে। তেওঁ সাগৰৰ ঢৌত উটি গৈছিল। কিন্তু তেওঁৰ মৃত্যু হোৱা নাছিল। বৰঞ্চ তেওঁ সাগৰৰ অন্য এটা পাৰত গৈ উপনীত হৈছিল। সন্ধিয়া নামি অহাত তিতা গাৰে তেওঁ কোনোমতে আহি ঘৰত উপস্থিত হৈছিল। তেওঁৰ ‘আত্মহত্যা’ৰ সংবাদ পাই খবৰ ল’বলৈ তেওঁৰ সুহৃদ কেইগৰাকীমান আহিছিল। তাৰ মাজত এগৰাকী পুলিচ বিষয়াও আছিল। পুলিচ বিষয়াগৰাকীক দেখি তেওঁ কিছু ব্যতিব্যস্ত হৈছিল যদিও তেওঁ সুস্থিৰ হ’বলৈ চেষ্টা কৰিলে। এইটো বুজাত তেওঁৰ অসুবিধা হোৱা নাছিল যে তেওঁৰ প্ৰাক্তন প্ৰেমিকা মাৰ্থাৰ এগৰাকী সম্পৰ্কীয় ভদ্ৰ মহিলাৰ আগত তেওঁৰ ব্যৰ্থ প্ৰেমৰ কাহিনী কোৱাৰ লগতে তেওঁ আত্মহত্যা কৰিব বিচৰা কথাটোৰো ব্যক্ত কৰিছিল। মিছেছ গোলাণ্টি নামৰ সেই ভদ্ৰ মহিলাই ক’লে আত্মহত্যা কৰিব খোজা কথাটো পুলিচক জনাইছিলে। গতিকে আলেকজেণ্ডাৰে কাপোৰ-কানি খুলি, জোতাযোৰৰ ভিতৰত ‘আত্মহত্যা পত্ৰ’ আৰু লগতে ‘ইচ্ছা পত্ৰ’ খন সুমুৱাই থোৱাটো পুলিচে উদ্ধাৰ কৰিলে। ফলত তেওঁ প্ৰচণ্ড শীত আৰু ভাগৰত লেবেজান হৈ ঘৰৰ ভিতৰত প্ৰৱেশ কৰিয়েই পুলিচ বিষয়াক দেখি কিছু আচৰিত হৈছিল। বিষয়াগৰাকীয়ে গম্ভীৰভাৱে ক’লক পৰ্যবেক্ষণ কৰিলে। ক’লে তেওঁক জনালে যে তেওঁ পিছদিনা পুৱা বিষয়াৰ লগত বাৰ্তালাপ কৰিব। কিন্তু পুলিচ বিষয়াগৰাকীয়ে জনালে যে যিহেতুকে তেওঁৰ পৰিত্যক্ত কাপোৰ-কানিৰ লগত সেই বিশেষ পত্ৰখনো উদ্ধাৰ হৈছে, গতিকে কথাটো সাধাৰণ বা ধেমালিৰ কথা হৈ থকা নাই। তেওঁ ‘আত্মহত্যাৰ চেষ্টা কৰিছিল।’ -এই দোষত তেওঁ দোষী। গতিকে তেওঁৰ ‘অপৰাধ’ৰ বিচাৰ হ’ব। তাৰ বাবে তেওঁ পুলিচ থানালৈ যাব লাগিব আৰু সেইদিনাই যাব লাগিব। এইখিনিতে গল্পটোৰ সমাপ্তি ঘটিছে।

গল্পটোৰ আৰম্ভণিতে উল্লেখ আছে যে আলেকজেণ্ডাৰ ২৫ বছৰীয়া তৰুণ। সেইটো বয়সত ব্যক্তিৰ মানসিক জগত সুস্থিৰ হৈ নাথাকে। বিশেষকৈ প্ৰেমজনিত সমস্যাৰ উদ্ভৱ হ’লে ব্যক্তি আবেগিকভাৱেও বিমৰ্ষ হৈ পৰে। মন আৰু হৃদয়ৰ সেই সংকটময় স্থিতিত ব্যক্তিয়ে লোৱা সিদ্ধান্ত ভুল আৰু ভ্ৰান্তিকৰ হয়। কেতিয়াবা কেতিয়াবা তেনে মানসিক স্থিতিত ব্যক্তিয়ে গ্ৰহণ কৰা ভুল সিদ্ধান্তই ব্যক্তিক গভীৰ সংকটত পেলাব পাৰে। আলেকজেণ্ডাৰে কোনো দুৰ্বল, অসতৰ্ক মুহূৰ্তত মিছেছ গোলাণ্টিৰ আগত ব্যক্ত কৰা শব্দ কেইটামান পৰৱৰ্তী সময়ত তেওঁৰ বাবে কাল হ’ল। তেওঁ অজানিতে আইনৰ মেৰপাকত সোমাই পৰিছিল।

কোনো দুৰ্বল, আবেগিক মুহূৰ্তত তেওঁ লোৱা ‘আত্মহত্যা’ৰ সিদ্ধান্তও এটা ৰসাল বৃত্তান্তত পৰিণত হ’ল। তেওঁ সাগৰৰ পাৰলৈ আত্মহত্যা কৰিবলৈ আহিছিল। কিন্তু সাগৰীয় সোঁতে তেওঁ সাগৰৰ অন্য এটা পাৰত উপনীত কৰাইছিল। তেৰোঁ বিশেষ চিন্তা-ভাৱনা নকৰাকৈ সাঁতুৰি সিটো পাৰত আহি লাগিছিল - শাৰীৰিক ক্ষতি-খুন নোহোৱাকৈ। সেই আমোদজনক বৃত্তান্তটোৱে ৰসজ্ঞ পাঠকক আনন্দৰ খোৰাক নিদিয়াকৈ নাথাকে। কিন্তু আৰক্ষী বিষয়াগৰাকীৰ আগমন আৰু তেওঁৰ কথাৰ মাজত নিহিত থকা গভীৰতাই নায়কক এইটো ভাবিবলৈ বাধ্য কৰালে যে তেওঁ তেওঁৰ আবেগিক মূঢ়তাৰ বাবে সেইদৰে আত্মহত্যাৰ প্ৰচেষ্টা চলোৱাৰ নিচিনা এটা গভীৰ অপৰাধত অপৰাধী সাব্যস্ত হৈছে। *(আগলৈ)*

*ইমেইল- neevarani11@gmail.com*

## লুলু আৰু জুজু
### (হাঁহি ধেমালি)

**লুলু ঃ** তই জাননে কিছুমান বস্তু আছে, যি ভিতৰলৈ গ’লে এটা নাম আৰু বাহিৰলৈ আহিলেই তাৰ নাম বেলেগ হৈ যায়?

**জুজু ঃ** নাজানো । তই কচোন।

**লুলু ঃ** কিয়, ভাত আঞ্জা ভিতৰলৈ গ’লে খানা আৰু বাহিৰলৈ ওলালে পায়খানা। পানী যেতিয়া ভিতৰলৈ যায় তাৰ নাম পানী; আৰু বাহিৰলৈ আহিলে সৰু পানী।

**জুজু ঃ** আৰু ?

**লুলু ঃ** বতাহ ভিতৰলৈ গ’লে উশাহ আৰু বাহিৰলৈ আহিলে তাৰ নাম নিশাহ।

**জুজু ঃ** তই জাননে চাৰিটা বস্তু আছে সিহঁতৰ নামৰ অৰ্থ সিহঁতৰ গাত নাখাটে?

**লুলু ঃ** কিনো ?

**জুজু ঃ** যি নাহাঁহে তাৰ নাম হাঁহ।
যি নাকাহে তাৰ নাম কাঁহ।
যি ভাত নাখায় তাৰ নাম ভতুৱা (শাক)।
যি পটু নহয় তাৰ নাম পতুৱা (কল পতুৱা)।

**লুলু ঃ** আজি তই শেষ প্ৰশ্নৰ উত্তৰ দে ।

**জুজু ঃ** কি ?

**লুলু ঃ** কি বস্তু নদীতো পাৰে আৰু মানুহৰ গালতো পাৰে?

**জুজু ঃ** কিয়, ‘চৰ’ আক’ । মু-মো-ম।



সাধাৰণতে সমালোচনাও হয় যে এই কাব্য ৰসবোধ-বিলাসীসকলৰ বাবেহে, শ্ৰমজীৱী সাধাৰণ মানুহৰ চিন্তাৰ প্ৰতিফলন ইয়াত নাই। কিন্তু সাধাৰণ জনগণৰো সুখ-দুখ, প্ৰেম-বিৰহ বেদনা আদি হৃদয়ৰ অনুভূতি আৰু সৌন্দৰ্যৰ প্ৰতি সুকোমল আকৰ্ষণ আছে। ৰস পিপাসু হ’ব পাৰিলে সকলোৰে বাবে বিভিন্ন ৰসৰ আস্বাদন সম্ভৱ। ‘মেঘদূত’ হৃদয়ৰ অনুভূতিশীল মনৰ কাব্য।

## আষাঢ়স্য প্ৰথম দিৱসে
# শ্ৰেষ্ঠ বৰ্ষাকাব্য-মেঘদূত

**ভাৰতীয়** সাহিত্যৰ কবি কুলপতি কালিদাসৰ শ্ৰেষ্ঠ কাব্য ‘মেঘদূত’— বৰ্ষাকালৰ কাব্য। অসমীয়া সাহিত্যত ‘মেঘদূত’ৰ অনুবাদ আছে। বিস্তৃত আলোচনাও আছে। তথাপি বৰ্ষাকালত এই কাব্যৰ বিষয়ে আলোচনা কৰিবলৈ মন যায়।

‘মেঘদূত’ খণ্ডকাব্য, প্ৰেম-বিৰহৰ শ্ৰেষ্ঠ কাব্য শৃংগাৰ কলাত্মক—বিপ্ৰলম্ভ শৃংগাৰ ৰসৰ (সম্ভোগ শৃংগাৰৰ নহয়)। দুই খণ্ডত বিৰচিত —পূৰ্বমেঘ আৰু উত্তৰমেঘ। যথাৰ্থভাৱেই ই প্ৰসিদ্ধ মন্দাক্ৰান্তা ছন্দত ৰচিত। এই কাব্যৰ বাবে এই সংস্কৃত ছন্দ যেন অবিচ্ছেদ্য। গভীৰ বিৰহ বা বেদনা প্ৰকাশৰ বাবে এই ছন্দ উপযুক্ত বুলি ভাৰতীয় নন্দনতাত্ত্বিক সমালোচকসকলে কয়। প্ৰথম চাৰি অক্ষৰ গুৰু, তাৰ পাছত ছয় অক্ষৰ আৰু তাৰ পাছত সাত অক্ষৰৰ যতি। চাৰি-ছয়-সাত এইভাৱে ই লাহে লাহে ওপৰলৈ উঠে। মুঠ অক্ষৰ সংখ্যা ১৭।

সাধাৰণতে সমালোচনাও হয় যে এই কাব্য ৰসবোধ-বিলাসীসকলৰ বাবেহে, শ্ৰমজীৱী সাধাৰণ মানুহৰ চিন্তাৰ প্ৰতিফলন ইয়াত নাই। কিন্তু সাধাৰণ জনগণৰো সুখ-দুখ, প্ৰেম-বিৰহ বেদনা আদি হৃদয়ৰ অনুভূতি আৰু সৌন্দৰ্যৰ প্ৰতি সুকোমল আকৰ্ষণ আছে। ৰস পিপাসু হ’ব পাৰিলে সকলোৰে বাবে বিভিন্ন ৰসৰ আস্বাদন সম্ভৱ। ‘মেঘদূত’ হৃদয়ৰ অনুভূতিশীল মনৰ কাব্য। হৃদয় গ্ৰাহ্য সহৃদয় সকলো পাঠকৰ বাবেই। তন্ময় দৃষ্টিৰে উপলব্ধি হোৱা প্ৰকৃতি জগতৰ তৰু-তৃণ, ফলমূল, মৃৎপিণ্ড— এই সকলোৰে সুন্দৰ দৃশ্য ‘মেঘদূত’ কাব্যত প্ৰতিভাত হৈছে। কাব্যক প্ৰদান কৰিছে এক অনন্য মাত্ৰা।

প্ৰেম-বিৰহৰ তীব্ৰতা বৰ্ষাকালতে অধিক। মুহূৰ্তই যেন যুগ হৈ যায়। কান্তা-বিৰহ কোনো এজন যক্ষ গুৰুৰ দ্বাৰা শাপভ্ৰষ্ট হৈ ‘অস্তংগমিত মহিমা’ হৈছে অৰ্থাৎ শাপৰ ফলত সেই যক্ষৰ সকলো মহিমা বা অলৌকিক শক্তিৰ ক্ষমতাৰ পৰা বঞ্চিত হৈছে। কিন্তু কি এই শাপ ‘মেঘদূত’ত বৰ্ণোৱা নাই। কোনো কাহিনীও নাই। কিন্তু কাব্যখনত এই কথা আছে যে ধনপতি কুবেৰে তেওঁৰ কোনো এজন যক্ষই ‘সাধিকাৰ প্ৰমত্ত’ হৈ নিজ কৰ্তব্যত অৱহেলা প্ৰদৰ্শন কৰাত তেওঁৰ ত্ৰুটিৰ বাবে অভিশাপ দি নিজৰ বাসস্থান অলকাপুৰীৰ পৰা তেওঁক সুদূৰ ৰামগিৰি পৰ্বতলৈকে নিৰ্বাসিত কৰে— এবছৰৰ বাবে। নৱ পৰিণীতা পত্নীক সেই কামাৰ্ত যক্ষই এৰি থৈ যাবলগীয়া হয়। কাব্যত যক্ষজন নাম বিহীন। বিশেষ জন নহয়। কালিদাসৰ বাবে তেওঁ নিৰ্বিশেষ হৈছে। সাৰ্বজনীন হৃদয়ৰ বিৰহ-বেদনাৰ ধ্বনি যেন তেওঁ তাত ব্যঞ্জিত কৰিছে। সেই বাবেই হয়তো কবিগুৰু ৰবীন্দ্ৰ নাথেও ‘বিশ্বৰ বিৰহী’ৰ বিৰহ-বেদনালৈ উত্তৰিত কৰিছিল ‘মেঘদূত’ৰ কাব্যানুভূতিক। ‘কবিবৰ, কবে কোন বিস্মৃত বৰৰে কোন পুণ্য আষাঢ়েৰ প্ৰথম দিৱসে লিখেছিল মেঘদূত। মেঘমন্ত্ৰ শ্লোক বিশ্বেৰ বিৰহী যত সকলেৰ শোক ৰাখিয়াছে আপন আঁধাৰ স্তৰে স্তৰে যখন সংগীত মাঝে পূঞ্জীভূত কৰে।’

সেইবাবেই হয়তো সুধাকণ্ঠ ড° ভূপেন হাজৰিকায়ো গাব পাৰিছিল আৰু লিখিছিল—

এটুকুৰা আলসুৱা
মেঘ ভাহি যায়
মোৰো বনহংসই বাট
হেৰুৱায়...।
..মই এক যক্ষ
মহানগৰীৰ
মাদকতা সানি আজি
লিখিছো চিঠি
চঞ্চল মেঘে যেন
তাকে কঢ়িয়ায়।




এইদৰেই নিৰ্বিশেষ বিৰহী যক্ষই যুগে যুগে কাব্যৰস পিপাসুসকলক মোহিত আৰু প্ৰভাৱিত কৰি আহিছে।

‘মেঘদূত’ৰ ‘পূৰ্বমেঘ’ খণ্ডত বৰ্ণনা কৰা মতে যক্ষই অত্যন্ত বিৰহ বেদনাত কামগিৰিত আঠমাহ কাল পৰ্যন্ত কটোৱাৰ পাছত তেওঁৰ শৰীৰ দুৰ্বল হৈ পৰে। মানসিকভাৱে ভাঙি পৰে। হাতত থকা সোণৰ খাৰু পৰ্যন্ত শিথিল হৈ হাতৰ পৰা সুলকি পৰে। ইতিমধ্যে বৰ্ষাৰ আগমন হয়। এনেকুৱা সময়তে আহাৰ মাহৰ প্ৰথম দিনটোতে ‘আষাঢ়স্য প্ৰথম দিৱসে’ (কাৰো কাৰো মতে পাঠান্তৰত ‘আষাঢ়স্য প্ৰশম দিৱসে’ অৰ্থাৎ, আহাৰৰ শেষ দিনটোতে) বিৰহী যক্ষই আকাশত পাহাৰ-শৃংগত এক খণ্ড মেঘ দেখিবলৈ পায়। যেন এটি সুন্দৰ হাতীয়ে প্ৰমত্ত হৈ মাটি খান্দি খেলা কৰি আনন্দত মত্ত হৈ আছে। ...যক্ষৰ মনত উদয় হ’ল— এই মেঘখণ্ডকে তেওঁৰ দূতৰূপে গ্ৰহণ কৰি নিজৰ কুশল বাৰ্তা অলকাত থকা বিৰহিনী প্ৰিয়ালৈ প্ৰেৰণ কৰিব আৰু প্ৰণয় বিৰহৰ বেদনা ব্যক্ত কৰিব। বিষাদ জৰ্জৰিত অকলশৰীয়া যক্ষই মেঘকে সচেতন অনুভূতিশীল প্ৰাণীৰূপে বন্ধু বুলি গণ্য কৰি মেঘৰ মহিমা প্ৰশংসাত ৰত হয় আৰু স্তুতি কৰি তেওঁৰ প্ৰিয়াৰ ওচৰলৈ তেওঁৰ বেদনাসিক্ত কুশল সংবাদ লৈ যাবলৈ অনুৰোধ কৰে। যক্ষই ৰামগিৰিৰ পৰা অলকাপুৰীলৈ কোন পথেদি যাব আৰু পথত কি কি স্থান পাই যাব— এক মনোৰম কাব্যিক বৰ্ণনাৰে মেঘৰ আগত বৰ্ণনা কৰে। কালিদাসৰ এই সুদীৰ্ঘ পথৰ বৰ্ণনা অতি মোহনীয় আৰু কাব্যিক চিত্ৰকল্পৰে ভৰপূৰ। বিস্ময়কৰ কথা যে ভৌগোলিক ভাৱেও এই সুদীৰ্ঘ পথৰ চিত্ৰ বা মেপ অতি শুদ্ধ। এই বৰ্ণনাৰ ভিত্তিত দক্ষিণ আৰ্যাৱৰ্তৰ পৰা উত্তৰ- পশ্চিমেদি- মানস সৰোবৰৰ অলপ ওপৰত থকা হিমালয়ৰ অলকাপুৰীলৈ মেঘৰ যাত্ৰাপথৰ এক মানচিত্ৰ গন্তব্য স্থানসহ সমালোচকসকলে অংকন কৰিছে। ‘পূৰ্বমেঘ’ৰ সমাপ্তি ইয়াতেই হৈছে।

**কনক চন্দ্ৰ শৰ্মা**

‘উত্তৰমেঘ’ত মনোৰম অলকাপুৰীৰ বৰ্ণনা, যক্ষৰ বাসভৱন আৰু বিৰহিনী যক্ষ প্ৰিয়াৰ জীৱন্ত চিত্ৰ বৰ্ণিত হৈছে। মেঘে গৈ সেই বিদনাক্লিষ্ট প্ৰিয়াক কেনেভাৱে দেখা পাব—তাৰ বিভিন্ন ৰূপ, কেনেভাৱে আৰু কি সংলাপ কৰিব— সেইবোৰ যক্ষই মেঘক নিজৰ কল্পনাৰে কৰা চিত্ৰ আপোনমনে কৈ গৈ আছে।

‘...হয়তো মোৰ মলিন বসনা প্ৰিয়াই কোলাৰ ওপৰত বীণা লৈ গান কৰি আছে। মোৰ নাম আৰু কুলৰ কথাকে সেই বেদনাসিক্ত প্ৰাণ। প্ৰিয়াৰ স্বৰচিত সেই গান। হয়তো তুমি দেখা পাবা প্ৰিয়াই সেই গান গাই গাই অশ্ৰুজল বোৱাই দিছে, বীণাৰ তাঁৰ সেই অশ্ৰুজলত সিক্ত হৈ গৈছে। নহ’লে তুমি হয়তো দেখা পাবা— দৰ্জাৰ মুখতে এক বেদীৰ ওপৰত বিৰহৰ দিনৰ পৰাই প্ৰতিদিনে একোটাকৈ ফুল ৰাখি ইমান দিনে কিমান ফুল জমা হৈছে তাকে গণনা কৰি কৰি বিৰহ শেষ হ’বলৈ আৰু কিমান দিন বাকী আছে সেই কথা ভাবি আছে ইত্যাদি ইত্যাদি। যক্ষই মেঘক কৈ পঠাইছে ‘প্ৰিয়াই যাতে আৰু চাৰিমাহ যেনে তেনে কষ্টৰে চকু মুদি কটাই দিয়ে। তাৰ পাছত পুনৰ মিলন কালত শৰতৰ জ্যোৎস্নাই আবৃত কৰি ৰখা বিবাহৰ নিশাত যিবোৰ কামনা পোষণ কৰিছিলো, সেই সকলোবোৰ পূৰ্ণ কৰিম— এইবোৰ কথা তুমি মোৰ প্ৰিয়াক ক’বা।’ এনে অপূৰ্ব বৰ্ণনাৰে ‘উত্তৰমেঘ’ত যক্ষই প্ৰিয়াৰ প্ৰতি থকা অনুভৱবোৰ বৰ্ণনা কৰি গৈছে।

মেঘে যে বিৰহ কাতৰ পতিৰ এই বিৰহ-বেদনাৰ অনুভৱ আৰু কুশল বাৰ্তা পত্নীলৈ লৈ আহিছে— তাৰ প্ৰমাণ কি? প্ৰিয়াই কেনেকৈ মেঘৰ কথাত পতিয়ন যাব? যক্ষই তাৰো প্ৰমাণ দিয়াৰ বাবে এক ‘অভিজ্ঞান’ মেঘক প্ৰদান কৰিছে। সেই অভিজ্ঞানৰ কথা ক’লে নিশ্চয় প্ৰিয়াই বিশ্বাস কৰিব। সেই ‘অভিজ্ঞান’ হৈছে এটি গোপন সংলাপ—যক্ষ আৰু যক্ষ পত্নীৰ মাজত হোৱা এটি গোপন সংলাপ। সেই সংলাপৰ মধুৰ স্মৃতি যক্ষই বিৰহ কালত সদায় মনত পেলাই আছিল। যক্ষই মেঘক কৈছিল— ‘তোমাক যাতে সন্দেহ বা অবিশ্বাস নকৰে, সেই বাবে ‘সন্দেশং মে হৰ’ (মোৰ এই সংবাদটো তুমি লৈ যোৱা আৰু তাকে প্ৰিয়াৰ আগত ক’বা)।

‘এদিন ৰাতি তুমি মোৰ কণ্ঠলগ্ন হৈ

টোপনি গৈছিলা। হঠাৎ তুমি কান্দি কান্দি

জাগি উঠিলা। মই বাৰে বাৰে তোমাক সুধিছিলো—প্ৰিয়া, তুমি কান্দিছা কিয়? তুমি তেতিয়া হাঁহি হাঁহি কৈছিলা—‘তুমি এক লম্পট ! মই এই মাত্ৰ সপোনত দেখিছিলো তুমি এক অন্য নাৰীৰ সৈতে বিহাৰ কৰি আছা।’ মেঘে এইখিনি কথা ক’লেই তেওঁ মেঘক বিশ্বাস কৰিব। কাৰণ যক্ষ-দম্পতীৰ বাহিৰে এই কথা কোনেও নাজানে।

‘মেঘদূত’ত কালিদাসৰ এয়া কি অপূৰ্ব সৃষ্টি-কল্পনা। ‘শকুন্তলা’ নাটকত তেওঁ অভিজ্ঞান স্বৰূপে ব্যৱহাৰ কৰিছিল আঙঠি। অশোক বনত সীতাক হনুমানে ৰামৰ আঙঠি দেখুৱাই নিজৰ পৰিচয় দিছিল। কিন্তু ‘মেঘদূত’ত পৰিচয়ৰ বাবে ‘অভিজ্ঞান’ কোনো বাহ্যিক পদাৰ্থ নহয়— ই হৃদয়ৰ অভ্যন্তৰত সংগোপনে সাঁচি থোৱা পতি -পত্নীৰ মাজত হোৱা গভীৰ ৰাতিৰ শয্যাৰ সংলাপ। অভিনৱ— ই কেৱল ‘মেঘদূত’ কাব্যৰ বাবেইহে যেন যথাৰ্থ।

‘উত্তৰ মেঘ’ খণ্ডৰ শেষ স্তৱকত যক্ষই মেঘক অনুৰোধ কৰিছে এই ভাৱে—

‘হে মেঘ, এই বিপন্নজনৰ প্ৰতি অনুগ্ৰহ কৰি মোৰ এই সংবাদ-বহনৰ কৰ্মখিনি তুমি কৰি দিয়া। তাৰ পাছত তোমাৰ মনৰ ইচ্ছামতে দেশ বিলাকত ভ্ৰমণ কৰা। দুৰ্ভগীয়া মোৰ দৰে যাতে ক্ষণকালৰ বাবেও তোমাৰ বিদ্যুৎ প্ৰিয়াৰ সৈতে এনে বিচ্ছেদ নঘটে।’

ইয়াতেই সমাপ্ত হৈছে ‘মেঘদূত’। দুয়োটা খণ্ড মিলি শ্লোক সংখ্যা ১১১ বা ১১২। অৱশ্যে বিভিন্ন সংস্কৰণত শ্লোক সংখ্যাৰ সাধাৰণ অমিল দেখা যায়।

‘মেঘদূত’ কাব্যৰ কোনো কাহিনী নাই। আগতে কোৱা হৈছে। কিন্তু মৌলিক প্ৰতিভাৰ স্বাক্ষৰ বহন কৰা এই কাব্য বিশ্ব বন্দিত। বিশ্বৰ সমীক্ষকসকলে কৈছে যে সামান্য বিষয় বস্তুকে অসামান্য কৰি তোলা এই ‘মেঘদূত’ কাব্যকে যদি কালিদাসে একমাত্ৰ গ্ৰন্থৰূপে ৰচনা কৰি গ’লহেঁতেন, তেতিয়াও তেওঁ বিশ্বৰ মহাকবি হৈয়ে থাকিলহেঁতেন।

কালিদাসৰ উত্তৰ কালত বহু কবিয়ে তেওঁৰ অনুকৰণত দূতকাব্য ৰচনা কৰিছিল। কিন্তু খণ্ড কাব্যৰ ৰূপত ‘মেঘদূত’ কাব্যই প্ৰথম দূতকাব্য। দূতৰূপে কালিদাসেই প্ৰকৃতিৰ বা আকাশৰ এক আদৰণীয় সম্পদক-মেঘক—দূতৰূপে প্ৰয়োগ কৰি তাত সৰসভাৱে সচেতনতা প্ৰদান কৰি উত্তৰিত কৰিছিল প্ৰাণৱন্ত এক জৈৱিক ৰূপত। মেঘৰ বৰ্ণ, বংশ আদি বৰ্ণনা কৰি যক্ষই মেঘক বন্ধুৰূপে গ্ৰহণ কৰিছে। সম্বোধন কৰিছে। বিদ্যুতক মেঘৰ প্ৰিয়া বুলিও তেওঁ শেষত চিত্ৰিত কৰিলে। পৰৱৰ্তী যুগত ইংৰাজী ৰোমাণ্টিক মহান কবি পি বি শ্যেলীয়ে (১৭৯২-১৮২২ খ্ৰীঃ) এইদৰে অচেতন প্ৰকৃতিক প্ৰাণৱন্তৰূপে চেতন কৰি প্ৰকৃতিৰ কবিতা ৰচনা কৰা দেখা গৈছিল। তেওঁৰ বিখ্যাত কবিতা 'Ode to the West Wind' তেনে এটা মহান কবিতা য’ত পশ্চিমীয়া বতাহক ব্যক্তিকৰণ (Personification) কৰা হৈছে কল্যাণকাৰী ৰূপত। কবি-কল্পনাৰ ই এক অত্যুত্তৰিত ৰূপ।

‘মেঘদূত’ত যক্ষ আৰু যক্ষ পত্নীৰ বা যক্ষৰ অভিশাপৰ কোনো কাহিনীৰ উল্লেখ নাই। কিন্তু ভাষ্যকাৰসকলে কোনো কোনো শ্লোকৰ মাজত কাহিনীৰ বীজ সোমাই থকা বুলি অনুমান কৰে। উল্লেখনীয় যে সংস্কৃতি সাহিত্যৰ লোককথাৰ এক বৃহৎ উৎস গ্ৰন্থ ‘বৃহৎ কথা’ বিলুপ্ত হৈ গৈছে। পৰৱৰ্তী সময়ৰ বহু কাব্য, ‘কথা সৰিৎসাগৰ’ আদি কথা গ্ৰন্থৰ উৎস এই বৃহৎ গ্ৰন্থ গুণাধ্যৰ ‘বৃহৎ কথা’ই আছিল। হয়তো ‘মেঘদূত কাব্য’ৰ লোককাহিনীও এই ‘বৃহৎ কথা’ৰ মাজত হেৰাই গৈছে। মহাকবি কালিদাসে সম্পূৰ্ণ নিজস্ব প্ৰতিভাৰে সেই লোককথাক সাৰ্বজনীন হিয়াৰ অনুভূতিৰ শক্তিশালী স্পন্দনশীল সম্পদ কৰি বিশ্বৰ যুগজয়ী মহান সৃষ্টিলৈ ৰূপান্তৰিত কৰিলে।

*ফোন ঃ ৯৮৬৪০৭৩০৭২*

# বিভিন্ন সময়ৰ দিনলিপি

## ডাঃ ভূপেন শইকীয়াৰ জীৱনৰ অন্তিম মুহূৰ্তৰ লেখা ঃ বিপন্ন সময়ৰ দিনলিপি ঃ আমি কোন দিশে যাত্ৰা কৰি আছো?

**এসময়ত** নিজে প্ৰতিষ্ঠা কৰা ‘কাটাৰ অসম সমাজ’ৰ সমজুৱা আৰু ইয়াৰ সদস্যসকলৰ গাইগুটীয়া অতিশয় ভাৱনাবিভোৰ বিদায়ৰ মুহূৰ্তবোৰৰ সামৰণি পৰাত কাটাৰৰ ৰাজধানী ডোহা এৰি অসম ভূমিত ভৰি দিলোহি।

ফেব্ৰুৱাৰীৰ মাজভাগত পৰিয়ালৰ সকলো সদস্য অৰ্থাৎ ইন্দোৰত থকা পো-বোৱাৰী, ডিব্ৰুগড়ৰ অসম মেডিকেলত অধ্যয়নৰত ডাঙৰ জী আৰু দিল্লীত কৰ্মৰত নুমলীয়া জী আটায়ে বহুদিনৰ মূৰত গুৱাহাটীৰ ঘৰত একত্ৰিত হ’লো। ঘৰত একেলগে এসপ্তাহ কাল কটোৱাৰ পাছত আমি পিতৃ-মাতৃক ঘৰত এৰি আটায়ে নিজ কৰ্মস্থলীলৈ ৰাওনা হ’ল। মাজতে এটা দিন গোটেই পৰিয়াল একেলগ হৈ মেঘালয়ৰ নংপো, মৰংগাৰ আৰু শ্বিলং উপভোগ কৰি আহিলোগৈ।

এতিয়া আহিল মোৰ নকৈ সংস্থাপনৰ কথা । সহপাঠী বন্ধু ডাঃ জগদীশ কাকতিয়ে পৰামৰ্শ দিলে ভঙাগড়ৰ তেওঁৰ গুৱাহাটী ডায়েগ্‌নষ্টিক চেণ্টাৰতে ক্লিনিক আৰম্ভ কৰাৰ। চেণ্টাৰটো যোগাযোগৰ সুচল হোৱাকৈ গুৱাহাটীৰ মধ্যস্থলত অৱস্থিত। দূৰণিবটীয়া ৰোগীৰ প্ৰয়োজনত ওচৰতে মিতব্যয়ী পৰিষ্কাৰ হোটেলো আছে। তদুপৰি চেণ্টাৰত লেব’ৰেটৰীৰ উপৰি ডিজিটেল এক্সৰে’ আৰু আলট্ৰাছাউণ্ডৰো সুবিধা উপলব্ধ। সেইমৰ্মে মই ২২ ফেব্ৰুৱাৰীৰ পৰা দিনৰ ১০ বজাৰ পৰা বিয়লি পাঁচ বজালৈ ক্লিনিকত বহিবলৈ আৰম্ভ কৰিলো।

যোৱা এটা মাহত গুৱাহাটীৰ, অসমৰ আৰু মেঘালয়ৰ ভালেকেইজন ৰোগী চালো। সেইসকলক মই বন্ধু নাইবা আত্মীয় যেন জ্ঞান কৰো। ‘ৰোগী’ শব্দটো যেন খাপ নাখায়, এনে লাগে মোৰ। বিপদত মোৰ কাষলৈ অহা সকলোৰে সমস্যা যেন মই অনায়াসে সমাধা কৰি দিম— মনে এনেকৈ বিচাৰে। পৰম আনন্দ আৰু সৌভাগ্যৰ কথা মোৰ পৰামৰ্শত বোধকৰো ৮০ শতাংশৰ শাৰীৰিক সমস্যাৰ হয় নিৰ্মূল নতুবা আহে নিয়ন্ত্ৰণলৈ। ইয়াৰে অধিকাংশৰে হাতত আছিল অসমৰ আৰু বাহিৰৰ বিখ্যাত বিখ্যাত চিকিৎসালয়ৰ জাপ জাপ নিদানপত্ৰ।

এই মুহূৰ্তত মোৰ মনলৈ আহে স্কুলীয়া দিনৰ শিক্ষাগুৰু ‘গুল্লুজী’ৰ আশিসবাণী— ‘ভাল চিকিৎসক হ’বলৈ হ’লে এজন ভাল মানুহো হ’বলৈ যত্নপৰ হ’বা।’

আকৌ কাকতালীয়ভাৱে বহু বছৰ আগতে এজনে মোৰ হাত চাই কৈছিল— ‘তোমাৰ হাতত শিৱৰ ত্ৰিশূল বিৰাজমান, যি দিয়া (খাক-ভবুট অৰ্থাৎ ধূলি-মাকতি) তাৰে ৰোগী আৰোগ্য হ’ব!’

সমান্তৰালভাৱে বিগত বহু বছৰৰ পৰা বিভিন্নজনক নেদেখাকৈয়ে অনলাইন চিকিৎসা আগবঢ়াই আহিছো। ৱাটছএপ’- ই’মেইল, মেছেঞ্জাৰ নাইবা টেলিফোনিক বাৰ্তাযোগে আনক সহায়ৰ হাত আগবঢ়াই বিমল সুখানুভূতি পাওঁ। ভাল লাগে যেতিয়া চিনাকি বা অচিনাকি কণ্ঠস্বৰে কয়— ‘আপোনাৰ

**ডাঃ ভূপেন শইকীয়া**

পৰামৰ্শত মই সুস্থ। মোৰ প্ৰেছাৰ, ছুগাৰ সকলো নৰ্মেল হৈছে।’ মই নিতৌ প্ৰাৰ্থনা কৰো— মোৰ হাতত তুলি দিয়া সেই যাদুদণ্ড! যাৰ স্পৰ্শত হয় নিৰ্মূল সকলোৰে দুখ-যাতনা! কৰি তোলা মোক অদম্য বিশ্বাস আৰু একান্ত ভৰসাৰ প্ৰতীক! মোক যেন স্পৰ্শ নকৰে কোনো অহংকাৰে!

পুচ্ছপট ঃ বৰ্তমান অসমত



আৰু আমাৰ দেশখনত কৰ’না মহামাৰী ৰোগ প্ৰতিৰোধৰ বাবে সম্পূৰ্ণ তলাবন্ধ চলি আছে। আশাকৰো এই দুঃসময়ৰ সোনকালে অন্ত পৰিব অসমৰ ধন-জনৰ আৰু অধিক ক্ষতি নোহোৱাকৈ। একান্ত ব্যক্তিগত কথাৰ এই ডায়েৰীক আত্মশ্লাঘা বুলি পাঠকে গণ্য নকৰে যেন।

(ৰচনাকাল ঃ ২৯ মাৰ্চ ২০২০, গুৱাহাটী, অসম)

### কোন দিশে আমি যাত্ৰা কৰি আছো?

আমি বৰ্তমান কাহানিও কল্পনা নকৰা দিন অতিবাহিত কৰি আছো। যোৱা তিনি-চাৰি মাহৰ আগলৈকে চলি থকা আমাৰ জীৱনশৈলীত আৰু দৈনন্দিন কাৰ্যক্ৰমণিকালৈ আহিল আমূল পৰিৱৰ্তন। কিছু কথা ভাল হ’ল আৰু কিছু কথা আমনিদায়ক বা অসুবিধাজনক হ’ল। ভৱিষ্যদ্বাণী কৰা টান আমি কোন দিশে যাত্ৰা কৰি আছো। আগৰ মুকলিমূৰীয়া দিনবোৰ কাহানিলৈ বা কেতিয়াকৈ ঘূৰাই পাম? নে বানপানীৰ লগত অসমৰ ৰাইজে সহাৱস্থান কৰাৰ দৰে এই মহামাৰীৰ স’তেও সহাৱস্থান কৰি দিনবোৰ অতিবাহিত কৰি যাব লাগিব? তেনে দিন চলি থাকিলে যিকোনো উৎসৱ উপলক্ষে একত্ৰিত হ’ব নোৱাৰিব। আলহীৰ আহ-যাহ হৈ পৰিব সীমিত। পৰিচয় বা বিদায় বেলাত হাত মিলোৱা, আঁকোৱালি লোৱা সম্ভৱ হৈ নুঠিব। নাক-মুখ ঢাকিবলৈ ব্যৱহাৰ কৰা মাস্ক হৈ পৰিছে এবিধ অপৰিহাৰ্য বস্ত্ৰ। খেল-ধেমালি বা যিকোনো ৰং-ৰহইচৰ মুহূৰ্তত এজনে আনজনক স্পৰ্শ কৰিব নোৱাৰিব। অতিকৈ দুখৰ কথা, সাম্প্ৰতিক পৰিস্থিতিত বহু লোকে কৰ্মসংস্থাপন হেৰুওৱাৰ বা উপাৰ্জনহীনতাৰ আশংকাত নিদ্ৰাহীন জীৱন যাপন কৰিবলগীয়া হৈছে।

ভাল কামকেইটা হৈছে প্ৰকৃতি আৰু আমাৰ চৌদিশৰ বাতাবৰণ প্ৰদূষণমুক্ত হ’ব ধৰিছে। সেয়া সম্ভৱ হৈ উঠিছে কল-কাৰখানা আৰু যানবাহনৰ সীমিত ব্যৱহাৰৰ হেতুকে। থুই-পিক, আৱৰ্জনা য’তে-ত’তে নেপেলোৱাৰ বাবে বজাৰ, নগৰ, গ্ৰামাঞ্চলৰ সকলোৰে বাট-পথবোৰ পৰিচ্ছন্ন হ’বলৈ ধৰিছে। আজিৰ যান্ত্ৰিকতাৰ দিনতো মানুহে পৰিয়ালৰ সকলোৰে স’তে একগোট হৈ সময় কটোৱাৰ সুযোগ পাইছে। কিছু পৰিমাণে হ’লেও মানুহে আনৰ দুখ-দুৰ্গতি বুজাৰ অৱকাশ পাইছে। সৃষ্টি কৰ্মত আত্মনিয়োগ কৰাৰ বাবে কিছু সময় দিব পাৰিছে। সমাজত অপৰাধৰ মাত্ৰা কিছু হ’লেও হ্ৰাস পাইছে। পৰিস্থিতিয়ে আমাক শিকালে পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিবলৈ। পিছে অনিৰ্দিষ্ট কাললৈ জীৱনত এটা এচিন ৰোগত ৰোগাক্ৰান্ত হোৱাৰ ভয়, বান্ধোনৰ মাজত চলা দিনপঞ্জী— এনে একঘেয়ামি এটা সময়ত বিৰক্তিদায়ক হৈ উঠিব পাৰে।

চীনৰ পৰা আৰম্ভ হোৱা কৰ’না ভাইৰাছৰ মহামাৰী Hubei




প্ৰদেশৰ ৰাজধানী উহান (Wuhan) চহৰৰ মাংসৰ বজাৰখনৰ পৰাই বিয়পিবলৈ ধৰে বুলি বিজ্ঞানীসকলে মত পোষণ কৰিছে। সেইখন বজাৰত বাদুলি, সাপ, বেং, সাগৰীয় মাছ, কুকুৰ, মেকুৰী, এন্দুৰ, নিগনি, পোক-পতংগ সকলো বিক্ৰী হয়। উহান বজাৰৰ ৰেস্তোৰাঁত বাদুলিৰ চুপ, সাপৰ মাংস আদি সহজলব্ধ জনপ্ৰিয় খাদ্য। এনে দূষিত খাদ্য গ্ৰহণ কৰাৰ ফলতেই মানৱ দেহলৈ কৰ’না ভাইৰাছৰ আগমন ঘটিল। বিগত বছৰৰ ৩১ ডিচেম্বৰত উহানত ধৰা পৰে এই অসুখত আক্ৰান্ত প্ৰথমজন ৰোগী। বিশ্ব স্বাস্থ্য সংস্থাই এই ভাইৰাছৰ নামকৰণ কৰে ‘নৱেল কৰ’না ভাইৰাছ’ আৰু ৰোগটোৰ নাম দিয়ে ‘ক’ভিড-১৯। আদ্যপৰিমিত বিশ্বৰ ২১ খন দেশলৈ বিয়পি পৰা কৰ’না ভাইৰাছে কৰা মহামাৰীৰ দ্বাৰা আক্ৰান্ত লোকৰ সংখ্যাই ৪৭ লাখৰ সংখ্যা অতিক্ৰম কৰিছে আৰু ঘোষিত মৃতকৰ সংখ্যা হ’ল প্ৰায় তিনি লাখ। আমাৰ ভাৰতত এই লেখা যুগুত কৰালৈ প্ৰায় এক লাখজন আক্ৰান্ত হৈছে আৰু তাৰে তিনি হেজাৰৰ অধিকজনৰ প্ৰাণহানি হৈছে। অসমত আক্ৰান্তসকলৰ চাৰিগৰাকীৰ প্ৰাণহানি ঘটিছে। এইসংখ্যাসমূহ অতি দ্ৰুতগতিত বৃদ্ধি হোৱাটো সমগ্ৰ বিশ্বৰ মানৱ জাতিৰ বাবে অতিশয় উদ্বিগ্নতাৰ বিষয় হৈ পৰিছে। কিয়নো এই মহামাৰীৰ কোনো চিকিৎসা বা প্ৰতিষেধক এতিয়ালৈ আৱিষ্কৃত হোৱা নাই। নেদেখা ভাইৰাছৰ সংস্পৰ্শলৈ নহাকৈ নিজক বচাই ৰখাটোৱেই একমাত্ৰ সুৰক্ষাৰ উপায় বুলি বৰ্তমান বিবেচিত হৈছে।

এই কালান্তক মহামাৰীয়ে সমগ্ৰ বিশ্বৰ অৰ্থনীতিৰ যি ক্ষতি কৰিলে, তাৰ আংকলন কেৱল সময়েহে কৰিব পাৰিব। আজিৰ তাৰিখত বিশ্বৰ কোনেও নিশ্চয়তা দি ক’ব পৰা নাই— এই ভয়ংকৰ দুৰ্যোগৰ কেতিয়া অন্ত পৰিব। আনকি বিশ্ব স্বাস্থ্য সংস্থাৰ মতেও এই মহামাৰীৰ অৱস্থিতি দীৰ্ঘম্যাদী হ’ব।

# প্ৰমোদ চন্দ্ৰ মেধি এক অনাবিল যাত্ৰা




**হাজো** উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা সেই অঞ্চলৰ এজন বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী আৰু সাহিত্যসেৱী প্ৰমোদ চন্দ্ৰ মেধিৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে প্ৰকাশ কৰা প্ৰমোদ চন্দ্ৰ মেধি এক অনাবিল যাত্ৰা এখন উপাদেয় গ্ৰন্থ। ড° হৰেন দাস, ড° পবিত্ৰ কুমাৰ পাটোৱাৰী, ড° তিলক চন্দ্ৰ মজুমদাৰ, ড° ৰামচৰণ ভৰালী, ড° উত্তম চন্দ্ৰ দাস, থানেশ্বৰ মালাকাৰ, গুণেশ্বৰ কৈৱৰ্ত, প্ৰসন্ন দাস প্ৰমুখ্যে ভালেসংখ্যক বুদ্ধিজীৱী আৰু বিশিষ্ট লেখকৰ উপৰি প্ৰমোদ মেধিৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংখীৰ লেখনি সম্ভাৰেৰে সৰ্বেশ্বৰ বৰুৱাই সম্পাদনা কৰা গ্ৰন্থখনত প্ৰমোদ মেধিৰ সমগ্ৰ জীৱন পৰিক্ৰমা উজ্বলি উঠিছে। একেধাৰে এজন শিক্ষাবিদ, সাহিত্যসেৱী, সমাজকৰ্মী হিচাপে মেধিৰ দীৰ্ঘদিনীয়া সমাজ জীৱনৰ সকলো দিশ ভিন্নজন লেখকে বিশ্লেষণ কৰিছে। মুক্তিযোদ্ধা ডাঃ সম্ভূৰাম মেধিৰ জ্যেষ্ঠ পুত্ৰ হিচাপে প্ৰমোদ মেধিয়ে সৰু কালৰে পৰা হাজোৰ সমাজখনৰ লগত নেৰা-নেপেৰাভাৱে সংযুক্ত হৈ আছিল। শিক্ষা শেষ কৰাৰ পাছত তেওঁ অন্য চাকৰিৰ প্ৰতি মন নেমেলি শিক্ষকতাকে জীৱনৰ ব্ৰতৰূপে পালন কৰি হাজো উঃ মাঃ স্কুলত সুদীৰ্ঘ দিন শিক্ষকতা কৰি শেষত অধ্যক্ষ হিচাপে অংশগ্ৰহণ কৰে। অৱসৰ গ্ৰহণ কৰাৰ পাছতো তেওঁ সাহিত্য সমাজ সেৱা আদিত নিৰৱিচ্ছিন্নভাৱে লাগি থাকে। হাজোত অসম সাহিত্য সভাৰ অধিৱেশন অনুষ্ঠিত কৰাত তেওঁৰ ভূমিকা আছিল অগ্ৰণী। গাম্ভীৰ্যপূৰ্ণ ব্যক্তিত্ব বজাই ৰখা মেধিৰ হাজোৰ এজন সুযোগ্য সন্তান আছিল। তেওঁৰ প্ৰথম মৃত্যু তিথিত এই পুথিখন প্ৰকাশ তেওঁৰ পৰিয়ালবৰ্গই এক মহৎ কৰ্মসাধন কৰিছে। মেধিৰ আদৰ্শ আৰু গুণাৱলী এই কিতাপত সংপৃক্ত হৈ আছে। তেওঁ কায়িকভাৱে নাথাকিলেও তেওঁৰ সমগ্ৰ জীৱন কিতাপখনত উদ্ভাষিত হৈ উঠিছে। সঁচা অৰ্থত এই কিতাপখনে প্ৰমোদ চন্দ্ৰ মেধিক জীয়াই ৰাখিব। এয়া তেওঁৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি। হাজো অঞ্চলৰ বিষয়ে জানিব খোজা বহু তথ্য পাঠকসকলে কিতাপখনত পাব। হাজো অঞ্চলৰ ই এখন বুৰঞ্জী হিচাপে স্বীকৃত পোৱাৰ যোগ্য। সুন্দৰ পকাবন্ধা কিতাপখনে সকলো পাঠককে সমানেই ৰস দিব বুলি আমাৰ ধাৰণা। মেধিৰ আদৰ্শই সকলোকে আপ্লুত কৰক—তাৰেই কামনা।

**গুণেশ্বৰ কৈৱৰ্ত,** *ফোন ঃ ৭৮৯৬৯২৫৩৮৮*

## কীম জং উন শাসিত দেশত একাপ চাহৰ মূল্য ৫১০০ টকালৈ বৃদ্ধি, এক কিলো কল ৩,৩৩৬ টকাত বিক্ৰী

# বন্ধ সীমান্ত ঃ উত্তৰ কোৰিয়াত মাত্ৰ দুমাহৰ খাদ্য মজুত আছে

**নিউজ ব্যুৰ’ পিয়ংইয়ং, ২০ জুন ঃ** কৰ’না ভাইৰাছৰ সংক্ৰমণৰ মাজতে উত্তৰ কোৰিয়াত খাদ্যৰ সংকটে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। প্ৰকাশিত তথ্য অনুসৰি কীম জং উন শাসিত দেশখনত সম্প্ৰতি মাত্ৰ দুমাহৰ খাদ্য মজুত আছে। বৰ্তমানে উত্তৰ কোৰিয়াত একাপ চাহৰ মূল্য ৫১০০ টকালৈ বৃদ্ধি পাইছে। আনহাতে, দেশখনত প্ৰতি কাপ কফিৰ মূল্য হৈছে ৭৩০০ টকা। এক কিলো কল বিক্ৰী হৈছে ৩,৩৩৬ টকাত। উত্তৰ কোৰিয়াই কৰ’নাৰ ভয়াৱহ সংক্ৰমণ ৰোধ কৰিবলৈ চীনৰে দীৰ্ঘদিন ধৰি সীমান্ত বন্ধ কৰি ৰাখিছে। ফলত দেশখনলৈ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ আমদানি ব্যাহত হৈছে। তদুপৰি চলিত বৰ্ষৰ আৰম্ভণিতে দেশখনত হোৱা সামুদ্ৰিক ধুমুহাৰ ফলত কৃষি ক্ষেত্ৰৰ ব্যাপক লোকচান হৈছিল। সেয়েহে বৰ্তমানে উত্তৰ কোৰিয়াবাসীয়ে দুবেলা দুসাঁজ আহাৰৰ বাবে হাহাকাৰ কৰিব লগা হৈছে। এনে সংকটৰ মাজতে দেশখনত এতিয়া মাত্ৰ দুমাহৰ বাবেহে প্ৰয়োজনীয় খাদ্য দ্ৰব্য মজুত আছে। উল্লেখ্য যে ১৯৯০ বৰ্ষতো উত্তৰ কোৰিয়াত ভয়াৱহ খাদ্যৰ নাটনিয়ে দেখা দিছিল। উক্ত বৰ্ষত দেশখনত ৩০ লাখ লোকৰ দুৰ্ভিক্ষত মৃত্যু হৈছিল।





## চিকিৎসাৰ বাবে আমেৰিকালৈ গ’ল দক্ষিণৰ মহাতাৰকা ৰজনীকান্ত

**নিউজ ব্যুৰ’ চেন্নাই, ২০ জুন ঃ** উন্নত চিকিৎসা গ্ৰহণৰ বাবে আমেৰিকালৈ উৰা মাৰিলে দক্ষিণ ভাৰতৰ মহাতাৰকা অভিনেতা ৰজনীকান্তে। অভিনেতাজনৰ স’তে তেওঁৰ পত্নী লতা ৰজনীকান্তেও আমেৰিকালৈ যাত্ৰা কৰিছে। যোৱা নিশা চেন্নাই আন্তৰ্জাতিক বিমানকোঠৰ পৰা দক্ষিণৰ এইজন জনপ্ৰিয় অভিনেতা আমেৰিকা অভিমুখে ৰাওনা হৈছিল। ৰজনীকান্তৰ স্বাস্থ্যৰ সন্দৰ্ভত এই বাতৰি সামাজিক মাধ্যমৰ জৰিয়তে বিয়পি পৰাত তেওঁৰ অনুৰাগীসকলে উৎকণ্ঠা প্ৰকাশ কৰিছে। অভিনেতাজনৰ পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰা মতে, কিছু বছৰ পূৰ্বে ৰজনীকান্তৰ বৃক্কৰ প্ৰতিষ্ঠাপন কৰা হৈছিল আৰু নিয়মমাফিক পৰীক্ষণৰ বাবে ৭০ বছৰীয়া অভিনেতাজন আমেৰিকালৈ গৈছে। উল্লেখ্য যে যোৱা বছৰৰ অন্তিমভাগত ৰজনীকান্তে নিজৰ দল গঠন কৰি ৰাজনীতিত প্ৰৱেশৰ কথা ঘোষণা কৰিছিল যদিও হঠাতে অসুস্থ হোৱাত তেওঁ ৰাজনীতিৰ পৰা বিৰত থকাৰ সিদ্ধান্ত লৈছিল।

## তালিবানৰ ঘোষণা ঃ আফগানিস্তানত ইছলামিক আইন প্ৰৱৰ্তনে হৈছে লক্ষ্য



**নিউজ ব্যুৰ’, কাবুল, ২০ জুন ঃ** আফগানিস্তানত তালিবানে ইছলামিক আইন প্ৰৱৰ্তন কৰিব বিচাৰিছে। আফগানিস্তানত তালিবানে নিজৰ নীতি আৰু উদ্দেশ্য ব্যাখ্যা কৰি স্পষ্টভাৱে কয় যে দেশখনত শান্তি স্থাপন কৰাৰ বাবে তেওঁলোক প্ৰতিশ্ৰুতিবদ্ধ যদিও তালিবানৰ মূল লক্ষ্য হৈছে আফগানিস্তানত ইছলামিক আইন ব্যৱস্থা বলৱৎ কৰা। তালিবানে লগতে কয় যে তেওঁলোকে দেশখনত ইছলামিক নিয়ম অনুসৰি মহিলাসকলক অধিকাৰ প্ৰদানৰ পোষকতা কৰে। তালিবানৰ এই ঘোষণাৰ ফলত দেশখনৰ মহিলাসকলৰ লগতে আফগান চৰকাৰৰো উদ্বেগ বৃদ্ধি পালে।

## বিশ্বত পুনৰ কৰ’নাত আক্ৰান্ত ৩.১৫ লাখ, মৃত্যু ৭,৭৫৫ জনৰ



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ২০ জুন ঃ** বিশ্বজুৰি বিগত ২৪ ঘণ্টাত পুনৰ কৰ’নাত আক্ৰান্ত হ’ল তিনি লাখ ১৫ হেজাৰ ৫১৪ জন লোক। এই সময়ছোৱাত সুস্থ হৈ উঠিল কৰ’নাত আক্ৰান্ত তিনি লাখ ৬০ হেজাৰ ৮৭২ জন ৰোগী। বিগত ২৪ ঘণ্টাত ক’ভিডত বিশ্বৰ বিভিন্ন দেশত প্ৰাণ হেৰুৱালে ৭,৭৫৫ জন লোকে। বৰ্তমানে বিশ্বৰ ভিতৰতে সৰ্বাধিক সংখ্যক লোক ক’ভিডত আক্ৰান্ত আৰু মৃত্যু হৈছে ব্ৰাজিলত। দেশখনত ইতিমধ্যে ক’ভিডত মৃতকৰ সংখ্যাই পাঁচ লাখৰ সীমা অতিক্ৰম কৰিলে। বৰ্তমানলৈকে ব্ৰাজিলত কৰ’নাত পাঁচ লাখ ৮৬৮ জন লোকৰ প্ৰাণহানি হৈছে। আমেৰিকাত বৰ্তমানলৈকে বিশ্বৰ ভিতৰতে সৰ্বাধিক ছয় লাখ ১৭ হেজাৰ ৮৩ জন ক’ভিড ৰোগীৰ মৃত্যু হৈছে। বৰ্তমানলৈকে বিশ্বত ১৭.৮৯ কোটিৰো অধিক লোক ক’ভিডত আক্ৰান্ত হ’ল। আনহাতে, বিশ্বজুৰি এতিয়ালৈকে ৩৮.৭৪ লাখৰো অধিক লোকৰ ক’ভিডত প্ৰাণহানি ঘটিছে। বৰ্তমানে বিশ্বত ১.১৫ কোটি ক’ভিড ৰোগী চিকিৎসাধীন হৈ আছে।

## ব্ৰাজিলত কৰ’নাত মৃতকৰ সংখ্যা পাঁচ লাখলৈ বৃদ্ধি, ৰাষ্ট্ৰপতি বলছ’নাৰোৰ বিৰুদ্ধে দেশজুৰি বিক্ষোভ

**নিউজ ব্যুৰ’, ছাও পাউলো, ২০ জুন ঃ** ব্ৰাজিলত ক’ভিড-১৯ত মৃতকৰ সংখ্যাই পাঁচ লাখৰ সীমা অতিক্ৰম কৰিলে। আমেৰিকাৰ পাছত বিশ্বৰ দ্বিতীয়খন দেশ হিচাপে ব্ৰাজিলত ইমান বৃহৎসংখ্যক লোকৰ কৰ’নাত মৃত্যু হ’ল। কৰ’নাৰ এনে ঘাতক সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত দেশখনত সম্প্ৰতি চৰকাৰবিৰোধী ব্যাপক বিক্ষোভে দেখা দিছে। ব্ৰাজিলৰ ৰাষ্ট্ৰপতি জাইৰ’ বলছ’নাৰোক দোষাৰোপ কৰি দেশবাসীয়ে ৰাষ্ট্ৰপতিৰ ব্যৰ্থতাৰ ফলতে সাধাৰণ ৰাইজে কৰ’নাত হাহাকাৰ কৰিব লগা হৈছে বুলি অভিযোগ উত্থাপন কৰিব লগা হৈছে। উল্লেখ্য যে ৰাষ্ট্ৰনেতা হিচাপে বলছ’নাৰোৱে ক’ভিডৰ সংক্ৰমণৰ আৰম্ভণিৰে পৰা কৰ’নাত অৱহেলা কৰি আহিছে। ৰাষ্ট্ৰপতিৰ এনে আওকণীয়া মনোভাবৰ ফলতে দেশখনত ক’ভিড-১৯ৰ সংক্ৰমণ ব্যাপক হোৱা বুলি সহস্ৰাধিক লোকে অভিযোগ কৰি ৰিঅ’ ডি জেনেইৰ’ৰ ৰাজপথত কালি ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিছিল। প্ৰতিবাদকাৰীসকলে হাতত পতাকা, বেনাৰ লৈ চৰকাৰ বিৰোধী শ্ল’গান দিছিল। বলছ’নাৰোক ৰাষ্ট্ৰপতিৰ পদ ত্যাগ কৰিবলৈকো এইসকল প্ৰতিবাদকাৰীয়ে দাবী জনাইছে। ব্ৰাজিলৰ ২৬খন প্ৰদেশৰ ২ ২২ খনতে সম্প্ৰতি এনে চৰকাৰীবিৰোধী প্ৰতিবাদ অব্যাহত আছে।




## পুনে বিশ্ববিদ্যালয়ত স্নাতক-স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ



**নিউজ ব্যুৰ’, পুনে, ২০ জুন ঃ** সাবিত্ৰীবাই ফুলে পুনে ইউনিভাৰচিটীয়ে ২০২১-২২ শিক্ষাবৰ্ষৰ বাবে স্নাতক, স্নাতকোত্তৰসহ অন্যান্য ডিপ্ল’মা পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিলে। স্নাতক, স্নাতকোত্তৰ, ডিপ্ল’মা এণ্ড ইণ্টিগ্ৰেটেড পি জি আৰু পি এইচ ডি পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনলাইন আবেদন প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ছাত্ৰ-ছাত্ৰীয়ে অহা চাৰি জুলাইৰ ভিতৰত আবেদন দাখিল কৰিব পাৰিব। নাম পঞ্জীয়নৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ ৱেবছাইট unipune.ac.in ভিজিট কৰি আবেদন জমা দিব লাগিব। পুনে বিশ্ববিদ্যালয়ে বিভিন্ন পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনলাইন প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰে। অহা ১৫ জুলাইৰ পাছত এই প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। বিভিন্ন পাঠ্যক্ৰম আৰু নামভৰ্তিৰ নিয়ম-নীতিৰ সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীয়ে অধিক তথ্য আহৰণৰ বাবে বিশ্ববিদ্যালয়ৰ ৱেবছাইট ভিজিট কৰিব পাৰিব। উল্লেখ্য যে বিশ্ববিদ্যালয়খনে ৫২টাৰো অধিক বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীৰ পাঠ্যক্ৰম পৰিচালনা কৰি আহিছে।

# ছুইচ বেংকত ভাৰতীয়ৰ ধন বাঢ়িছে কিয় ? ব্যাখ্যা কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ৰ

**নিউজ ব্যুৰ’, নতুন দিল্লী, ২০ জুন ঃ** কেন্দ্ৰত প্ৰথমবাৰ ক্ষমতা দখলৰ পাছতে বিদেশৰ পৰা ভাৰতীয়ৰ ক’লা ধন ওভতাই অনাৰ একাধিক প্ৰতিশ্ৰুতি দিছিল নৰেন্দ্ৰ মোদীৰ চৰকাৰে। কিন্তু বাস্তৱত দুবাৰকৈ মোদী চৰকাৰ গঠন হোৱাৰ পাছতো ই স্বপ্ন হৈয়ে ৰ’ল। বিদেশৰ পৰা ভাৰতীয়ৰ ক’লা ধন ওভতাই অনাটো বাদেই, দিনকদিনে ছুইচ বেংকত ভাৰতীয়ৰ জমাৰ পৰিমাণ বৃদ্ধিহে পাইছে। ২০২০ বৰ্ষত ছুইচ বেংকত ভাৰতীয়ৰ জমা ধনৰ পৰিমাণ বৃদ্ধি পালে ২০,৭০০ কোটি টকালৈ। ১৩ বছৰৰ ভিতৰতে ই হৈছে সৰ্বাধিক জমা। ২০১৮ আৰু ২০১৯ বৰ্ষত ছুইচ বেংকত ভাৰতীয়ৰ জমা ধনৰ পৰিমাণ কিছু হ্ৰাস পাইছিল। কিন্তু ২০২০ বৰ্ষত হঠাতে ২৮৬ শতাংশ বৃদ্ধি পালে। কিন্তু কিয় ছুইচ বেংকত ভাৰতীয়ৰ জমা ধনৰ পৰিমাণ ইমান বৃদ্ধি পালে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে এই সন্দৰ্ভত এক ব্যাখ্যা আগবঢ়াই কয় যে ছুইচ বেংকৰ জমা ধন মানেই কৰ ফাকি দিয়া ক’লা ধন নহয়। ‘ভাৰতীয়ই ছুইচ বেংকত ক’লা ধন ৰখা নাই। এই পৰিসংখ্যা মুঠেও বহু চৰ্চিত ক’লা ধনৰ পৰিমাণৰ নহয়। ছুইচ বেংক কৰ্তৃপক্ষই যি পৰিমাণৰ ধন বৃদ্ধিৰ কথা প্ৰকাশ কৰিছে সেয়া সঠিক। কিন্তু এই ধন হিচাপ বহিৰ্ভূত ধন হয় নে নহয় সেই তথ্য প্ৰতিবেদনত উল্লেখ কৰা নাই। ব্যৱসায়িক লেনদেন বৃদ্ধিৰ ফলতে হয়তো ছুইচ বেংকত ধনৰ পৰিমাণ বাঢ়িছে।’





## আজিৰে পৰা স্বাভাৱিক ছন্দলৈ উভতিব ৰাজধানী দিল্লী

**নিউজ ব্যুৰ’ নতুন দিল্লী, ২০ জুন ঃ** হ্ৰাস পাইছে কৰ’নাৰ সংক্ৰমণ। সোমবাৰৰ পৰা পুনৰ স্বাভাৱিক জীৱন যাত্ৰাৰ ছন্দলৈ উভতি আহিব দিল্লী। অৰবিন্দ কেজৰিয়াল চৰকাৰে আজি এই কথা প্ৰকাশ কৰি জনোৱা মতে, ২১ জুনৰ পৰা দেশৰ ৰাজধানী চহৰখনৰ সকলোবোৰ হোটেল, ৰেস্তোৰাঁৰ লগতে পানশালাসমূহ পুনৰ মুকলি কৰা হ’ব। তদুপৰি দিল্লীৰ সকলোবোৰ উদ্যান আৰু গ’ল্ফ ক্লাবো সোমবাৰৰ পৰা মুকলি হ’ব। চহৰৰ পানশালাসমূহ ৫০ শতাংশ গ্ৰাহকৰে দিনৰ ১০ বজাৰ পৰা নিশা ১০ বজালৈকে খোলা ৰাখিব পাৰিব। একেদৰে ৰেস্তোৰাঁসমূহ পুৱা আঠ বজাৰ পৰা নিশা ১০ বজালৈ খোলা ৰাখিব পাৰিব।

## পঞ্জাৱত আপক শক্তিশালী কৰাৰ পৰিকল্পনা কেজৰিৱালৰ, আই পি এছ বিষয়াই যোগ দিব দলত

**নিউজ ব্যুৰ’ নতুন দিল্লী, ২০ জুন ঃ** আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে কাইলৈ পঞ্জাৱত উপস্থিত হ’ব। অহা বছৰত পঞ্জাৱত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ’ব আৰু এই নিৰ্বাচনৰ পূৰ্বে আপৰ ভেটি ৰাজ্যখনত শক্তিশালী কৰিবলৈ বিশেষ পৰিকল্পনা যুগুত কৰিছে দলটোৰ মুৰব্বী নেতাজনে। উল্লেখ্য যে কিছুদিন পূৰ্বে কেজৰিৱালে গুজৰাট ভ্ৰমণ কৰি দলৰ ভেটি ৰাজ্যখনত সবল কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছিল। গুজৰাটতো অহা বছৰত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ’ব। দিল্লীৰ পাছত কেজৰিৱালে গুজৰাট আৰু পঞ্জাৱত আপৰ ক্ষমতা বৃদ্ধিৰ চেষ্টা চলাইছে। আজি এক টুইটত দিল্লীৰ মুখ্যমন্ত্ৰীজনে পঞ্জাৱ ভ্ৰমণ সন্দৰ্ভত কয়, ‘পঞ্জাৱে পৰিৱৰ্তন বিচাৰিছে। কেৱল আম আদমী পাৰ্টিহে এতিয়া এক আশা। কাইলৈ অমৃতসৰত লগ পাম।’ প্ৰকাশিত বাতৰি অনুসৰি, কেজৰিৱালৰ এই পঞ্জাৱ ভ্ৰমণত ভাৰতীয় আৰক্ষী সেৱা (আই পি এছ)ৰ প্ৰাক্তন বিষয়া কোঁৱৰ বিজয় প্ৰতাপ সিঙে আপত আনুষ্ঠানিকভাৱে যোগদান কৰাৰ সম্ভাৱনা আছে।



## কৰ’নাৰ প্ৰতি লক্ষ্য ৰাখি নেতাই অৱলম্বন কৰিব অত্যাধুনিক পদ্ধতিৰ

# নেতা নহয়, পঞ্জাৱৰ নিৰ্বাচনত ভাষণ দিব ৰ’বটে

**নিউজ ব্যুৰ’, চণ্ডীগড়, ২০ জুন ঃ** কৰ’না সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি পঞ্জাৱৰ বিধানসভাৰ নিৰ্বাচনত নেতাই প্ৰচাৰৰ ক্ষেত্ৰত অৱলম্বন কৰিব অত্যাধুনিক পদ্ধতিৰ। ২০২২ত পঞ্জাৱত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ’ব আৰু এই নিৰ্বাচনত প্ৰচাৰ চলাবলৈ সাজু হৈছে নেতা নহয়, ৰ’বটহে। মানৱ আকৃতিৰ এনে ৰ’বট এইবাৰ ৰাজ্যখনৰ নিৰ্বাচনী প্ৰচাৰত ব্যৱহাৰ কৰাৰ সম্ভাৱনা আছে। ৱানষ্টেণ্ড ইণ্ডিয়া প্ৰাইভেট লিমিটেড নামৰ কোম্পানীটোৱে ইতিমধ্যে দূত নামৰে এনে মানৱ আকৃতিৰ ৰ’বট তৈয়াৰ কৰি উলিয়াইছে, যি ৰ’বটে পৃথক পৃথক কণ্ঠস্বৰ চিনাক্ত কৰিব পাৰে আৰু মানুহৰ দৰে ভাব-ভংগী প্ৰকাশ কৰিব পাৰে। কোম্পানীটোৱে প্ৰকাশ কৰা মতে, ২০২২ত উত্তৰ প্ৰদেশ, পঞ্জাৱ, উত্তৰাখণ্ড, হিমাচল প্ৰদেশ, গোৱা আৰু গুজৰাটত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ’ব আৰু এইসমূহ নিৰ্বাচনত নেতাৰ হৈ ভাষণ ৰাখিব ৰ’বটে। কৰ’না কালত নিৰাপত্তাৰ কথা বিবেচনা কৰি এনে বিশেষ প্ৰযুক্তিসমৃদ্ধ ৰ’বট কোম্পানীটোৱে তৈয়াৰ কৰি উলিয়াইছে। উল্লেখ্য যে যোৱা এপ্ৰিলত তামিলনাডুৰ বিধানসভাৰ নিৰ্বাচনত আই এম এম কে দলে প্ৰথমবাৰৰ বাবে এনে মানৱ আকৃতিৰ ৰ’বটৰে নিৰ্বাচনৰ প্ৰচাৰ চলাইছিল। এইবাৰ পঞ্জাৱত বিধানসভাৰ নিৰ্বাচনত ব্যৱহাৰ কৰা হ’ব এনে ৰ’বট। কৃত্ৰিম বুদ্ধিমত্তা সমৃদ্ধ এই ৰ’বটে যিকোনো নেতাৰ হৈ ভাষণ দিয়াৰ পৰা আৰম্ভ কৰি নিৰ্বাচনৰ সকলো ধৰণৰ প্ৰচাৰ নিখুঁতভাৱে চলাবলৈ সক্ষম বুলি ইয়াৰ নিৰ্মাতা প্ৰতিষ্ঠানটোৱে দাবী কৰিছে।



## প্ৰতিষেধকৰ মূল্যৰ গোপনীয়তা লংঘন নেপালৰ, অসন্তুষ্ট চীন



**নিউজ ব্যুৰ’, কাঠমাণ্ডু, ২০ জুন ঃ** চীনৰ পৰা প্ৰতিষেধক ক্ৰয়ৰ সময়ত নেপাল আৰু বেইজিঙৰ এক চুক্তি স্বাক্ষৰিত হৈছিল। চীনৰ চিনোফাৰ্মৰ প্ৰতিষেধকৰ ৪০ লাখ পালি কাঠমাণ্ডুৱে ক্ৰয়ৰ বাবে চুক্তি স্বাক্ষৰ কৰিছিল। চুক্তি স্বাক্ষৰ কৰাৰ সময়ত উক্ত প্ৰতিষেধকৰ মূল্য আৰু যোগান বিষয়ক সকলো তথ্য উভয় দেশে গোপনে ৰাখিব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু অলপতে নেপালৰ একাংশ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অনুসৰি, চীনৰ পৰা নেপালে ক্ৰয় কৰা প্ৰতি পালি প্ৰতিষেধকৰ মূল্য আছিল ১০ ডলাৰ। নেপালে এইদৰে প্ৰতিষেধকৰ মূল্য ৰাজহুৱা কৰাত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিলে বেইজিঙে। চিনোফাৰ্মে সংবাদ মাধ্যমত এইদৰে প্ৰতিষেধকৰ মূল্য ৰাজহুৱা হোৱাৰ বাবে নেপাল চৰকাৰক দোষাৰোপ কৰিছে।

## কুলভূষণ প্ৰসংগত পাকিস্তানৰ আত্মপক্ষ সমৰ্থন, বিধেয়ক সন্দৰ্ভত ভাৰতৰ বিৰোধিতাক কৰিলে অস্বীকাৰ



**নিউজ ব্যুৰ’, ইছলামাবাদ, ২০ জুন ঃ** পাকিস্তানৰ কাৰাগাৰত বন্দী হৈ থকা মৃত্যুদণ্ডৰ ৰায়প্ৰাপ্ত ভাৰতীয় নাগৰিক কুলভূষণ যাদৱ প্ৰসংগত পাকিস্তানৰ নেচনেল এছেম্বলীত গৃহীত বিতৰ্কিত বিধেয়কৰ সন্দৰ্ভত ভাৰতে কৰা অভিযোগক অস্বীকাৰ কৰিলে পাকিস্তান চৰকাৰে। পাকিস্তানে ভাৰতে জনোৱা আপত্তিক একাষৰীয়া কৰি পাকিস্তানৰ নেচনেল এছেম্বলীত গৃহীত হোৱা উক্ত বিধেয়কখনত সঠিক আখ্যা দিয়ে। ভাৰতে সদ্যগৃহীত বিধেয়কখনৰ বিৰোধিতা কৰি কৈছিল যে এই বিধেয়কখন আন্তঃৰাষ্ট্ৰীয় আদালতে উল্লেখ কৰা বহু কথাক উলংঘন কৰিছে আৰু এনে বিধেয়কে ভাৰতীয় বন্দী কুলভূষণৰ দৰে আন বহু ৰাজনৈতিক বন্দীৰ ক্ষতি কৰাৰ যথেষ্ট সম্ভাৱনা আছে। পাকিস্তানে ভাৰতৰ এই অভিযোগ অস্বীকাৰ কৰি কয় যে ভাৰতে আন্তঃৰাষ্ট্ৰীয় আদালতৰ সিদ্ধান্তৰ ভুল ব্যাখ্যা আগবঢ়াইছে। পাকিস্তানৰ বৈদেশিক মন্ত্ৰণালয়ে লগতে দাবী কৰি কয় যে আন্তঃৰাষ্ট্ৰীয় ন্যায় আদালতৰ নিৰ্দেশনা পালন কৰিয়ে উক্ত বিধেয়কখন দেশখনৰ সংসদত গৃহীত কৰা হৈছে।

# মাৰ্কিন সেনাক নিজ দেশৰ ভূমি ব্যৱহাৰৰ অনুমতি দিব নে পাকিস্তানে ?



**নিউজ ব্যুৰ’, ইছলামাবাদ, ২০ জুন ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে স্পষ্টভাৱে কয় যে আফগানিস্তানত কোনো আক্ৰমণ সংঘটিত কৰিবলৈ আমেৰিকাৰ সেনাবাহিনীক পাকিস্তানে কেতিয়াও নিজ দেশৰ ভূমিত ঘাটি পাতিবলৈ নিদিয়ে। পাক প্ৰধানমন্ত্ৰীজনে এই কথা প্ৰকাশ কৰি লগতে কয় যে যিকোনো ধৰণৰ আক্ৰমণ সেয়া লাগিলে সন্ত্ৰাসবাদ বিৰোধী অভিযানে হওক, আমেৰিকাৰ সেনাক কেতিয়াও পাকিস্তানে নিজ দেশৰ ভূমি ব্যৱহাৰ কৰিবলৈ নিদিয়ে। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ এক সাক্ষাৎকাৰত ইমৰানে এইদৰে মন্তব্য কৰি কয় যে পূৰ্বে পাকিস্তানে আমেৰিকাৰ সেনাবাহিনীক সন্ত্ৰাসবিৰোধী অভিযান চলোৱাৰ ক্ষেত্ৰত পাৰ্যমানে সহায়-সহযোগিতা কৰিছিল যদিও আমেৰিকাই সদায়ে সন্ত্ৰাস দমনৰ ক্ষেত্ৰত পাকিস্তানক বদনামী কৰি আহিছে। সন্ত্ৰাস দমনত পাকিস্তানে আমেৰিকাক আগবঢ়োৱা সহযোগিতাৰ স্বীকৃতি দেশখনে লাভ নকৰিলে বুলি আক্ষেপ প্ৰকাশ কৰি পাক প্ৰধানমন্ত্ৰীজনে কয় যে আগন্তুক সময়ত পাকিস্তানে কেতিয়াও নিজ দেশৰ ভূমিত মাৰ্কিন সেনাক ঘাটি পাতিবলৈ অনুমতি নিদিব। পাকিস্তানে লগতে কয় যে আমেৰিকাক ড্ৰ’ন আক্ৰমণ চলোৱাৰ বাবেও দেশখনে অনুমতি নিদিয়ে।

## আদানী-আম্বানীৰ সম্পত্তিৰ পাৰ্থক্য ১.২৫ লাখ কোটি টকাৰ, এছিয়াৰ ধনাঢ্যৰ তৃতীয় স্থানলৈ অৱনমিত আদানী

**নিউজ ব্যুৰ’, মুম্বাই, ২০ জুন ঃ** যোৱা সপ্তাহত শ্বেয়াৰ বজাৰত গৌতম আদানী মালিকানাধীন আদানী গ্ৰুপৰ শ্বেয়াৰৰ মূল্য হঠাতে অৱনমিত হোৱাত ভাৰতৰ এইজন দ্বিতীয় সৰ্বাধিক ধনাঢ্য ব্যক্তিৰ সম্পত্তিৰ পৰিমাণ যথেষ্ট হ্ৰাস পাইছিল। আদানী গ্ৰুপৰ কোম্পানীসমূহৰ শ্বেয়াৰ মূল্য যোৱা সপ্তাহৰ পাঁচদিনত ১.৫ লাখ কোটি টকা হ্ৰাস পাইছিল। ফলত আদানী এছিয়াৰ ধনাঢ্য ব্যক্তি হিচাপে তালিকাৰ তৃতীয় স্থানলৈ অৱনমিত হয়। যোৱা ২১ মে’ত ভাৰতৰ এইজন উদ্যোগপতিয়ে এছিয়াৰ দ্বিতীয়গৰাকী সৰ্বাধিক ধনী ব্যক্তি হিচাপে স্বীকৃতি লাভ কৰিছিল। সেই সময়ত ভাৰতৰ লগতে এছিয়াৰ সৰ্বাতোকৈ ধনাঢ্য ব্যক্তি ৰিয়ায়েন্সৰ স্বত্বাধিকাৰী মুকেশ আম্বানীৰ স’তে আদানীৰ সম্পত্তিৰ পাৰ্থক্য আছিল মাত্ৰ ৭৫ হেজাৰ কোটি টকাৰ। কিন্তু ১৪ৰ পৰা ১৮ জুনৰ সময়ছোৱাত আদানী গ্ৰুপৰ শ্বেয়াৰৰ মূল্য দ্ৰুত হ্ৰাস পোৱাৰ ফলত আম্বানীৰ স’তে আদানীৰ সম্পত্তিৰ পৰিমাণৰ পাৰ্থক্য ১.২৫ লাখ কোটি টকালৈ বৃদ্ধি পালে।



## অকলে নিৰ্বাচন খেলা দলক ৰাইজে ছেণ্ডেলৰে কোবাব ঃ উদ্ধৱৰ মন্তব্যক লৈ প্ৰতিক্ৰিয়া মহাৰাষ্ট্ৰত



**নিউজ ব্যুৰ’, মুম্বাই, ২০ জুন ঃ** মহাৰাষ্ট্ৰৰ মৰ্চা চৰকাৰত আৰম্ভ হ’ল অথন্তৰ। কালি শিৱসেনাৰ ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ দিনা মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী তথা শিৱসেনাৰ মুৰব্বী উদ্ধৱ থাকৰেয়ে প্ৰকাশ কৰা এক বিতৰ্কিত মন্তব্যই ৰাজ্যখনৰ ৰাজনীতিত চাঞ্চল্যৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীজনে দলৰ প্ৰতিষ্ঠা দিৱসত কৈছিল যে হিন্দুত্ব আৰু মাৰাঠী জাতীয়তাবাদক তেওঁৰ দলে সৰ্বাধিক গুৰুত্ব দি আহিছে। থাকৰেয়ে কংগ্ৰেছৰ নাম উল্লেখ নকৰাকৈ কৈছিল যে যিসকল লোকে অকলে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ কথা কৈছে, তেওঁলোকক ৰাইজে ছেণ্ডেলেৰে কোবাব। উল্লেখ্য যে কংগ্ৰেছৰ নেতা নানা পতুলে অলপতে মন্তব্য কৰি কৈছিল যে মহাৰাষ্ট্ৰৰ নিৰ্বাচনত কংগ্ৰেছে অকলে প্ৰতিদ্বন্দ্বিতা কৰিব। কংগ্ৰেছ নেতাজনৰ এই মন্তব্যৰ সন্দৰ্ভত দলৰ নাম উল্লেখ নকৰাকৈ থাকৰেয়ে কৰা কটাক্ষই মহাৰাষ্ট্ৰৰ ৰাজনৈতিক মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# ঢেকিয়াজুলিৰ চপাই বালিগাঁৱৰ মাতৃ-কন্যাৰ হত্যাকাণ্ডত জড়িতক গ্ৰেপ্তাৰৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২০ জুন ঃ** ঢেকিয়াজুলিৰ চপাই বালিগাঁৱত যোৱা ২০ ফেব্ৰুৱাৰীৰ নিশা এদল দুৰ্বৃত্তই এগৰাকী মহিলাক চোকা অস্ত্ৰেৰে ঘপিয়াই হত্যা কৰিছিল। ১২ বছৰীয়া কন্যাক ঘৰৰ পৰা তুলি নি বলাৎকাৰ কৰি অতি নৃশংসভাৱে হত্যা কৰা ঘটনাৰ চাৰিমাহ সময় অতিক্ৰম কৰিছে যদিও এতিয়ালৈকে আৰক্ষীয়ে হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে। এই সন্দৰ্ভত শোণিতপুৰ জিলা ৰাভা ছাত্ৰ সন্থা, ৰাভা মহিলা পৰিষদ আৰু ৰাভা উন্নয়ন পৰিষদ দাবী সমিতিৰ নেতৃত্বই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কালি দিনৰ ১১ বজাত ঢেকিয়াজুলি প্ৰেছ ক্লাবত এখন সংবাদমেলৰ আয়োজন কৰি সংগঠনকেইটাৰ নেতৃত্বই কয়, 'উক্ত কাণ্ডৰ লগত জড়িতসকলক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব নোৱাৰাটো চৰম দুৰ্ভাগ্যজনক।' এই বৰ্বৰ ঘটনাৰ লগত জড়িতসকলক গ্ৰেপ্তাৰ কৰাৰ ক্ষেত্ৰত শোণিতপুৰ আৰক্ষীয়ে চৰম ব্যৰ্থতা প্ৰদৰ্শন কৰিলে বুলি সংগঠনকেইটাৰ নেতৃবৃন্দই কয়। শোণিতপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি অৰুণ কুমাৰ ৰাভা আৰু সাধাৰণ সম্পাদক অমিয় ৰাভা, ৰাভা মহিলা পৰিষদৰ জিলা সম্পাদিকা তুলিকা ৰাভা আৰু ৰাভা উন্নয়ন পৰিষদ দাবী সমিতিৰ উপ-সভপতি ৰীপেন ৰাভাই কয়, চলাই বালিগাঁৱৰ মাতৃ-কন্যাৰ হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিব নোৱাৰা বিষয়টোৱে আৰক্ষীৰ দুৰ্বলতাক প্ৰকাশ কৰিছে। আৰক্ষীৰ ভূমিকাত অসন্তুষ্টি প্ৰকাশ কৰি তেওঁলোকে কয়, যোৱা ২০ ফেব্ৰুৱাৰীৰ নিশা চপাই বালিগাঁৱৰ মহিলা এগৰাকীক আক্ৰমণ কৰি তেওঁৰ কন্যাক দুৰ্বৃত্তই ঘৰৰ পৰা তুলি নিছিল। কন্যা শিশুটিক উদ্ধাৰৰ ক্ষেত্ৰতো আৰক্ষীয়ে বিশেষ গুৰুত্ব প্ৰদান নকৰিলে। এই ঘটনাৰ চাৰিদিন পাছত কিশোৰীগৰাকীৰ মৃতদেহ পথাৰৰ মাজত উদ্ধাৰ হৈছিল। এজন খেতিয়কে পথাৰৰ মাজত খেৰৰ দ'মত মৃতদেহ প্ৰত্যক্ষ কৰাৰ পাছত গাঁওবাসীয়ে আৰক্ষীক খবৰ দিয়াতহে আৰক্ষীৰ দল উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। মহিলাগৰাকীৰ বাসগৃহৰ পৰা মাত্ৰ দুই কিলোমিটাৰ আঁতৰত পথাৰৰ মাজত ধন খেৰৰ তলত মৃতদেহটো লুকুৱাই ৰাখিছিল। আৰক্ষীয়ে যদি গুৰুত্ব সহকাৰে অনুসন্ধান কৰিলেহেঁতেন ঘটনাৰ ২৪ ঘন্টাৰ ভিতৰতে মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হ'লহেঁতেন বুলি সংগঠনকেইটাৰ নেতৃবৃন্দই কয়। এই ঘটনাত জড়িতসকলক গ্ৰেপ্তাৰৰ দাবীত ৰাভা সংগঠনসমূহে মুখ্যমন্ত্ৰী আৰু বিধানসভাৰ অধ্যক্ষক স্মাৰকপত্ৰ প্ৰদান কৰিছে বুলি তেওঁলোকে উল্লেখ কৰে।

## মানকাচৰত চৰকাৰী চিকিৎসালয়ৰ অস্থায়ী স্বাস্থ্য কৰ্মচাৰীৰ প্ৰতিবাদ

**মানকাচৰ, ২০ জুন ঃ** মানকাচৰৰ সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ চৌহদত দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৌ অসম চৰকাৰী চিকিৎসালয়ৰ অস্থায়ী স্বাস্থ্য কৰ্মচাৰী সন্থাই আজি এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। অস্থায়ী কৰ্মচাৰীসকলে বিগত ১০ বছৰ ধৰি জিলাখনৰ বিভিন্ন স্বাস্থ্য কেন্দ্ৰত কৰ্মৰত হৈ থকাৰ লগতে বিভিন্ন প্ৰতিকূল পৰিস্থিতিত নিজৰ দায়িত্ব পালন কৰি আহিছে। তদুপৰি কৰ'না মহামাৰীৰ সময়ছোৱাতো নিজৰ জীৱনক তুচ্ছ কৰি দিনে-নিশাই সামান্য দৰমহাত জটিল পৰিস্থিতিৰ মাজতো নিজৰ কৰ্তব্য পালন কৰি আছে। কিন্তু চৰকাৰে বাৰে বাৰে প্ৰতিশ্ৰুতি দিয়াৰ পাছতো অস্থায়ী কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণ হোৱা নাই। তাৰ ফলত আজি অস্থায়ী কৰ্মচাৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছত এখন সংবাদমেলত ভাগ লয়। স্থানীয় কৰ্মচাৰী সন্থাৰ বিষয়ববীয়াসকলে তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণৰ লগতে বিভিন্ন দাবীসমূহ পূৰণ কৰাৰ বাবে মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তক দাবী জনায়।

## সূতাৰপাৰাত ছাত্ৰৰ সলিল সমাধি

**আলোপতি, ২০ জুন ঃ** গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত সূতাৰপাৰা ভেৰভেৰীত আজি সংঘটিত হয় এক শোকাৱহ ঘটনা। গাঁওখনৰ জামিউল শ্বেখৰ পুত্ৰ ছামচুল হক (১৫) তথা নৱম শ্ৰেণীৰ ছাত্ৰৰ বাঢ়নী পানীত সলিল সমাধি ঘটে। সূতাৰপাৰা মাজৰগাঁও হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰজনে ওচৰৰ ফুলনৈ নদীত সমনীয়াৰ স'তে মাছ মাৰিবলৈ গৈ হঠাৎ দ পানীত ডুব যায়। এঘণ্টা পাছত পৰিয়ালৰ লোকে স্থানীয় লোকৰ সহযোগত ছামচুলৰ মৃতদেহ পানীৰ পাৰ উদ্ধাৰ কৰে। ঘটনাস্থলীত মাটিয়া থানাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## বকোত বৃহৎ পৰিমাণৰ অপৈণত শালৰ কুণ্ডা জব্দ

**অগ্ৰদূত বাৰ্তা**

**বকো, ২০ জুন ঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনৰ সেউজভূমিত ধ্বংস যজ্ঞ চলি থকাৰ মাজতে বন্দাপাৰা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত বৰজুলি সংৰক্ষিত বনাঞ্চলৰ পৰা অপৈণত শাল গছ কাটি পথৰ দাঁতিত জমাই থৈছিল। যোৱা নিশা বন বিভাগে জানিব পাৰিছিল যদিও আজি বন্দাপাৰা বন বিভাগে ৫০ টাতকৈ অধিক শাল গছৰ কুণ্ডা জব্দ কৰে। বন ধ্বংস কাৰ্যক গৰিহণা দিছে পশ্চিম লুকী ৰাভা আঞ্চলিক ছাত্ৰ সন্থাই।

## হোজাইত সাপ-কাছ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২০ জুন ঃ** হোজাইত আজি পৃথকে পৃথকে এটা দুষ্প্ৰাপ্য কাছ আৰু তিনিডাল বিষাক্ত সাপ উদ্ধাৰ হয়। পুৱা দক্ষিণ নগাঁও বন প্ৰাধিকাৰীৰ অন্তৰ্গত কপিলীভেলী বনাঞ্চলিক বিষয়াৰ নিৰ্দেশত উদ্ধাৰ হয় কাছটো। হোজাইৰ গোচৰাবস্তিৰ বাচাধন সিংহৰ গৃহৰ পৰা বন বিভাগে বৰ কাছৰ পোৱালিটো উদ্ধাৰ কৰি কোমোৰাকটা বনাঞ্চলৰ কপিলীত মুকলি কৰি দিয়ে। বিয়লি হোজাইৰ ৰাইকাটা ইছলামপুৰত উদ্ধাৰ হয় তিনিডাল বিষাক্ত সাপ। স্থানীয় ৰাইজ আৰু কেইজনমান যুৱকে উদ্ধাৰ কৰে সাপকেইডাল। পাছত সাপ তিনিডাল স্থানীয় ৰাইজ আৰু বন বিভাগৰ সহযোগত কোমোৰাকাটা সংৰক্ষিত বনাঞ্চলত এৰি দিয়া হয়।

## প্ৰবীণ অভিনেতা ভোলা কটকী গুৰুতৰভাৱে অসুস্থ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, 20 জুন ঃ** অসমৰ মঞ্চ আৰু চলচ্চিত্ৰ জগতৰ প্ৰবীণ অভিনেতা, নটসূৰ্য ফণী শৰ্মা বঁটা প্ৰাপক, গণশিল্পী ভোলা কটকী গুৰুতৰ শাৰীৰিক অসুস্থতাৰ বাবে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হ'ব লগা হৈছে। শোণিতপুৰ জিলাৰ জামুগুৰিহাট নিবাসী এসময়ৰ গণনাট্য সংঘৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত শিল্পীজন কালি নিশা উচ্চ ৰক্তচাপজনিত ৰোগত গুৰুতৰভাৱে অসুস্থ হৈ পৰাৰ পাছত শিল্পী পুত্ৰ স্বৰাজ হাজৰিকাসহ পৰিয়ালৰ একাংশ লোকে নিশা 11 বজাত তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰায়। আনহাতে বহু চলচ্চিত্ৰ, মঞ্চ নাট, ভ্ৰাম্যমাণ থিয়েটাৰত এসময়ৰ অতি জনপ্ৰিয় অভিনেতা তথা অসম চৰকাৰৰ নটসূৰ্য ফণী শৰ্মা বঁটা প্ৰাপক এই প্ৰবীণ শিল্পীজন চিকিৎসাধীন হোৱাৰ সংবাদ লাভ কৰাৰ পাছতেই শোণিতপুৰৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে ব্যাপক তৎপৰতাৰে শিল্পীজনক যথোপযুক্ত চিকিৎসা প্ৰদানৰ বাবে চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়াৰ পাছতেই পুৱা এই প্ৰবীণ শিল্পীজনক চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আই চি ইউ লৈ স্থানান্তৰ কৰাৰ লগতে চিকিৎসাৰ সম্পূৰ্ণ দায়িত্ব জিলা প্ৰশাসনে গ্ৰহণ কৰে। উল্লেখ্য যে 1932ৰ 20 জানুৱাৰীত জন্ম গ্ৰহণ কৰা 89 বছৰীয়া এই শিল্পীজন দীৰ্ঘদিন ধৰি শাৰীৰিকভাৱে অসুস্থ হৈ আছিল। সম্প্ৰতি তীব্ৰ আৰ্থিক সংকটত ভোগা শিল্পীজন পৰিয়ালে জিলা প্ৰশাসনৰ এনে তৎপৰতাত সন্তোষ প্ৰকাশ কৰি বিশেষকৈ উপায়ুক্তজনক কৃতজ্ঞতা জ্ঞাপন কৰিছে। আনহাতে এইজন অতি জনপ্ৰিয় প্ৰবীণ শিল্পী চিকিৎসাধীন হোৱাৰ বতৰা পোৱাৰ পাছতেই বিভিন্ন ব্যক্তি-অনুষ্ঠানে আৰোগ্য কামনা কৰাৰ লগতে তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভায়ো শিল্পীজনক আৱশ্যকীয় উন্নত চিকিৎসা প্ৰদান কৰিবলৈ চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষক আহ্বান জনাইছে।

## ভাওৰাগুৰি আৰু তুলসীবিল বজাৰ পৰিদৰ্শন ভাওৰাগুৰি ৰাজহ চক্ৰ বিষয়াৰ



**অগ্ৰদূত বাৰ্তা**

**দোতমা/ফকিৰাগ্ৰাম, ২০ জুন ঃ** কোকৰাঝাৰ জিলাৰ অধীনত ভাওৰাগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত ভাওৰাগুৰি আৰু তুলসীবিল বজাৰ পৰিদৰ্শন কৰে ৰাজহ চক্ৰ বিষয়া চৈতালী দত্ত। ভাওৰাগুৰিৰ ৰাজহ চক্ৰ বিষয়া ভাওৰাগুৰি আৰু তুলসীবিল বজাৰ পৰিদৰ্শন কৰি চৰকাৰৰ এছঅ'পি বজাৰৰ ব্যৱসায়ীসকলে পালন কৰিছে নে নাই সেইটো পৰ্যবেক্ষণ কৰাৰ লগতে ব্যৱসায়ীসকলক চৰকাৰৰ নীতি-নিয়ম মানি চলিবলৈও আহ্বান জনায়।

## ভলীবল-ফুটবলৰ ৰেফাৰি শৰৎ চন্দ্ৰ শৰ্মাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**কলাইগাঁও, ২০ জুন ঃ** কলাইগাঁৱৰ সমীপৱৰ্তী অকলিবাৰিৰ নিবাসী ভলীবল-ফুটবল ৰেফাৰি তথা জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী শৰৎ চন্দ্ৰ শৰ্মা (৭৩)ৰ আজি দুপৰীয়া নিজ বাসভৱনত মৃত্যু হয়। দৰং, ওদালগুৰি জিলা ব্ৰাহ্মণ সমাজৰ প্ৰাক্তন সহকাৰী সম্পাদক হোৱাৰ লগতে ঔতলা ফ্ৰেন্স ক্লাব, ঔতলা দুৰ্গা পূজা সমিতি, ঔতলা ক্ৰীড়া সন্থা, অকলিবাৰি ক্ৰীড়া সন্থা আদিকে লৈ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। তেওঁৰ মৃত্যুত ঔতলা শাখা সাহিত্য সভা, ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, আকলিবাৰি প্ৰাথমিক বিদ্যালয়, বেঙাবৰা ভাস্কৰ জ্যোতি কৃষক প্ৰগতি সংঘৰ লগতে তেওঁৰ জড়িত থকা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে শোক প্ৰকাশ কৰিছে।

## ভাওৰাগুৰিত বান সম্পৰ্কে সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**

**দোতমা/ফকিৰাগ্ৰাম, ২০ জুন ঃ** কোকৰাঝাৰ জিলাৰ অধীন ভাওৰাগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত বালাপাৰা দ্বিতীয় খণ্ড আৰু তাজপুৰ গাঁৱত অগ্নিনিৰ্বাপক আৰু আপাদকালীন সেৱা উদ্যোগৰ লগতে ভাওৰাগুৰি ৰাজহ চক্ৰ দুৰ্যোগ বিভাগৰ ক্ষেত্ৰ বিষয়া, প্ৰতিৰোধী বন্ধু সেচ্ছাসেৱক আৰু গাঁওবুঢ়াৰ সহযোগত বানপানীৰ সময়ত ল'বলগীয়া সাৱধানতাৰ বাবে সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত বানপানীৰ সময়ত মানুহক কেনেদৰে উদ্ধাৰ কৰিব লাগে আৰু পানীত পৰিলে কি ব্যৱস্থা গ্ৰহণ কৰিব লাগে সেই বিষয়ে সজাগ আৰু সচেতন কৰা হয়। লগতে ভাওৰাগুৰি ৰাজহ চক্ৰৰ দুৰ্যোগ বিভাগৰ ক্ষেত্ৰ বিষয়াজনে গাঁওবাসীক কয় যে সৰু ল'ৰা-ছোৱালীক নদীৰ পাৰ, পুখুৰীৰ পাৰ আদিত খেলিব দিব নালাগে আৰু নজৰ দিব লাগে যাতে কোনো ধৰণৰ অঘটন সংঘটিত নহয়।

**এবছুৰ সপ্তাহজোৰা কৰ্মসূচী**

## বিদ্যালয়ে বিদ্যালয়ে এবছুৰ চাফাই কৰ্মসূচী, গছপুলি ৰোপণ, ছেনিটাইজ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২০ জুন ঃ** সাম্প্ৰতিক কৰ'না মহামাৰীৰ ভয়াৱহ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰে দীৰ্ঘদিনে বন্ধ হৈ থকা শিক্ষানুষ্ঠানসমূহৰ যাতে পূৰ্বৰ দৰে পাঠদান কৰিব পাৰে তাৰ পৰিৱেশ সৃষ্টিৰ হকে যোৱা ১৮ জুনৰে পৰা সাতদিনীয়াকৈ বিদ্যালয় চাফাই কৰ্মসূচী গ্ৰহণ কৰিছে। চিৰাং জিলাৰ বিজনী মহকুমাৰ বডোবজাৰত অৱস্থিত বডোবজাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বিদ্যালয়ৰ চৌহদত নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰীয়ে বিদ্যালয়খনত গছপুলি ৰোপণৰ লগতে চাফাই কাৰ্যসূচী আৰু শ্ৰেণী কোঠাত ছেনিটাইজেছন কাৰ্যত অংশগ্ৰহণ কৰে। এবছুৰ বিজনী আঞ্চলিক গোটৰ উদ্যোগত আয়োজন কৰা এই কৰ্মসূচীত অংশ লৈ এবছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰীয়ে কয় যে কৰ'না মহামাৰীৰ হয়তো সমাপ্তি ঘটিব। চৰকাৰে বিদ্যালয়সমূহ খোলাৰ অনুমতি প্ৰদান কৰিলে বিদ্যালয়সমূহ যিহেতু বহুদিন ধৰি বন্ধ ৰাখিব লগা হৈছে। পূৰ্বৰ দৰে পাৰিপাৰ্শ্বিক অৱস্থা ঘূৰাই অনা, বিদ্যালয়ত পাঠদানৰ পৰিৱেশ গঢ়ি তোলাৰ লগতে প্ৰকৃতিৰ ভাৰসাম্য বজাই ৰখাৰ উদ্দেশি গছ পুলি ৰোপণ কৰা হয়। বিদ্যালয় চাফাই, গছ পুলি ৰোপণ আৰু ছেনিটাইজেছন কৰ্মসূচীত বিদ্যালয়ৰ শিক্ষক, এবছুৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

## লাহৰীঘাটত চাইবাৰ ক্ৰাইমৰ লগত জড়িত চাৰিজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ২০ জুন ঃ** লাহৰীঘাট আৰক্ষীয়ে চাইবাৰ ক্ৰাইমত জড়িত চাৰিজন লোকক গ্ৰেপ্তাৰ কৰে। লাহৰীঘাটৰ নগাবন্ধা গাঁৱৰ পৰা লাহৰীঘাট আৰক্ষীয়ে পৰহি চাৰিওকে গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজন হ'ল ৰাজিবুল ইছলাম, ইনামূল হক, ৰেকিব আলম আৰু ছাদিকুল ইছলাম। লোককেইজনৰ ঘৰ লাহৰীঘাটৰ নগাবন্ধাত। উল্লেখ্য যে ধৃত লোককেইজন বহুদিনৰ পৰা সহজ-সৰল দৰিদ্ৰ লোকৰ পৰা বেংক পাছবুক, আধাৰকাৰ্ড, ছিমকাৰ্ডেৰে বৃহৎ ধন সৰকাই আছিল। ছিম কাৰ্ডৰ অ'টিপিৰ জৰিয়তে তেওঁলোকে বহু দিন ধৰি এই ধন ঘটা কামত লিপ্ত আছিল। চাইবাৰ অপৰাধীকেইজনৰ পৰা আৰক্ষীয়ে ১১টা ম'বাইল, ১৮০খন ছিম কাৰ্ড, এটা লেপটপ, বেংক পাছবুকৰ লগতে অন্যান্য নথিপত্ৰ জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ৩৫৫/২০২১ নম্বৰত ইউ/এছ ১২০ (বি) ৪১৯/৪২০/৪৬৮/৪৭১/৪০৯ আইপিচি ৬৬ (চি)/৬৬ (ডি)আইটি এক্টৰ অধীনত গোচৰ ৰুজু কৰি আজি ধৃত লোককেইজনক জেল হাজোতলৈ প্ৰেৰণ কৰে।

## ডবকাত অগ্নিকাণ্ডত ভস্মীভূত বিদ্যালয়গৃহ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২০ জুন ঃ** হোজাই জিলাৰ ডবকাৰ হালধিআটিত আজি দুপৰীয়া সংঘটিত এক অগ্নিকাণ্ডত এটি বিদ্যালয়গৃহ সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হয়। হালধিআটিৰ আজমল জাতীয় বিদ্যালয়ত এই অগ্নিকাণ্ড সংঘটিত হয়। বিদ্যুতৰ শ্বৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ড সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। অগ্নিকাণ্ডত ছাত্ৰ-ছাত্ৰীৰ প্ৰমাণপত্ৰৰ লগতে বিদ্যালয়ৰ মাটিৰ কাগজ, নৱম -দশম শ্ৰেণী ৰেজিষ্ট্ৰেছন পত্ৰসহ বিদ্যালয়ৰ সমূহ আচবাবপত্ৰ জুইত জাহ যায়। উক্ত অগ্নিকাণ্ডত ১৫ লাখ টকাৰ সম্পত্তি নষ্ট হয়।

## বেঙ্গপাৰ্টি দলক খাদ্য সামগ্ৰী-আৰ্থিক সাহায্য

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২০ জুন ঃ** কৰ'না মহামাৰীৰ বাবে বিয়া-সবাহ, উৎসৱ-পাৰ্বণ আদি বন্ধ হৈ পৰাৰ লগে লগে ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ গুৱাহাটীৰ বেঙ্গপাৰ্টি দলৰ মাজতো দেখা দিছে ঘোৰ অমানিশা। একমাত্ৰ এই মহামাৰীৰ বাবেই সম্প্ৰতি পানীত হাঁহ নচৰা অৱস্থা হৈছে এইসমূহ শিল্পীৰ। দীপৰ বিলৰ সমীপৱৰ্তী দেউচতালৰ সমাজসেৱক বলেশ্বৰ ৰংপীয়ে নিজাববীয়াকৈ আজি বুঢ়াগোহাঁই আশ্ৰত বেঙ্গপাৰ্টিক আগবঢ়ালে খাদ্য সামগ্ৰীৰ লগতে নগদ পাঁচ হেজাৰ আৰ্থিক সাহায্য। ৰাণী মৈৰাপুৰ খহনীয়াত সমাজসেৱী ৰংপিয়ে নিজেই উপস্থিত হৈ বেঙ্গপাৰ্টি দলটোৰ সদস্যসকলৰ মাজত চাউল, দাইল, মিঠাতেল, পিঁয়াজ, নিমখ, বিস্কুট, আলু, মাস্ক, খাদ্য-সামগ্ৰী আদি প্ৰদান কৰাৰ লগতে দলটোৰ প্ৰতিটো সদস্যক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়।

## নগাঁৱত পথ দুৰ্ঘটনাত যুৱকৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**নগাঁও, ২০ জুন ঃ** নগাঁও চহৰৰ সমীপৰ শেনচোৱাত আজি পুৱা ১১ বজাত সংঘটিত এক পথ দুৰ্ঘটনাত এজন যুৱকৰ থিতাতে মৃত্যু হয়। দুৰ্ঘটনাটোত নিহত যুৱকজনক জিলাখনৰ তুলসীমুখৰ উৎপল দাস (২৬) বুলি চিনাক্ত কৰা হৈছে। নগাঁৱৰ যানবাহন শাখাৰ আৰক্ষীয়ে সদৰী কৰা মতে, নগাঁৱৰ তুলসীমুখৰ উৎপল নামৰ যুৱকজনে নিজৰ এ এছ-০২ ইউ-১৬৭০ নম্বৰৰ স্কুটীখনেৰে নগাঁও চহৰলৈ আহি থকা অৱস্থাত ৩৭ নম্বৰ পথৰ শেনছোৱাৰ ওচৰত দুৰ্ঘটনাত পতিত হয়। আৰোহী যুৱকজনক অচিনাক্ত বাহনে খুন্দিওৱাত যুৱকজনৰ মৃত্যু হয়। দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰা গাড়ীখনৰ সন্ধেদ বাতৰি লিখা সময়লৈকে আৰক্ষীয়ে উলিয়াবলৈ সক্ষম হোৱা নাই।

## অভয়াপুৰীৰ কেৰখাবাৰীত শালকাঠ জব্দ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২০ জুন ঃ** বঙাইগাঁও আইভেলী বন সংমণ্ডলৰ অভয়াপুৰী আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত অভয়াপুৰীৰ নিকটৱৰ্তী কেৰখাবাৰীৰ পৰা যোৱা নিশা বন বিভাগে বৃহৎ পৰিমাণৰ শালকাঠৰ কুণ্ডা জব্দ কৰে। বন বিভাগৰ অভয়াপুৰী কাৰ্যালয়ৰ ঝিটকিবাৰী বন শিবিৰ কৰ্মীয়ে কেৰখাবাৰী গাৰোপাৰাৰ পাহাৰৰ পৰা দুষ্কৃতিকাৰীয়ে শালগছ কাটি থাকোতেই নিশা অভিযান চলাই ২৬ টা টুকুৰা শালকাঠৰ কুণ্ডা জব্দ কৰি ঝিটকিবাৰী বন শিবিৰলৈ আনে।

## পশ্চিম মঙলদৈ যৌগিক চিকিৎসালয়ত সপ্তম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ২০ জুন ঃ** দৰং জিলাৰ চমতীয়াপাৰাস্থিত পশ্চিম মঙলদৈ যৌগিক চিকিৎসালয় আৰু দৰং যোগ শিক্ষক সন্থাৰ উদ্যোগত অহা ২১ জুনত সপ্তম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ আয়োজন কৰিছে। বিজেপিৰ পাথৰিঘাট মণ্ডল সমিতিৰ সহযোগত পশ্চিম মঙলদৈ যৌগিক চিকিৎসালয়ৰ বাকৰিত ক'ভিড প্ৰট'কল ৰক্ষা কৰি আয়োজিত যোগ দিৱসৰ কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ছয় বজাৰ স্বচ্ছতা অভিযানৰ পাছতে গছপুলি ৰোপণৰ মুখ্য ৰোপক হিচাপে অংশগ্ৰহণ কৰিব সংবাদকৰ্মী ৰত্নেশ্বৰ চহৰীয়াই। ইয়াৰ পাছত বিজেপিৰ দৰং জিলা মহিলা মৰ্চাৰ সভানেত্ৰী ৰূপালী দেৱী আৰু দৰং যোগ শিক্ষক সন্থাৰ সম্পাদক ভাস্কৰ বৰুৱাই একোটিকৈ গছপুলি ৰোপণ কৰিব। স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে বন্তি প্ৰজ্বলন কৰাৰ পাছতে সমূহীয়া যোগ অনুশীলন পৰিচালনা কৰিব দৰং যোগ শিক্ষক সন্থাৰ সভাপতি হিমালয় শৰ্মাই।

## অসম যুৱ পৰিষদৰ দ্বাৰা নাট্যযোদ্ধা পৱিত্ৰ ৰাভাক কলাগুৰু বঁটা প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২০ জুন ঃ** অসমৰ জাতীয় জীৱনৰ প্ৰবাদ পুৰুষ সৈনিক শিল্পী কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ পৱিত্ৰ স্মৃতি দিৱসৰ লগত সংগতি ৰাখি আজি টংলাৰ বিশিষ্ট নাট্যযোদ্ধা পৱিত্ৰ ৰাভাক অসম গণ পৰিষদৰ ভ্ৰাতৃ সংগঠন অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত, ওদালগুৰি জিলা আৰু পানেৰী বিধান পৰিষদৰ সহযোগত অনুষ্ঠিত কলাগুৰু বঁটা প্ৰদান কাৰ্যসূচীত কলাগুৰু বঁটা আগবঢ়োৱা হয়। ফুলাম গামোচা, শৰাই সঁফুৰা, ফুলাম জাপি, স্মাৰক, নগদ ধন আৰু সম্বৰ্ধনা পত্ৰৰে ৰাভাক উষ্ম আদৰণি জনায়। বঁটা প্ৰদান কাৰ্যসূচী পৰিচালনা কৰে যুৱ পৰিষদৰ কেন্দ্ৰীয় সভাপতি জিতু বৰগোহাঁয়ে। অগপৰ পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰে ওদালগুৰি জিলা সমিতিৰ সভাপতি যতীন কুমাৰ ডেকা আৰু জিলা যুৱ পৰিষদৰ সভাপতি যোগেশ বৰাই। টংলা জলাহস্থিত আমাৰ গাঁও প্ৰকল্প দাপোণ 'দ্য মিৰৰ'ৰ ভূমিত অনুষ্ঠিত কলাগুৰু বঁটা প্ৰদান কাৰ্যসূচীৰ আৰম্ভণিতে টংলা শিল্পী সমাজৰ শিল্পীবৃন্দই এটি বিষ্ণু ৰাভা সংগীত পৰিৱেশন কৰে। কলাগুৰু বঁটা প্ৰদান কাৰ্যসূচীত অসম গণ পৰিষদৰ উপ-সভাপতি সুনীল ডেকা, যুৱ পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি হেমেন হাজৰিকা, প্ৰাঞ্জল শৰণীয়া, সাধাৰণ সম্পাদক প্ৰবাল বুজৰবৰুৱা প্ৰমুখ্যে কেন্দ্ৰীয় নেতৃবৃন্দ, বিভিন্ন জিলা শাখাৰ বিষয়ববীয়া, ওদালগুৰি জিলা শাখাৰ বিষয়ববীয়াসকলৰ লগতে অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক পৱিত্ৰ ৰাভাৰ পিতৃ ৰামচন্দ্ৰ ৰাভা, দাপোণ দ্য মিৰৰ খৰ্বকায় শিল্পীবৃন্দ উপস্থিত থাকে। ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ পৰা কৃতিত্বৰে উত্তীৰ্ণ সদৌ অসম ছাত্ৰ সন্থাৰ দ্বাৰা লোকগীতৰ প্ৰখ্যাত শিল্পী প্ৰতিমা বৰুৱা পাণ্ডে সোঁৱৰণী বঁটা প্ৰাপ্ত তথা ৰাষ্ট্ৰীয় মঞ্চত উজলি উঠা পৱিত্ৰ ৰাভাই কলাগুৰু বঁটা গ্ৰহণ কৰি কয় যে দাপোণ দ্য মিৰৰ হৈছে নিজকে নিজক বিচাৰি চোৱা আৰু মানৱ সম্পদ গঢ়াৰ কেন্দ্ৰ। ইয়াৰ জৰিয়তে আমি খৰ্বকায় শিল্পীসকলেই নহয় শিশু-কিশোৰী, যুৱক-যুৱতীসকলৰ শাৰীৰিক-মানসিক-বৌদ্ধিক বিকাশত সহায় কৰাৰ লগতে আত্মনিৰ্ভৰ কৰি তোলা।

## হুদুমখাতাত সুলভ মূল্যৰ দোকানীৰ বিৰুদ্ধে ব্যাপক অনিয়মৰ অভিযোগ ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**দোতমা/ফকিৰাগ্ৰাম, ২০ জুন ঃ** গোসাঁইগাঁও মহকুমাৰ তথা হুদুমখাতা ভিচিডিচিৰ অন্তৰ্গত দুই নম্বৰ হুদুমখাতা গাঁৱত সুলভ মূল্যৰ দোকানীয়ে ব্যাপক জালিয়াতিৰ আশ্ৰয় লৈ ৰাইজক বঞ্চিত কৰাৰ অভিযোগ উত্থাপিত হৈছে। ৰাইজে অভিযোগ কৰে যে সুলভ মূল্যৰ গৰাকী জছৰউদ্দিন শ্বেখে ৰাইজৰ বাবে আবণ্টন কৰা সামগ্ৰীসমূহ অনিয়মীয়াকৈ বিতৰণ কৰে। উত্থাপিত অভিযোগ মতে দোকানীয়ে চৰকাৰে ধাৰ্য কৰা চাউল কম পৰিমাণে দিয়ে। দোকানত যাবলৈ এদিন দেৰি হ'লেই চাউল নিদিয়ে, কেতিয়াবা নিজৰ খেয়ালখুঁচি মতে, ১০-১৫ দিন পাছত দিয়ে। আনকি মাহত সমবায়ৰ পৰা কিমান আবণ্টন দিছে সেয়া জানিব বিচাৰিলে দুৰ্ব্যৱহাৰ কৰে। দীৰ্ঘদিনৰ পৰা দোকানীগৰাকীয়ে ৰাইজক হাৰাশাস্তি কৰি আহিছে। উক্ত বিষয় ৰাইজে গোসাঁইগাঁও মহকুমাধিপতিক লিখিত আকাৰে এটি অভিযোগ পত্ৰ দাখিল কৰিছে। ৰাইজে দোকানীজনক বদলিৰ বাবে চৰকাৰক জনাইছে।









### বিশ্ব টেষ্ট চেম্পিয়নশ্বিপ ঃ ২১৭ ৰাণত প্ৰথম ইনিংছ সামৰিলে ভাৰতে ঃ নিউজিলেণ্ডৰ সুন্দৰ আৰম্ভণি

# জেমিছনৰ সন্মুখত আত্মসমৰ্পন টীম ইণ্ডিয়াৰ বেটছমেনৰ

**লণ্ডন, ২০ জুন ঃ** ভাৰতে চলিত প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখনত 217 ৰাণতে প্ৰথম ইনিংছ সামৰি চাপ আৰু শংকাৰ সন্মুখীন হৈছে। উল্লেখ্য বৰষুণৰ বাবে প্ৰথমদিনাৰ খেল বাতিল হোৱাৰ পাছত দ্বিতীয় দিনা মেঘাছন্ন আকাশৰ তলত মেচ আৰম্ভ হৈছিল যদিও ডাবৰৰ মাজত বেলি সোমাই থকাত চাহ বিৰতিৰ পূৰ্বেই খেল বন্ধ হয়। কম পোহৰৰ বাবে তিনিবাৰকৈ মেচ বন্ধও কৰিব হৈছিল। খেলৰ সামৰণিত ভাৰতে 64.4 অভাৰত তিনিটা উইকেট হেৰুৱাই 146 ৰাণ কৰি দৃঢ় স্থিতিতে আছিল। কিন্তু আজি তৃতীয় দিনা ভাৰতে আৰম্ভণিৰ পৰাই বিপৰ্যয়ৰ সন্মুখীন হয়। কালি উইকেটত দৃঢ়তাৰে বেটিং কৰি থকা অধিনায়ক বিৰাট কোহলি আৰু সহঃঅধিনায়ক অজিংক্য ৰাহানে আজি প্ৰত্যাশা অনুসৰি খেলিব নোৱাৰিলে আৰু ভোজন বিৰতিৰ পাছতে সমাপ্ত হয় ভাৰতৰ প্ৰথম ইনিংছ। কালি 44 ৰাণত বেটিং কৰি থকা তথা ৰাহানেৰ স'তে 58 ৰাণৰ যুটি বন্ধা কোহলিয়ে আজি এক ৰাণো যোগ নিদিয়াকৈ জেমিছনৰ বলত আউট হয়। আনহাতে, আত্মবিশ্বাসৰে ইনিংছ আৰম্ভ কৰি 29 ৰাণত বেটিং কৰি থকা ৰাহানে আজি দলৰ ইনিংছ আগুৱাই নিয়াৰ দায়িত্ব লোৱাত ব্যৰ্থ হয় 49 ৰাণত পেভিলিয়নমুখী হয়। ব্যৰ্থ হয় উইকেটৰক্ষক বেটছমেন ঋষভ পণ্ট (4)। অশ্বিনে 22 আৰু জাডেজাই 15 ৰাণ কৰাৰ ফলত ভাৰতৰ ৰাণ সংখ্যা দুশ পাৰ হয়। ভাৰতৰ এই বিপৰ্যয়ৰ মূলতে হ'ল নিউজিলেণ্ডৰ পেচাৰ জামিছন। ৰোহিত আৰু বিৰাটৰ মূল্যবান উইকেট লোৱা জামিছনে 31 ৰাণত লাভ কৰিছে পাঁচটা উইকেট। আনহাতে, বৌল্ট আৰু ৱাগনাৰে দুটাকৈ তথা ছাউথীয়ে এটা উইকেট পায়। উল্লেখ্য যে বিশ্বৰ শ্ৰেষ্ঠ হোৱাৰ এই টেষ্টত নিউজিলেণ্ডৰ অধিনায়ক কেন উইলিয়ামছনে টছত জয়ী হৈ পোনতে ভাৰতক বেটিং কৰিবলৈ দিয়ে। পৰিবেশ পেচ বলাৰৰ সহায়ক হোৱাৰ বাবেই পোনতে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয় নিউজিলেণ্ডৰ অধিনায়ক কেন উইলিয়ামছনে। অৱশ্যে ভাৰতৰ দুই অপেনাৰ ৰোহিত শৰ্মা আৰু শুভমন গিলে অ'পেনিং যুটিত 62 ৰাণ কৰি দলক আশা আৰম্ভণি দিয়াত সফল হৈছিল। কিন্তু এক ৰাণৰ ভিতৰতে ৰোহিত (34 ৰাণ) আৰু গিল (28 ৰাণ) আউট হয়। অধিনায়ক বিৰাট কোহলিয়ে চেতেশ্বৰ পূজাৰৰ লগত ইনিংছ গঢ় দিয়াৰ নতুন আৰম্ভণি কৰে যদিও উভয়ৰ মাজত 25 ৰাণৰ যুটি হোৱাৰ সময়তে 8 ৰাণ কৰি আউট হয় পুজাৰা। ছাউথহাম্পটনৰ উইকেট এতিয়াও পেচ বলাৰৰ বাবে ৰম্যপুৰী। কিন্তু ইয়াৰ সুযোগ ভাৰতীয় পেচাৰে কিদৰে লয় সেয়াই নিৰ্ভৰ কৰিব দলৰ সফলতা। **শেহতীয়া খবৰ অনুসৰি নিউজিলেণ্ডে প্ৰথম ইনিংছ আৰম্ভ কৰি ৯৪-১ ৰাণ কৰিছে।**





## উইম্বলডনত হালেপৰো খেলাৰ সম্ভাৱনা ক্ষীণ



**লণ্ডন, ২০ জুন ঃ** আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনত খেলাৰ সম্ভাৱনা ক্ষীণ ছিমনা হালেপৰ। আজি টেনিছ তাৰকাগৰাকীৰ মেনেজাৰে সেয়া ব্যক্ত কৰিছে। উল্লেখ্য যে আঘাতৰ বাবে গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনতো খেলা নাছিল হালেপে। সেউজ ঘাঁহনিৰ টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ বিগত বৰ্ষৰ চেম্পিয়ন আছিল হালেপ। অৱশ্যে আঘাত মুক্ত হৈ চিকিৎসকে অনুমতি দিলে হালেপে খেলাৰ সম্ভাৱনাৰ কথা কয় আয়োজকে। উল্লেখ্য যে আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনত নেখেলে আন দুই তাৰকাই। ইয়াৰে এজন ৰাফেল নাডাল আৰু আনগৰাকী নাওমি অ'ছাকা। নাডালে ঘোষণা কৰাৰ এদিন পাছতে অ'ছাকায়ো আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনত নেখেলাৰ কথা ব্যক্ত কৰিছে। অলিম্পিকলৈ সাজু হোৱাৰ বাবে উইম্বলডন নেখেলাৰ কথা ব্যক্ত কৰিছে অ'ছাকাই। ইফালে, টেনিছ তাৰকা ৰাফেল নাডালে আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ লগতে টকিঅ' অলিম্পিকৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে। ছ'ছিয়েল মিডিয়াযোগ্য ব্যক্ত কৰে নাডালে। উল্লেখ্য যে অহা 28 জুনৰ পৰা আৰম্ভ হ'ব গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডন।

### স্নেহ ৰাণা-তানিয়া ভাটিয়াৰ অনবদ্য বেটিং

## ইংলণ্ডৰ বিৰুদ্ধে একমাত্ৰ টেষ্ট ড্ৰ খেলি ভাৰতীয় মহিলাৰ চমক

**লণ্ডন, ২০ জুন ঃ** টেষ্ট অভিষেক কৰা স্নেহ ৰাণা আৰু তানিয়া ভাটিয়াৰ অনবদ্য বেটিঙৰে ইংলণ্ড ভ্ৰমণলৈ যোৱা ভাৰতীয় মহিলা ক্ৰিকেট দলে ঘৰুৱা দলৰ বিৰুদ্ধে খেলা একমাত্ৰ টেষ্টখনত ফল'অনৰ সন্মুখীন হোৱাৰ পাছতো ড্ৰ খেলি শক্তি আৰু দৃঢ়তাৰ পৰিচয় দিছে। উল্লেখ্য যে চাৰিদিনীয়া টেষ্টখনত ভাৰত ইনিংছ পৰাজয়ৰ দিশে আগবাঢ়িছিল যদিও নৱম উইকেটৰ যুটিত টেষ্ট অভিষেক কৰা স্নেহ ৰাণা আৰু তানিয়া ভাটিয়াই 104 ৰাণৰ অপৰাজিত যুটি বান্ধি ড্ৰ কৰিবলৈ সক্ষম হয়। স্নেহে 80 ৰাণ আৰু তানিয়াই 44 ৰাণত অপৰাজিত থাকে। উল্লেখ্য যে টেষ্টখনত পোনতে বেটিং কৰা ইংলণ্ডে ন উইকেটত 396 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষনা কৰে। দলৰ হৈ নাইটে 95, ছ'ফিয়াই 74 আৰু টেমিয়ে 66 ৰাণ কৰে। ভাৰতৰ হৈ স্নেহ ৰানাই চাৰিটা আৰু দিপ্তী শৰ্মাই তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত ভাৰতে প্ৰথম ইনিংছ আৰম্ভ কৰি শ্বেফালিৰ (96] আৰু মান্ধানাৰ (78) 167 ৰাণৰ অপেনিং যুটীৰে সুন্দৰ আৰম্ভণি কৰিছিল যদিও বাকীসকল ব্যৰ্থ হয় আৰু 231 ৰাণত ইনিংছ সামৰি ফল'অনৰ সন্মুখীন হয়। কিন্তু দ্বিতীয় ইনিংছত ভাৰতে যুঁজ দিয়ে আৰু আঠ উইকেটত 344 ৰাণ কৰি ইংলণ্ডৰ আশাত চেচাপানী ঢালি দিয়ে। স্নেহ ৰাণা আৰু তানিয়া ভাটিয়াৰ অনবদ্য বেটিঙৰ পূৰ্বে ভাৰতৰ শ্বেফালী বাৰ্মাই দ্বিতীয় ইনিংছতো চমকপ্ৰদ 63 ৰাণ কৰাৰ লগতে দিপ্তী শৰ্মাই 54 আৰু পুনমে 39 ৰাণ কৰে। কিন্তু উভয় ইনিংছত ব্যৰ্থ হয় মিতালী ৰাজ আৰু হৰমনপ্ৰিত কৌড়। মেচৰ শ্ৰেষ্ঠ হয় শ্বেফালী। উল্লেখ্য যে দীৰ্ঘ বিৰতিৰ পাছত ভাৰতীয় মহিলা ক্ৰিকেট দলে টেষ্ট খেলিছে। উল্লেখ্য যে ইংলণ্ডত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখন টেষ্ট খেলাৰ লগতে তিনিখন এদিনীয়া আৰু তিনিখন টি-20 মেচ খেলিব।





## অলিম্পিকলৈ যোগ্যতা অৰ্জনত ব্যৰ্থ ভাৰতৰ মহিলা আৰ্চাৰী দল

**নতুন দিল্লী, ২০ জুন ঃ** আসন্ন টকিঅ' অলিম্পিকলৈ যোগ্যতা অৰ্জনত ব্যৰ্থ হৈছে ভাৰতৰ মহিলা আৰ্চাৰীৰ দল। উল্লেখ্য যে আজি যোগ্যতা অৰ্জন প্ৰতিযোগিতাত ভাৰতৰ মহিলা আৰ্চাৰীৰ দল পৰাস্ত হয় কলম্বিয়াৰ বিৰুদ্ধে। এতিয়া আসন্ন টকিঅ' অলিম্পিকত ভাৰতৰ মহিলা আৰ্চাৰীৰ পৰা কেবল দীপিকা কুমাৰীয়ে খেলিব। উল্লেখ্য যে দীপিকা কুমাৰীয়ে বিশ্ব আৰ্চাৰীত সোণ লাভ কৰি আসন্ন টকিঅ' অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছে। ইয়াৰপূৰ্বে লণ্ডন আৰু ৰিঅ' অলিম্পিকতো খেলিছিল দীপিকা কুমাৰীয়ে।

## ভাৰতীয় দলৰ টকিঅ' অলিম্পিকৰ প্ৰস্তুতিৰ বাবে বি চি চি আই ১০ কোটি

**মুম্বাই, ২০ জুন ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে আসন্ন টকিঅ' অলিম্পিকত ভাৰতীয় দলৰ প্ৰস্তুতিৰ বাবে 10 কৌটি টকা আগবঢ়াইছে। আজি বি চি চি আয়ে এই কথা ব্যক্ত কৰে। উল্লেখ্য যে অহা 23 জুলাইৰ পৰা আৰম্ভ হ'ব টকিঅ' অলিম্পিক। এইবাৰ ভাৰতৰ প্ৰায় 125 জনীয়া এটা দল যাব বুলি আসন্ন টকিঅ' অলিম্পিকৰ ভাৰতীয় দলৰ চিফ দ্যা মিছন অসমৰ সাংসদ তথা ভাৰতীয় ভাৰোত্তোলন সন্থাৰ সভাপতি বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই জানিবলৈ দিছে। তেওঁ লগতে জনাই যে ভাৰতীয় দলৰ প্ৰথমটো গোট জুলাইৰ দ্বিতীয় সপ্তাহত ৰাওনা হ'ব

### আজিৰ খেল

ইউক্ৰেইন-অষ্টিয়া
নিশা ঃ ৯.৩০ বজাত
নেদাৰলেণ্ড-মেছিড'নিয়া
নিশা ঃ ৯.৩০ বজাত
ডেনমাৰ্ক-ৰাছিয়া
নিশা ঃ ১২.৩০ বজাত
ফিনলেণ্ড-বেলজিয়াম
নিশা ঃ ১২.৩০ বজাত

চিলি-উৰুগুৱে
নিশা ঃ ২.৩০ বজাত
আৰ্জেণ্টিনা-পাৰাগুৱে
পুৱা ঃ ৫.৩০ বজাত
(২২ জুন)

## পৰ্তুগালক বিধ্বস্ত কৰি জাৰ্মানীৰ প্ৰত্যাৱৰ্তন

**মিউনিখ, ২০ জুন ঃ** প্ৰথম মেচত ফ্ৰান্সৰ বিৰুদ্ধে আত্মঘাটি গ'ল হজম কৰি পৰাজয়ৰ সন্মুখীন হোৱা জাৰ্মানীয়ে যোৱানিশা গ্ৰুপৰ দ্বিতীয় মেচত শক্তিশালী প্ৰত্যাৱৰ্তন কৰাৰ লগতে দুটাকৈ আত্মঘাটি গ'লৰ সুফলো লাভ কৰিলে। উল্লেখ্য যে চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ যোৱানিশা অনুষ্ঠিত হোৱা এখন হাইভ'ল্টেজ মেচত পূৰ্ব বিশ্ব চেম্পিয়ন জাৰ্মানীয়ে 4-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে বিগত বৰ্ষৰ ইউৰো চেম্পিয়ন পৰ্তুগালক। গ্ৰুপ 'এফ'ৰ মেচখনত প্ৰথমে গ'ল কৰিছিল পৰ্তুগালে। খেলৰ 15 মিনিটতে তাৰকা ক্ৰিষ্টিয়ানো ৰোণাল্ডোই সতীৰ্থ জ'টাৰ পৰা লাভ কৰা এটা সুন্দৰ পাচৰ সহায়ত গ'ল কৰি পৰ্তুগালক মেচত 1-0 ৰ অগ্ৰগতি দিয়ে। কিন্তু মৰণপণ মেচখনত পৰ্তুগীজ বাহিনীক প্ৰত্যাক্ৰমণ কৰিবলৈ লয় সংঘবদ্ধ জাৰ্মানীয়ে। ইয়াৰ সুফল দলে লাভ কৰে। খেলৰ 35 আৰু 39 মিনিটত জাৰ্মানীৰ আক্ৰমণৰ সন্মুখত পৰ্তুগালে আত্মসমৰ্পন কৰাৰ ফলশ্ৰুতিত জ'ৰাছিম ল'ৰৰ দলে মেচত 2-1 ৰ অগ্ৰগতি ল'বলৈ সক্ষম হয়। উল্লেখ্য যে দুয়োটা গ'লে জাৰ্মানীৰ আক্ৰমন ৰক্ষা কৰিবলৈ গৈ পৰ্তুগালৰ ৰক্ষণপন্থী ডিয়াছ আৰু গুৰেৰিঅ'ই চাপৰ মাজতে ভুল কৰি নিজৰ দুৰ্গত বল সোমাই দিয়ে। বিৰতিলৈ 2-1 ৰ অগ্ৰগতি লাভ কৰা জাৰ্মানীয়ে খেলৰ 51 মিনিটত হাভাৰ্টজৰ গ'লেৰে ব্যৱধান 3-1 কৰে। আনহাতে, জাৰ্মানীৰ হৈ চতুৰ্থটো গ'ল দিয়ে খেলৰ 60 মিনিটত গছেনছে। জয় নিশ্চিত হোৱাৰ পাছত আক্ৰমণপন্থীক খেলপথাৰৰ পৰা লৈ আনে জ'ৰাচিমে। ইয়াৰ সুযোগ লৈ খেলৰ 67 মিনিটত জ'টাৰ গ'লেৰে পৰ্তুগালে ব্যৱধান 4-2 কৰে যদিও ইতিমধ্যে ৰোণাল্ডোৰ দলে দুই হাত উঠাই দিছিল জাৰ্মানীৰ সন্মুখত। উল্লেখ্য যে এই জয়ৰে জাৰ্মানীয়ে ট্ৰেকলৈ উভতিছে। অন্তিম মেচত দল মুখামুখি হ'ব হাংগেৰীৰ। গতিকে প্ৰি-কোৱাৰ্টাৰ নিশ্চিত বুলিব পাৰি। উল্লেখ্য যে গ্ৰুপৰ প্ৰথম মেচত 2018 ৰ ৰাছিয়া ফিফা বিশ্বকাপৰ চেম্পিয়ন ফ্ৰান্সৰ মুখামুখি হৈছিল 2014 ৰ ব্ৰাজিল ফিফা বিশ্বকাপৰ চেম্পিয়ন জাৰ্মানী। গ্ৰুপ 'এফ'ৰ মেচখন উভয় দলৰে চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত প্ৰথম মেচ আছিল। উত্তেজনাপূৰ্ণ মেচত আত্মঘাটি গ'লৰ বাবে ফ্ৰান্সৰ বিৰুদ্ধে একমাত্ৰ গ'লত পৰাস্ত হয় জাৰ্মানী। খেলৰ 20 মিনিটত জাৰ্মানীৰ বস্কত থকা বল গ'লপষ্টৰ বাহিৰলৈ মাৰিবলৈ যোৱা হুমেলছে নিজৰে দুৰ্গত সোমাই দিয়ে। উল্লেখ্য যে ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত গৌৰৱময় ইতিহাস আছে জাৰ্মানীৰ। উল্লেখ্য যে বিশ্ব চেম্পিয়ন জাৰ্মানীয়ে তিনিবাৰকৈ দখল কৰিছে ইউৰো কাপৰ চেম্পিয়ন ট্ৰফী। জাৰ্মানীয়ে 1972, 1980 আৰু 1996 ত লাভ কৰিছে ইউৰো কাপৰ খিতাপ।



## ফ্ৰান্সৰ বিৰুদ্ধে পৰ্তুগালৰ মেচ অঘোষিত ফাইনেল

**মিউনিখ, ২০ জুন ঃ** চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ যোৱানিশা অনুষ্ঠিত হোৱা এখন হাইভ'ল্টেজ মেচত পূৰ্ব বিশ্ব চেম্পিয়ন জাৰ্মানীয়ে 4-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে বিগত বৰ্ষৰ ইউৰো চেম্পিয়ন পৰ্তুগালক। এই পৰাজয়ৰ পাছত এতিয়া চাপৰ সন্মুখীন হৈছে ক্ৰিষ্টিয়ানো ৰোণাল্ডোৰ দল। কাৰণ প্ৰথম মেচৰ জয়ৰে তিনি পইণ্ট লাভ কৰি গ্ৰুপৰ তৃতীয় স্থানত আছে পৰ্তুগাল। যোৱানিশা পৰ্তুগালক হৰুৱাই জাৰ্মানীয়ে তিনি পইণ্ট লাভ কৰিছে যদিও গ'লৰ গড় হিচাপত দ্বিতীয় স্থানত আছে। ইফালে, প্ৰথম মেচত জাৰ্মানীক হৰুৱাই তথা দ্বিতীয় মেচত হাংগেৰীৰ লগত ড্ৰ খেলি চাৰি পইণ্টৰে শীৰ্ষত আছে ফ্ৰান্স। অন্তিম মেচত জাৰ্মানী মুখামুখি হ'ব হাংগেৰীৰ। গতিকে প্ৰি-কোৱাৰ্টাৰ নিশ্চিত বুলিব পাৰি।



আনহাতে, এই গ্ৰুপৰ অন্তিম মেচত ফ্ৰান্সে খেলিব পৰ্তুগালৰ বিৰুদ্ধে। জয়ৰ লগতে গ'লৰ সংখ্যা বৃদ্ধি কৰাৰ বিকল্প নাই পৰ্তুগালৰ সন্মুখত। সেয়ে চাপৰ মাজত বিগত বৰ্ষৰ চেম্পিয়ন পৰ্তুগাল। উল্লেখ্য যে পৰ্তুগালে ইউৰো কাপত চমকপ্ৰদ জয়ৰে অভিযান আৰম্ভ কৰিছিল। গ্ৰুপ 'এফ'ৰ মেচত পৰ্তুগালে 3-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে হাংগেৰীক। খেল সমাপ্ত হ'বলৈ ন মিনিট থকা অৱস্থাত তিনিটা গ'ল দি প্ৰথম মেচৰ পৰা গুৰুত্বপূৰ্ণ তিনি পইণ্ট লাভ কৰে পৰ্তুগালে। ইয়াৰে দুটা গ'ল কৰিছিল অধিনায়ক তথা বিশ্ব ফুটবলৰ তাৰকা ক্ৰিষ্টিয়ানো ৰোণাল্ডোই। উল্লেখ্য যে বিগত 2016 ৰ ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত ফ্ৰান্সক একমাত্ৰ গ'লত হৰুৱাই প্ৰথমবাৰৰ বাবে ইউৰো কাপৰ চেম্পিয়ন ট্ৰফী হাতত লৈছিল পৰ্তুগালে। এইবাৰ গ্ৰুপতে ফাইনেল সদৃস মেচত পুনৰ পৰ্তুগাল আৰু ফ্ৰান্স।

## ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে অগ্ৰগতি লাভ কৰিলে দক্ষিণ আফ্ৰিকাই

**ছেইণ্ট লুছিয়া, ২০ জুন ঃ** দক্ষিণ আফ্ৰিকাই ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্টৰ প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য যে পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই প্ৰথম ইনিংছত 298 ৰাণ কৰিছে। আলহী দলৰ হৈ এলগাৰে 77 ৰাণ আৰু ডিক'কে 96 ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে দ্বিতীয় দিনাৰ খেলৰ অন্তত 149 ৰাণত প্ৰথম ইনিংছ সামৰে আৰু দক্ষিণ আফ্ৰিকাই 149 ৰাণৰ অগ্ৰগতি লাভ কৰে প্ৰথম ইনিংছত। কেৰিবিয়ান দলৰ হৈ ব্লেকউদে 49 আৰু হ'পে 43 ৰাণ কৰে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই দুখন টেষ্ট আৰু পাঁচখন টি-20 মেচ খেলিবলৈ ৱেষ্ট ইণ্ডিজ ভ্ৰমণ কৰিছে। দ্বিতীয় টেষ্টৰ সামৰণিৰ পাছত দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখন টি-20 মেচ অহা 26 জুনৰ পৰা তিনি জুলাইলৈ অনুষ্ঠিত হ'ব। ইতিমধ্যে দক্ষিণ আফ্ৰিকাই শৃংখলাৰ প্ৰথমখন টেষ্টত এক ইনিংছ আৰু 63 ৰাণত জয়লাভ কৰি 1-0 ত আগবাঢ়ি আছে। প্ৰথম টেষ্টখনত পোনতে বেটিং কৰা ৱেষ্ট ইণ্ডিজে মাত্ৰ 97 ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই 322 ৰাণত প্ৰথম ইনিংছ সামৰি অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হয়। ইফালে, দ্বিতীয় ইনিংছ আৰম্ভ কৰি ৱেষ্ট ইণ্ডিজে পুনৰ বেটিং বিপৰ্যয়ৰ সন্মুখীন হয়। দলে 162 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। চলিত টেষ্টতো পৰাজয়ৰ দিশে আগবাঢ়িছে ৱেষ্ট ইণ্ডিজ।



## ক্ৰমাগত দুখন মেচ ড্ৰ খেলি চাপত স্পেইন

**ছেভিলা, ২০ জুন ঃ** পূৰ্বৰ বিশ্ব চেম্পিয়ন তথা ইউৰো কাপৰ খিতাপ লাভ কৰা স্পেইনে চলিত 16 সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত ড্ৰ খেলি অভিযান আৰম্ভ কৰাৰ পাছত যোৱানিশা দল নিজৰ দ্বিতীয় গ্ৰুপ মেচতো জয়ৰ পৰা বঞ্চিত হ'বলগা হয়। পোলেণ্ডৰ বিৰুদ্ধে 1-1 ত ড্ৰ খেলে স্পেইনে। খেলৰ 25 মিনিটত ম'ৰাটাই গ'ল কৰি স্পেইনক বিৰতিলৈ 1-0 ত আগুৱাই ৰাখিছিল যদিও পোলেণ্ডৰ অধিনায়ক তথা সুদক্ষ ষ্ট্ৰাইকাৰ ৰবাৰ্ট লেৱাণ্ডোস্কিয়ে খেলৰ 54 মিনিটত দৰ্শনীয় হেডেৰে গ'ল কৰি মেচত সমতা স্থাপন কৰে। উল্লেখ্য যে ক্ৰমাগত দুখন মেচ ড্ৰ খেলি দুই পইণ্ট লাভ কৰা স্পেইন ছুইডেন আৰু শ্ল'ভাকিয়াৰ পাছত তৃতীয় স্থানত আছে। দলে অন্তিম মেচ খেলিব শ্ল'ভাকিয়াৰ বিৰুদ্ধে। জয়ৰ বিকল্প নাথাকিব স্পেইনৰ সন্মুখত। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰুপ 'ই'ৰ নিজৰ প্ৰথম মেচত স্পেইনৰ প্ৰতিদ্বন্দ্বী আছিল ছুইডেন। সেই মেচখনো গ'লশূন্য ড্ৰ ৰূপে সমাপ্ত হৈছিল। উল্লেখ্য যে ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত গৌৰৱময় ইতিহাস আছে স্পেইনৰ। ফিফা বিশ্ব কাপৰ চেম্পিয়ন স্পেইনে তিনিবাৰকৈ দখল কৰিছে ইউৰো কাপৰ চেম্পিয়ন ট্ৰফী। স্পেইনৰ সফলতা আন এক দৃষ্টিৰেও অনন্য। ক্ৰমাগত দুবাৰ ইউৰো কাপৰ খিতাপ লাভ কৰা একমাত্ৰ দলটো হ'ল স্পেইন। উল্লেখ্য যে স্পেইনে 2008 আৰু 2012 ত ক্ৰমাগত দুবাৰ ইউৰো কাপ লাভ কৰিছে। ইয়াৰপূৰ্বে স্পেইনে 1964 ত প্ৰথমবাৰৰ বাবে ইউৰোৰ চেম্পিয়ন হৈছিল। কিন্তু এইবাৰ নতুন খেলুৱৈৰে খেলা দলে গ্ৰুপতে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে।



## পোলেণ্ডৰ আশা সজীৱ ৰাখিলে অধিনায়ক লেৱানড'স্কিয়ে

**ছেভিলা, ২০ জুন ঃ** চলিত 16 সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথম মেচখন আছিল পোলেণ্ডৰ বাবে দুৰ্ভাগ্য। আত্মঘাটি গ'ল হজম তথা ৰঙা কাৰ্ড লাভ কৰা বেদনাৰে ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰা পোলেণ্ডে প্ৰথম মেচত পৰাজয়ৰ সন্মুখীন হয়। ছেইণ্ট পীটাৰ্ছবাৰ্গত অনুষ্ঠিত গ্ৰুপ 'ই'ৰ মেচত পোলেণ্ড 1-2 গ'লত পৰাস্ত হয় শ্ল'ভাকিয়াৰ বিৰুদ্ধে। খেলৰ 18 মিনিটতে গ'লৰক্ষক ছজজেছনিৰ ভুলৰ বাবে আত্মঘাটি গ'ল হজম কৰে পোলেণ্ডে। বিৰতিলৈ শ্ল'ভাকিয়া 1-0 ত আগুৱাই থাকে যদিও 46 মিনিটত পোলেণ্ডৰ লিনেটিয়ে গ'ল কৰি মেচত 1-1 ত সমতা স্থাপন কৰে। কিন্তু 62 মিনিটত পোলেণ্ডৰ ক্ৰিচ'ৱিকক ৰঙা কাৰ্ড দিয়াত দলে 10 জনৰে খেলিব লগা হয়। ইয়াৰ সুযোগ লৈয়ে 64 মিনিটত স্কিনিয়াৰে বিজয়সুচক গ'লটো কৰি শ্ল'ভাকিয়াক তিনি পইণ্ট সংগ্ৰহত গুৰুত্বপূৰ্ণ ভূমিকা লয়। উল্লেখ্য যে চলিত ইউৰো কাপত ৰবাৰ্ট লেৱাড'স্কিৰ ওপৰতে নিৰ্ভৰ হ'ব পোলেণ্ডৰ সফলতা। যোৱানিশা মৰণপণ মেচত স্পেইনৰ বিৰুদ্ধে ৰবাৰ্ট লেৱাড'স্কিয়ে সেই ভুমিকাতে অৱতীৰ্ণ হ'ল। খেলৰ 25 মিনিটত ম'ৰাটাই গ'ল কৰি স্পেইনক বিৰতিলৈ 1-0 ত আগুৱাই ৰাখিছিল যদিও পোলেণ্ডৰ অধিনায়ক তথা সুদক্ষ ষ্ট্ৰাইকাৰ ৰবাৰ্ট লেৱাণ্ডোস্কিয়ে খেলৰ 54 মিনিটত দৰ্শনীয় হেডেৰে গ'ল কৰি মেচত সমতা স্থাপন কৰে। ইউৰো কাপত প্ৰথমটো গ'ল কৰি মেচ ড্ৰ কৰা লেৱাণ্ডোস্কিয়ে পোলেণ্ডৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ আশা সজীৱ ৰাখিলে। দলে অন্তিম মেচ খেলিব ছুইডেনৰ বিৰুদ্ধে। জয়লাভ কৰিলে নকআউট ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিব পোলেণ্ডে। বেয়াৰ্ণ মিউনিখৰ ষ্টাইকাৰ লেৱাড'স্কিয়ে এইবাৰৰ জাৰ্মান লীগত 49 বছৰীয়া এক অভিলেখ ভংগ কৰিছে। এটা ছিজনত সৰ্বাধিক গ'ল কৰাৰ অভিলেখ গঢ়িছে পোলেণ্ডৰ লেৱাড'স্কিয়ে। উল্লেখ্য যে জাৰ্মান লীগত লেৱাড'স্কিয়ে 29 খন মেচত মুঠ 41 টা গ'ল কৰিছে। ইয়াৰপূৰ্বে 1972 ত গ্ৰেড মুলাৰে এটা ছিজনত 40 টা গ'ল কৰিছিল। আনহাতে, 2015-16 ত বাৰ্চিলোনাত থকা অৱস্থাত লুইছ ছুৱাৰেজে এটা ছিজনত 40 টা গ'ল কৰিছিল। তাৰপাছত এইবাৰ ইউৰোপৰ লীগত অভিলেখৰ গৌৰৱ লাভ কৰিলে লেৱাড'স্কিয়ে।



সত্যমেৱ জয়তে
অসম চৰকাৰ

NATIONAL AYUSH MISSION

“যোগাভ্যাস কৰক
ঘৰতে থাকক”

NATIONAL HEALTH MISSION
ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

# ৭ম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস

## ২১ জুন, ২০২১

আজি ২১ জুন, ২০২১ তাৰিখে সমগ্ৰ বিশ্বতে ৭ম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হৈছে। বৰ্তমান সময়ৰ ক'ভিড মহামাৰীৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰৰ আয়ুস মন্ত্ৰালয়ে এই বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ঘৰতেই পালন কৰাৰ বাবে আহ্বান জনাইছে। সেইবাবেই এই বৰ্ষৰ যোগ দিৱসৰ বিষয়বস্তু হিচাপে ধাৰ্য্য কৰিছে- "যোগাভ্যাস কৰক, ঘৰতে থাকক"।

যোগ হৈছে সমগ্ৰ বিশ্ববাসীলৈ ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ এক অমূল্য অৱদান। নিয়মিত যোগাভ্যাসে ব্যক্তি এজনক শাৰীৰিক আৰু মানসিক সুস্থিৰতা প্ৰদান কৰাৰ লগতে ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰাতো সহায় কৰে। যোগৰ অনুশীলনে সমাজত শান্তি আৰু সমন্বয় প্ৰতিষ্ঠা কৰাত সহায় কৰে।

আহক আমি সকলোৱে নিয়মিত যোগাভ্যাসৰ জড়িয়তে সুস্থ শৰীৰ আৰু মনৰ অধিকাৰী হওঁ, লগতে প্ৰাকৃতিকভাৱে নিৰোগী সমাজ গঢ়ি তোলো।



ড° হিমন্ত বিশ্ব শৰ্মা
মাননীয় মুখ্যমন্ত্ৰী, অসম

অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে ধেমাজি জিলাৰ গেৰুকামুখত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত অংশ গ্ৰহণ কৰিব।

অসমৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীযুত কেশৱ মহন্ত ডাঙৰীয়াই গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰিব।

অসমৰ বিভিন্ন জিলা সদৰত মাননীয় মন্ত্ৰী, স্বায়ত্ব পৰিষদৰ মাননীয় মুখ্য কাৰ্য্যবাহী সদস্য, মাননীয় সাংসদ আৰু বিধায়কসকলে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বিভিন্ন অনুষ্ঠানত অংশ গ্ৰহণ কৰিব।



### কপালভাটি

কপালভাটি, যাক জুইৰ উশাহ বুলিও কোৱা হয়, হৈছে এক গুৰুত্বপূৰ্ণ ষট্‌কৰ্ম, যি হঠ যোগৰ এক বিশুদ্ধকৰণ। কপালভাটি শব্দটো দুটা সংস্কৃত শব্দৰে গঠিত: কপালৰ অৰ্থ 'মস্তিস্ক' আৰু ভাটিৰ অৰ্থ হৈছে 'উজ্জ্বল, আলোকিত'



### বজ্ৰাসন

বজ্ৰাসন শব্দটো দুটা সংস্কৃত শব্দৰ পৰা আহিছে - বজ্ৰ আৰু আসন। বজ্ৰ আক্ষৰিক ভাৱে বজ্ৰপাতলৈ ৰূপান্তৰিত হয়, হিন্দু পৌৰাণিক কাহিনীৰ মতে স্বৰ্গৰ প্ৰভু ইন্দ্ৰই ব্যৱহাৰ কৰা পৌৰাণিক অস্ত্ৰ হৈছে বজ্ৰ।



### ত্ৰিকোণাসন

ত্ৰিকোন মানে ত্ৰিভুজ। ত্ৰি মানে তিনি আৰু কোন মানে এটা কোণ। যিহেতু আসনৰ ফলত ধড়, বাহু আৰু ভৰিৰ দ্বাৰা তৈয়াৰ কৰা ত্ৰিভুজৰ এটাৰ দৰে হয়, সেয়েহে এই আসনৰ নাম ত্ৰিকোনাসন।



### ভূজঙ্গাসন

ভূজঙ্গৰ অৰ্থ হৈছে সাপ। এই আসনত, শৰীৰটো সাপৰ ফণাৰ দৰে ওপৰলৈ উঠা হয় বাবে এই আসনক ভূজঙ্গাসন বুলি কোৱা হয়।



### সেতুবন্ধাসন

সেতুবন্ধৰ অৰ্থ হৈছে দলং গঠন। এই ভঙ্গীত, শৰীৰটো দলঙৰ দৰে অৱস্থিত, সেয়েহে ইয়াক সেতুবন্ধাসন বুলি কোৱা হয়।



### উত্তান মণ্ডুকাসন

উত্তান শব্দৰ অৰ্থ ওপৰলৈ উঠা আৰু মন্দুক মানে ভেকুলী। এই আসনৰ পূৰ্ণ অৱস্থাত ভেকুলীৰ দৰে দেখা যায় বাবে এই নাম দিয়া হৈছে।

কাৰ্যসূচীসমূহ ক'ভিড নিয়মাৱলী অনুসৰণ কৰি পালন কৰা হ'ব।

## আয়ুষ সঞ্চালকালয়, অসম

বনফুল নগৰ পথ, দিছপুৰ, গুৱাহাটী ০৬, ফোন নম্বৰ: ০৩৬১ ২২৩০৩৩৪, ইমেইল: namassam15@gmail.com

জনসংযোগ/ডি/১৩৫৩/২১